© 2023 Walter de Gruyter GmbH, Berlin/Boston

# HANDBOOK OF BIOMOLECULES

## Fundamentals, Properties, and Applications




Edited by
Chandrabhan Verma
Dakeshwar Kumar Verma


ELSEVIER

ScienceDirect



# Handbook of Biomolecules

*Fundamentals, Properties and Applications*

**Book** • 2023

Edited by:
Chandrabhan Verma and Dakeshwar Kumar Verma

Browse book content

About the book

Search in this book

Search in this book

## Table of contents

○ Full text access

Front Matter, Copyright, Contributors

*Part I: Fundamental and basics of biomolecules*

Book chapter ○ Abstract only

Chapter 1 - Amino acids: Classification, synthesis methods, reactions, and determination

Yeestdev Dewangan, Elyor Berdimurodov and Dakeshwar Kumar Verma

Pages 3-23

Purchase View abstract

Book chapter ○ Abstract only

Chapter 2 - Carbohydrate: Introduction and fundamentals

Ashish Kumar Asatkar and Ranjan Kumar Basak

Pages 25-55

Purchase View abstract

Book chapter ○ Abstract only

Chapter 3 - Nucleic acids: Components, nomenclature, types, and protection method

Mamta Tripathi, Avijit Sarkar and Mithlesh Mahilang

Pages 57-76

FEEDBACK

ScienceDirect

Handbook of Biomolecules
Fundamentals, Properties and Applications
2023, Pages 177-213

# Chapter 8 - Alkaloids and terpenoids: Synthesis, classification, isolation and purification, reactions, and applications

Mayur Mausoom Phukan [a], Samson Rosly Sangma [a], Debajit Kalita [b], Plaban Bora [c], Pranjal Pratim Das [d], Kumar Manoj [e], Pranay Punj Pankaj [f], Imnawapang Jamir [g], Dakeshwar Kumar Verma [h], G Bupesh [a], K Meenakshi Sundaram [i]

Show more

Outline | Share | Cite

https://doi.org/10.1016/B978-0-323-91684-4.00017-7
Get rights and content

## Abstract

In the past few decades there has been a tremendous spike in studies pertaining to secondary metabolite research specifically with regard to their prominence as a source of high-value pharmaceuticals. The secondary metabolites are heterogeneous low-molecular-weight products of secondary metabolism with very complex chemical structures and diverse biological functions. These highly complex metabolites are produced by plants and microbes (bacteria and fungi) and are not involved in primary metabolic processes such as growth and reproduction. Based on their chemical structure, synthesis, and functions they have been classified differently by different researchers. This chapter presents a comprehensive overview of alkaloids and terpenoids, especially their classification, isolation, purification, synthesis, and applications.

Recommended articles

## References (0)

## Cited by (0)

View full text

Copyright © 2023 Elsevier Inc. All rights reserved.



DRUG DISCOVERY UPDATE

SERIES EDITOR: DR. CHUKWUEBUKA EGBUNA

# NANOTECHNOLOGY AND IN SILICO TOOLS

## Natural Remedies and Drug Discovery

Edited by

Mital Kaneria

Kalpna Rakholiya

Save 50% on book bundles

Immediately download your ebook while waiting for your print delivery. No promo code is needed.




Offer details

## Description

Nanotechnology and In Silico Tools: Natural Remedies and Drug Discovery provides the latest information and updates in the area of drug discovery. The book covers aspects like nanomedicines, bioinformatics, molecular docking, molecular modeling, QSAR, virtual screening, and computational chemistry as well as metabolomics research using various tools. It combines the principles of natural medicines with refined modern technology to help chemists in the development of a more ecofriendly and effective discovery process.The drug discovery process accelerates the design of new leads for various life-threatening diseases and natural medicines. Silico tools have been an integral part of the drug discovery process, playing a major role as a template for drug discovery and offering a holistic approach to better management of various diseases.

## Key features

## Readership

## Table of contents

Cover image

Title page

Table of Contents

Copyright

List of contributors

Part I. Nanotechnology

Chapter 1. Green route synthesis of silver nanoparticles (Ag-NPs) and their applications

Introduction

Conventional and green methods of nanoparticles synthesis

Chemical methods

Green-route methods

Application of silver nanoparticles (Ag-NPs)

ScienceDirect

Nanotechnology and In Silico Tools
Natural Remedies and Drug Discovery
2024, Pages 3-13

# Chapter 1 - Green route synthesis of silver nanoparticles (Ag-NPs) and their applications

Niraj Singh [1], Pranjal Pratim Das [2], Gaurav S. Dave [3], Jay Kumar [4]

Show more

Outline | Share | Cite

https://doi.org/10.1016/B978-0-443-15457-7.00024-1
Get rights and content

## Abstract

A remarkable development in the chemical synthesis of nanoparticles utilizes an environmentally unfriendly approach that leads to hazards for aquatic and terrestrial organisms. To bypass the chemical-based synthesis route of nanoparticles, a plant or microorganism-based green approach is under critical evaluation for further technological interventions. In the last couple of years, the green rout synthesis of silver nanoparticles and other nanomaterials has attracted considerable worldwide attention. Silver nanoparticles (Ag-NPs), synthesized with the green route, have several crucial aspects due to their inherent eco-friendly nature and plentiful applications. Ag-NPs have emerged as a crucial tool for nano-based material with a variety of avenues in utilization in the wide range of commercially available products, i.e., medicine, therapeutics, agriculture, diagnosis, etc. Therefore, the present book chapter aims to network different approaches to the green synthesis of silver nanoparticles (Ag-NPs) and their probable applications.

Recommended articles

## References (0)

## Cited by (0)

View full text

Copyright © 2024 Elsevier Inc. All rights reserved.

As per CBCS Syllabus

# অসমীয়া চুটিগল্প আৰু উপন্যাস

গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ ষষ্ঠ যাণ্মাসিকৰ সন্মান পাঠ্যক্ৰমৰ আধাৰত

**ASM-HC-6016**

সম্পাদনা ঃ
ড° ভনিতা নাথ



*Asamiya Chutigalpa Aru Upanyash* : A collection of Assamese articles edited by Dr. Bhanita Nath and Published by B. D. Prakash, Panbazar, Guwahati : 1
First Edition : May, 2022

Price : 325/-

# অসমীয়া চুটিগল্প আৰু উপন্যাস

**ISBN** : 978-93-94134-01-0

প্ৰকাশক
বি. ডি. প্ৰকাশ
পাণবজাৰ, গুৱাহাটী-১

পৰিৱেশক
বান্ধৱ, পাণবজাৰ, গুৱাহাটী-১
ফোন ঃ ৮১৩৫৯-৮২৬৪১
অসম বুক ট্ৰাষ্ট, পাণবজাৰ, গুৱাহাটী-১
ফোন ঃ ৯১০১২-৫৪৪৩৪
বুকলেণ্ড, পাণবজাৰ, গুৱাহাটী-১
ফোন ঃ ৯৮৬৪৫-০৮২৫৭

প্ৰথম প্ৰকাশ ঃ মে', ২০২২ চন

© সম্পাদকৰদ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত

ডি টি পি ঃ ভৱদ্বীপ ৰয়

মূল্য ঃ ৩২৫.০০ টকা

মুদ্ৰক
ইলোৰা অফছেট,
হেদায়েৎপুৰ, গুৱাহাটী-০১

# পূৰবী বৰমুদৈৰ গল্প আৰু ৰাজনীতি নুবুজা মানুহ

ড°প্ৰতুল ডেকা
দিগন্ত দাস

সাম্প্ৰতিক অসমীয়া কথা সাহিত্যত পূৰবী বৰমুদৈ (১৯৫০-২০১৯) এটি সু-প্ৰতিষ্ঠিত নাম। শান্তনুকুলনন্দন (২০০৫) উপন্যাসৰ বাবে ২০০৭ খৃঃত সাহিত্য অকাডেমী বঁটা লাভ কৰা বৰমুদৈ ঔপন্যাসিক হিচাপে বেছি চৰ্চিত আৰু সমাদৃত যদিও এগৰাকী সফল গল্পকাৰ হিচাপেও অসমীয়া গল্প সাহিত্যত তেওঁৰ এখন সুকীয়া আসন আছে। বৰমুদৈৰ প্ৰকাশিত গল্প সংকলনবোৰ হ'ল—শীতৰ কুঁৱলী (১৯৭৬), পূৰবী বৰমুদৈৰ নিৰ্বাচিত গল্প, ১ম খণ্ড (২০০২), পূৰবী বৰমুদৈৰ নিৰ্বাচিত গল্প, ২য় খণ্ড (২০০৮), পূৰবী বৰমুদৈৰ নিৰ্বাচিত গল্প, ৩য় খণ্ড (২০১৫), হেঁৰুৱাজনক বিচাৰি আৰু অন্যান্য গল্প (২০১৪), অৱশেষত বৰষুণ (২০১৬)। গল্প সংকলন কেইখনত সন্নিবিষ্ট গল্পবোৰৰ উপৰিও বিভিন্ন গল্প কাকত-আলোচনীৰ পাততো সিঁচৰতি হৈ আছে।

পূৰবী বৰমুদৈৰ গল্পৰ জগতখন বহুমাত্ৰিক। সমাজৰ নিম্নবিত্তৰ জীৱন আৰু সংগ্ৰামৰ সূক্ষ্ম ৰূপায়ণেৰে তেওঁলোকৰ খোৱা, নোখোৱা, হেঁৰুৱা, দোমোজা আদিৰ মাজত তেওঁলোকক ভিতৰৰ পৰা জুমি চোৱাৰ আন্তৰিক প্ৰয়াস বৰমুদৈৰ গল্পৰ মাজত দেখিবলৈ পোৱা যায়। এইক্ষেত্ৰত বৰমুদৈৰ 'শীতৰ কুঁৱলী' শীৰ্ষক গল্পটিৰ কথা উল্লেখ কৰিব পাৰি। গল্পটিত নিম্ন মধ্যবিত্ত জীৱনৰ দুখ-দুৰ্দশা আৰু তাৰ মাজেদি প্ৰকাশ পোৱা স্নেহ, দয়া, সমাজবোধ আদি মানৱীয় গুণবোৰ জিলিকি উঠিছে। পত্নী, তিনি সন্তান আৰু বৃদ্ধ মাকেৰে সৈতে শিক্ষক ৰজত হাজৰিকাৰ অভাৱ জৰ্জৰিত জোৰা টাপলি মৰা সংসাৰত সমস্যাৰ অন্ত নাই। অত্যন্ত প্ৰয়োজনীয়তা সেয়েহে তেওঁ নিজৰ বাবে গৰম কোট এটাৰ ব্যৱস্থা



কৰাৰ পৰা বিৰত আছিল যদিও পত্নীৰ মৰমৰ তাগিদাত কোট এটা চিলাই আনিলে কিন্তু বিধিৰ কি বিড়ম্বনাহে কেইদিনমান পিছতে অসুস্থ হৈ পৰা মৰমৰ সন্তানৰ চিকিৎসাৰ বাবদ উপায়ন্তৰ হৈ হেপাহেৰে ডেৰশ টকাৰে চিলাই অনা কোটটো এশ টকাতে বিক্ৰি কৰি দিছে। সময়ে এলাগী কৰা নিষ্ঠাবান মানুহৰ জীৱনৰ কাৰুণ্য ৰূপায়িত হৈছে 'এটা সাপৰ পলায়ন' গল্পত। নিজৰ ঘৰখনতকৈ সদায় নিজে কাম কৰা কলেজখনৰ প্ৰতি বেছি নিষ্ঠাবান আৰু কৰ্তব্যপৰায়ণ হোৱাৰ ফলত ঘৰখন বা সন্তানক লৈ দেখা গোপীকান্তৰ স্বপ্নবোৰ মৰহি গ'লেও তেওঁৰ আক্ষেপ নাছিল। কলেজৰ অজস্ৰ ছাত্ৰ-ছাত্ৰীৰ মাজতে গোপীকান্তই নিজৰ হেঁৰুৱা বা আৰ্থিক অনাটনৰ বাবে আধাতে শিক্ষা একৰাবলৈ বাধ্য হোৱা নিজৰ সন্তানক দেখে। গোটেই জীৱন দায়িত্বজ্ঞানৰ পৰিচয় দিয়া গোপীকান্তই এটি আৱেগিক মুহূৰ্তত কৰা সাধাৰণ ভুলৰ বাবে শেষত এলেহুৱাৰ উপাধি ল'লে।

নিম্ন বিত্তৰ জীৱনটোক সহানুভূতিৰে আঁকি উলিওৱা পূৰবী বৰমুদৈ আধুনিক মধ্যবিত্ত জীৱনৰো ৰূপকাৰ। মধ্যবিত্ত জীৱনৰ দ্বন্দ্ব আৰু সংঘাত বাহ্যিক আভৰণৰ আঁৰত লুকাই থকা ক্লেদাক্ত জীৱন চৰ্যা, শঠতা আৰু ভণ্ডামি, সামাজিক, ৰাজনৈতিক, মানৱীয় মূল্যবোধৰ অৱক্ষয় আদিৰ কলাসন্মত ৰূপায়ণ আদিয়ে বৰমুদৈৰ গল্পৰ জগতখনক বহুমাত্ৰিকতা প্ৰদান কৰিছে। পল্লৱী ডেকা বুজৰবৰুৱাৰ ভাষাত—

> *আধুনিক মধ্যবিত্ত জীৱন আৰু সংঘাত, সেই জীৱনৰ হৃদয় মন, বিচাৰ-বুদ্ধিৰ দ্বন্দ্ব আৰু তাৰ চৌপাশে আগুৰি থকা অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক জীৱনৰ বিভিন্ন বিচিত্ৰ পটভূমিত আধুনিক মানুহৰ ব্যক্তিগত সুখ-দুখ, সমস্যা-সংঘাতেৰে ভৰা সাংসাৰিক আৰু সামাজিক জীৱনক নিটোল ৰূপত চিত্ৰায়ণ গল্পকাৰ পূৰবী বৰমুদৈৰ এটি বিশেষ বৈশিষ্ট্য।* পৃঃ ৪৯৫

তথাকথিত ভদ্ৰ সমাজৰ ক্লেদাক্ত আৰু স্খলিত জীৱন চৰ্যাৰ ৰূপায়ণ বৰমুদৈৰ 'যাত্ৰা' গল্পত এগৰাকী দেহোপজীৱিনীৰে জীৱনৰ মাজেৰে নাৰীৰ মমতাময়ী মাতৃ ৰূপক তুলি ধৰিছে। সামাজিক দৃষ্টিত মাত্ৰ কেঁচা মঙহৰ দোকান বুলি গণ্য হোৱা কামিনীৰ মৃত্যুত সেয়েহে ট্ৰাক ড্ৰাইভাৰে মাতৃহাৰা হোৱাৰ যন্ত্ৰণা অনুভৱ কৰিছে। আনহাতে ভদ্ৰ মহিলাইঁতে আতংকত ভুগিছে। কিয়নো তেওঁলোকৰ সন্দেহ তাই এইড্‌ছ হৈ মৰিছে। আৰু তেওঁলোকে নিঃসন্দেহ যে তেওঁলোকৰ

গিৰীয়েক সকলো প্ৰায়েই তাইৰ ওচৰলৈ গৈছিল। 'বজাৰ দাম' গল্পত মানৱীয় সম্পৰ্কৰ মূল্য নিৰ্ধাৰিত হৈছে প্ৰয়োজনৰ ওপৰত। গতানুগতিক জীৱনত অতিষ্ঠ আধুনিক মানুহৰ বিৰক্তি আৰু তাৰ পৰা পৰিত্ৰাণৰ বাবে অৱলম্বন বিচাৰি হাইৰাণ হোৱা নিৰুত্তাপ জীৱনত উষ্মাৰ অনুসন্ধান ৰূপায়িত হৈছে 'উত্তাপৰ সন্ধান' নামৰ গল্পত। জীৱনক উপভোগ্য কৰি তোলা হেঁকুৱা উত্তাপক বিচাৰি স্বামীয়ে পত্নীৰ সৈতে কাজিয়াকে কৰিছে ঃ

*মানুহজনীয়ে উচুপিবলৈ লাগিল। "মই কি দোষ কৰিলোঁ কোৱাচোন। তুমি মোক ইমান বেয়াকৈ কৈছা।"*

*"মই হাইৰাণ হৈ পৰিছোঁ। জীৱনত উত্তাপ এটা লাগে। সেই উত্তাপ মই হেৰুৱাইছোঁ। বোধহয় তুমিও হেৰুৱাইছা। বোধহয় আমি সকলোৱে উত্তাপ হেৰুৱাই বৰফ খণ্ডত পৰিণত হৈছোঁ। মই উত্তাপৰ অনুসন্ধান কৰিব খুজিছিলোঁ।"*

*"এনেকৈ? মোৰ লগত কাজিয়া কৰি।"*

*"তোমাৰ লগত কাজিয়া কৰা মানেই আমাৰ মাজৰ সম্পৰ্ক হানি হোৱা। আমি ইজন সিজনৰ প্ৰতি নিৰ্বিকাৰ হৈ পৰা নাই। আমি আঁতৰি অহা নাই।"* পৃঃ ৪৪

একে ধৰণৰ প্ৰৱণতা বৰমুদৈৰ শেহতীয়া গল্প সংকলন 'অৱশেষত বৰষুণ' শীৰ্ষক সংকলনত সন্নিবিষ্ট 'সোণালী দিনৰ সন্ধানত' গল্পটিতো দেখা যায়। গ্ৰীষ্মৰ উৎকট গৰমৰ এটি বে-ৰসিক দুপৰীয়া অতিষ্ঠ হৈ ভদ্ৰ মহিলাই এৰি অহা অতীতৰ মাজত জীৱনৰ ৰস বিচাৰি ফুৰিছে ঃ

> *ভদ্ৰ মহিলাই জহৰ ওচৰত হাৰ নমনাৰ সিদ্ধান্ত এটি কৰিলে আৰু কল্পনাক মুক্ত বিচৰণ কৰিবলৈ এৰি দিলে। ... মানুহ তেনেকৈয়ে জীয়াই থাকে আৰু জীয়াই থাকিবলৈ মানুহক অৱলম্বন এটা লাগে। ...*
>
> *... ভদ্ৰ মহিলাই সৰি পৰা দিনবোৰ বিচাৰি ফুৰিছে বাটত, হাটত, অৰণ্যত, শস্য পথাৰত, নদীৰ সোঁতত, পাৰৰ বননিত, তিৰোতা মানুহৰ মেলত, বণিজৰ সাউদ আহি ৰোৱা ঘাটত। হেৰোৱা দিনবোৰ বিচাৰি মানুহজনী হাইৰাণ হৈ পৰিল। ...*" পৃঃ ৮-৯

'সন্তান' গল্পত সময়াৰ লগে লগে সন্তান আৰু পিতৃ-মাতৃৰ মাজত সৃষ্টি হোৱা ব্যৱধানৰ সংশয় ৰূপায়িত হৈছে। ক্ৰমে নিজৰ বৃত্তত সোমাই থকা সন্তানৰ প্ৰতি মাতৃ হৃদয়ৰ অনুভৱ ব্যক্ত কৰিবলৈ গৈ কথকে কৈছে ঃ



> *মাকৰ মগজে চুকি নোপোৱা বহুত কথাই সি ধুনীয়াকৈ বুজি পালেও মাকে বুজি পোৱা কিছু কথা সি বুজি নাপায়। মাকে পিছফালে খোপাটো চকুৰে নেদেখাকৈ কেনেকৈ ইমান ধুনীয়াকৈ বান্ধিব পাৰে। অমিতা আৰু স্নোৱাচৰ আঙ্গা বান্ধিলে সি কোনখন কিহৰ ধৰিব নোৱাৰে। সৰু ল'ৰা তেনেই সৰু ল'ৰা। এতিয়াও গাটো বেয়া লাগিলে সি মাকৰ লগত শোৱে, দুপৰীয়া মাকৰ লগত শুই ভাল পায়, ঠিক সিমানেই। সি তাৰ পিছত দুৰলৈ যায়গৈ। তাৰ বৃত্তটোৰ ভিতৰলৈ যায়গৈ। দুৱাৰখন কটকটীয়াকৈ বন্ধ কৰি দিয়ে। দুপৰীয়া মাকৰ বুকুত সোমাই শুই থকা ল'ৰাটো, গায়ে-গাৱিয়ে মাকতকৈ ডাঙৰ হোৱা ল'ৰাটো মাকে বুকুত ভৰাই ল'বলৈ চেষ্টা কৰে, নোৱাৰে। আগতে সি মাকৰ বুকুৰ মাজতে মেকুৰী পোৱালিটো সোমাই থকা দি সোমাই থাকিব পাৰিছিল, আজিকালি নোৱাৰে।*" পৃঃ ১৬

এনে আলোচনাৰ জৰিয়তে দেখা যায় পুৰবী বৰমুদৈৰ গল্পৰ বিষয় বহুমাত্ৰিক।

**পুৰবী বৰমুদৈৰ 'ৰাজনীতি নুবুজা মানুহ' ঃ**

পুৰবী বৰমুদৈৰ গল্পবোৰৰ ভিতৰত এটি লেখৰ গল্প হিচাপে 'ৰাজনীতি নুবুজা মানুহ' গল্পটোৰ এক সুকীয়া আবেদন আছে। মূলত জনগোষ্ঠীয় আত্ম প্ৰতিষ্ঠান সংগ্ৰামৰ ভাতৃঘাতী সংঘৰ্ষৰ ভয়াৱহতাই সাধাৰণ মানুহৰ জীৱনক কেনেদৰে পংগু কৰি পেলাইছিল তাৰ মৰ্মস্পৰ্শী, বেদনাদায়ক ৰূপায়ণ 'ৰাজনীতি নুবুজা মানুহ'। বহুকাল ধৰি একেলগে সহাৱস্থান কৰা দুই জনগোষ্ঠীৰ মানুহবোৰে পৰস্পৰ সহযোগিতা, আত্মীয়তাৰে বান্ধ খাই আছিল। নাছিল কোনো ভেদ-ভাৱ, ঈৰ্ষা-অসূয়া। পৰস্পৰৰ সুখ-দুখ, আনন্দ-বিষাদ, ঘৰুৱা ইটো-সিটো কামত পৰস্পৰ আছিল সহায়ক। গল্পটোৰ কেন্দ্ৰীয় চৰিত্ৰ মালতীৰ চেতনাৰ মাজেৰে তাৰ প্ৰকাশ পোৱা যায়—

> *প্ৰত্যেক মানুহৰে চিনাকি — অচিনাকি মানুহ খুব কম। হলিৰ ককায়েকে মালতীক কম ধুনীয়াকৈ তাঁতশালখন পাতি দিছিলনে? অনিৰাম বোলে তাইৰ শহুৰেকৰ ফালৰ কিবা এটা মিতিৰ? আহিলে চাহ-জলপান নোখোৱাকৈ নেযায়। আৰু ৰেণুৰ গিৰীয়েকটো।*

*বিয়া হোৱাৰ দুমাহমানহে হৈছিল। সেইখন বিয়াত মালতীৰ গোটেই ঘৰখনে লাগি-ভাগি দিছিলনে? বীৰেন নাৰ্জাৰীৰ ভনীয়েক ৰেণুমাইৰ লগত দুপৰীয়াৰ দুপৰীয়া কমবোৰ টেঙা আম কুটি নিমখ-জলকীয়া দি খালেনে? তাইৰ গিৰীয়েকটো বৰ ভাল ল'ৰা আছিল দেহিছু আহিলে নবৌ বুলি তাইৰ হাতৰ পৰা তামোল এখন খাবই।* পৃঃ।

এই সবল মতীয়া মানুহবোৰ এক ৰাজনৈতিক পাকচক্ৰত সোমাই পৰিব্ৰ পৰম্পৰে পৰম্পৰৰ বিৰুদ্ধে বক্তস্নান কৰিছে। সাতামপুৰুষীয়া স্নেহ, মমতা, ভাতৃত্ববোধ তেজৰ নৈত উটি গৈছে, ঘৰবোৰো জুইত জাহ গৈছে। কিন্তু এই সবলমনা মানুহবোৰ কিয় এনেদৰে পৰস্পৰৰ প্ৰতি বক্ত লোলুপ হৈ উঠিছে তাক এই সবলমনা মানুহবোৰৰে প্ৰতিনিধি মালতীয়ে বুজি নাপায় ঃ

*"কেলেই এনেকুৱা কটাকটি-মৰামৰি, শক্ৰ হ'ল মানুহবোৰ? দদাই, খুৰী, আই, ককাই দেউতা, আইতা বুলি মতা দুয়ো পক্ষৰ মানুহলৈ বুলি হাতত অস্ত্ৰ দাণ্ডি ল'ব পাৰিলে কেনেকৈ? তেজেৰে ৰঙা হোৱা হাত মচোতে মানুহ বিলাকৰ নগ'ননে বাৰু বুকু ভাগি?"* পৃঃ ১১১

এই পাৰম্পৰিক হিংসাৰ কাৰণ কি তাক সঠিককৈ বুজিব নোৱাৰিলেও কিবা এক ৰাজনৈতিক কাৰণতে যে সেয়া সংঘটিত হৈছিল তাক তেওঁলোকে জানিছে। কিন্তু কি সেই ৰাজনীতি; মালতী, ভদ্ৰেশ্বৰ, বীৰেন নাৰ্জাৰীহঁতে তাক ভালদৰে বুজি নাপায়। উচ্চ পৰ্যায়ৰ নেতা-পালিনেতা বা আন্দোলনকাৰীসকলৰ ৰাজনৈতিক উদ্দেশ্য আৰু তাৰ মেৰপেছ সমাজৰ নিম্নস্তৰৰ এই খাটি খোৱা মানুহবোৰে তাক নুবুজে। মালতীৰ চেতনাত এনে বিভিন্ন কিয়বোৰেই খুন্দিয়াই আছে ঃ

*মই এজনী সাধাৰণ মানুহ। দোষে গুণে ভৰা মই এজনী ক্ষুদ্ৰাতিক্ষুদ্ৰ গাঁৱলীয়া তিৰোতা, পৃথিৱীয়ে জনা বহুত কথাই মই নেজানো, মোক কোনেও একো নকয়, আৰু সুধিমেইবা কাক? তথাপি মোক যদি কোনোবাই বুজাই দিলেহেঁতেন, কেলেই এনে হ'ল, কেলেই মই মোৰ যথা-সৰ্বস্ব দি দিবলগা হ'ল? একো গমেই নাপালো, তেন্তে কি লাভ হ'ল। মোৰ সৰ্বস্বান্ত হোৱাৰ মোৰ যথাসৰ্বস্ব আগবঢ়াই দিয়াৰ?* (পৃঃ ১০৯)

মালতীহঁতে নুবুজিলেও এয়া যে সুবিধাবাদী ৰাজনীতিৰ ফল তাক নক'লেও হ'ব।



গল্পটোৰ পটভূমি হিচাপে আছে অবিভক্ত শোণিতপুৰ জিলাৰ গহপুৰ অঞ্চল। গল্পটোত উল্লেখিত বিভিন্ন চৰিত্ৰৰ নামবোৰ যেনে ঃ বীৰেন নাৰ্জাৰী, বসুমতাৰীৰ জৰিয়তে স্পষ্টভাৱে বুজা যায় গল্পটোত যি ভাতৃঘাতী সংঘৰ্ষৰ ভয়াবহতা ৰূপায়িত হৈছে, সেয়া নিশ্চিতভাৱে কুৰি শতিকাৰ আশীৰ দশকৰ অসমত সংঘটিত বড়ো-অবড়োৰে ভাতৃঘাতী সংঘাত। ইতিহাসৰ পাত লুটিয়াই চালে দেখা যাব যে ১৯৮৯ চনৰ ৯-১২ আগষ্টৰ ভিতৰত শোণিতপুৰ জিলাৰ গহপুৰ আৰু লক্ষীমপুৰ জিলাৰ শিমলুগুৰি আৰু লেটেকেজান অঞ্চলত বড়ো আৰু অবড়োৰ মাজত সংঘটিত ব্যাপক সংঘাত আৰু হিংসাত্মক ঘটনাত কমেও কুৰিজন লোক নিহত আৰু চল্লিশজন লোক আহত হৈছিল।

ষাঠিৰ দশকৰ পৰা গা কৰি উঠা বড়ো জাতীয়তাবাদে আশীৰ দশকত এক নতুন মাত্ৰা লাভ কৰিছিল। অসম আন্দোলন, অসম চুক্তি আৰু অসম গণ পৰিষদ চৰকাৰেও বড়ো জাতীয়তাবাদক সলনি হ'বলৈ বাধ্য কৰে। বড়োসকলে বুজিবলৈ আৰম্ভ কৰিছিল যে পদে পদে তেওঁলোক বঞ্চিত হৈ আহিছে। জনজাতীয় লোকসকলৰ কাৰণে যি ট্ৰাইবেল বেল্ট বা ব্লকৰ গঠন কৰা হৈছিল সেয়া সঘনে উলংঘা কৰা হৈছিল। অসম গণ পৰিষদ চৰকাৰে SEBA ৰ এক নিৰ্দেশনাৰ যোগেৰে ১৯৮৬ চনত অসমীয়া ভাষাক বাধ্যতামূলক চতুৰ্থ ভাষা কৰাৰ লগে লগে বড়ো আন্দোলনে ক্ৰমশ তীব্ৰ ৰূপ ধাৰণ কৰিছিল আৰু নিজৰ গোষ্ঠীৰ বাবে পৃথক ৰাজ্যৰ দাবীৰে এই আন্দোলন ক্ৰমশ হিংস্ৰ হৈ গৈছিল আৰু বিভিন্ন ঠাইত বড়ো-অবড়োৰ সংঘাতে চৰম ৰূপ লৈছিল।*

এই চৰম ৰূপৰ ভয়াবহ বৰ্ণনা গল্পটিত ৰূপায়িত হৈছে। মালতীৰ মনলৈ বাৰে বাৰে আহিছে সেই ভয়াবহ দিনটোৰ ছবি, যিটো দিনত চিনাকি মানুহবোৰ অচিনাকি হৈ গৈছিল ঃ

*জুই জুই - চাৰিওফালে জুই। জুয়ে দাহ কৰিব জানে, এফালৰ পৰা দাহ কৰি আনিছে। বৰঘৰ, পাকঘৰ, ভঁৰাল ঘৰ, গোসাঁই ঘৰ সকলোতে জুই। চকু মুদিলেই মালতীয়ে জুই দেখে-কালী গোসাঁনীৰ দৰে লক লক জিভা মেলা জুই। দাউ-দাউকৈ জ্বলা জুই। আৰু দেখে কিছুমান মুখ, ডকাইতৰ দৰে কঠিন, নিষ্ঠুৰ, দয়া-মমতাহীন জল্লাদৰ দৰে মুখবোৰ জুইৰ পোহৰত ৰঙা পৰি আছিল। জুইৰ পোহৰত সিহঁতৰ হাতত থকা দীঘল দাবোৰে চিকমিকাইছিল—যাঠি আৰু কাঁড়ৰ আগবোৰত তিৰবিৰণি উঠিছিল। সেইবোৰ যেন তেজ আৰু হিংসাৰ পিয়াহত*

*ব্যাকুল।*[৮] (পৃঃ ১০৮-০৯)

কিন্তু এই সংঘৰ্ষই কি দিলে। মানুহখিনিয়ে মাথোঁ নিজৰ সৰ্বস্ব হেৰুৱালে আৰু সৰ্বস্বান্ত হৈ ডেৰ মাহ কাল শিবিৰত কটাই পুনৰ নিজ নিজ ঠাইলৈ ঘূৰি আহিছে আৰু যিসকলৰ লগত সংঘৰ্ষ হৈছিল সেইসকলৰ সহযোগতে সমিল মিলেৰে জীৱন যাত্ৰা আগুৱাই নিবলৈ যত্নবান হৈছে। দুয়োপক্ষই আপোনজনক হেৰুৱাইছিল তথাপি সেই ঘা নখজুৱাই পৰস্পৰ সহযোগিতাৰে পৰস্পৰে পৰস্পৰৰ ওচৰ চাপি গৈছিল। মালতী আৰু শাহুৱেকে ডেৰ মাহ পিছত ঘৰ গৈ ওলোৱাৰ পিছৰ সময়খিনিৰ ছবি গল্পকাৰে বৰ আন্তৰিকতা আৰু সহমৰ্মিতাৰে আঁকিছে ঃ

*ঠিক তেতিয়াই মালতীয়ে দেখিলে বাৰী-চুকৰ দুয়ো ঘৰ সংলগ্ন কৰা বাটটোৰে সোমাই আহিছে বীকেন নাৰ্জৰীৰ মাক।*

*"অহত আহিলি।" মানুহজনীয়ে সুধিলে।*

*"এৰা বীকেনৰ মাক। "শাহুৱেকে উত্তৰ দিলে।*

*"তই ধান-খিন লাগগৈ যা। ঘৰটোৰ ভিতৰত মইচাফা কৰাই থৈছো। বেৰবোৰ লাগি-ভাগি মচি দিম। তুমিও বহি থাকিব নালাগে। ভিতৰলৈ যোৱাগৈ।"*

*কথাত কোনো অসূয়া নাই; দৃষ্টিত কোনো জুই নাই।*[১০] (পৃঃ ১০)

ইয়াতেই নিহিত আছে গল্পকাৰৰ মূল বক্তব্য। বিভেদকামী শক্তিয়ে যিমানেই চেষ্টা নকৰক লাগিলে, সাময়িক উত্তেজনাই কিছু দূৰ মানৱীয়তাক পৰাভূত কৰিলেও মানুহৰ অন্তৰত বৈ থকা সাতামপুৰুষীয়া স্নেহৰ এনাজৰীডাল একেবাৰে নিঃশেষ কৰি দিব নোৱাৰে। ইয়াৰ মাজেৰে দেশৰ ৰাজনীতি আৰু ৰাজনৈতিক নেতাসকলক তীব্ৰ ব্যঙ্গ কৰা হৈছে আৰু গল্পটিৰ সামৰণিৰ যোগেদি মানৱতাৰ জয় গান ঘোষিত হৈছে। গল্পৰ সামৰণিটো অত্যন্ত মৰ্মস্পৰ্শী। ঘৰলৈ উভতি আহি মালতীয়ে আৰু এজনী মালতীক প্ৰত্যক্ষ কৰিছে। তায়ো মালতীৰ দৰে সৰ্বস্বান্ত। ভাতৃঘাতী সংঘৰ্ষই তাইৰো সমস্ত আজুৰি নিছে ঃ

*মানুহজনীলৈ চাই থাকোতেই মালতীৰ চকুত পৰিল সিফালে আৰু এজনী মালতী। এইজনীক নিজৰ দৰে একেই সৰ্বস্বান্ত আৰু জুৰুলা যেন বোধ হ'ল মালতীৰ।*

*"আহিলি নবৌ?"*

*"এৰা আহিলো" দুয়োজনী মালতী দুয়োজনীৰ ফালে আগবাঢ়ি আহিল। অৱলীলাক্ৰমে মালতী আৰু আগবাঢ়ি গ'ল, আৰু দেখা গ'ল এজনী ৰাজনীতি নুবুজা মানুহে অইন এজনী ৰাজনীতি নুবুজা মানুহৰ বুকুত নিজৰ ডেৰ মহীয়া কেঁচুৱাটো তুলি দিছে।*[১১] (পৃঃ ১১৩)



**প্ৰসঙ্গ ঃ**


১। ডেকা বুজৰবৰুৱা, পল্লৱী। "পূৰবী বৰমুদৈৰ চুটি গল্প।" অসমীয়া চুটিগল্প ঃ ঐতিহ্য আৰু বিবৰ্তন। অপূৰ্ব বৰা। সম্পা.। ১ম প্ৰকাশ। যোৰহাট ঃ যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয় প্ৰকাশন কোষ। ২০১২, ৪৯৪-৫০০। প্ৰকাশিত।

২। বৰমুদৈ, পূৰবী। "উত্তাপৰ সন্ধান।" পূৰবী বৰমুদৈৰ নিৰ্বাচিত গল্প। ১ম প্ৰকাশ। গুৱাহাটী ঃ বনলতা। ২০০১, ৩৩-৪৪। প্ৰকাশিত।

৩। ...। "সোণালী দিনৰ সন্ধানত।" অৱশেষত বৰষুণ। ১ম প্ৰকাশ। গুৱাহাটী ঃ সাহিত্য প্ৰকাশ, ২০১৬, ৭-১১। প্ৰকাশিত।

৪। ...। "সন্তান।" অৱশেষত বৰষুণ। ১ম প্ৰকাশ। গুৱাহাটী ঃ সাহিত্য প্ৰকাশ, ২০১৬, ১২-১৬। প্ৰকাশিত।

৫। ...। "ৰাজনীতি নুবুজা মানুহ।" পূৰবী বৰমুদৈৰ নিৰ্বাচিত গল্প। ১ম খণ্ড। ১ম প্ৰকাশ। গুৱাহাটী ঃ বনলতা, ২০২১, ১০৭-১১৩। প্ৰকাশিত

৬। উক্ত গ্ৰন্থ।

৭। উক্ত গ্ৰন্থ।

৮। তালুকদাৰ মৃণাল আৰু কিশোৰ কুমাৰ কলিতা। "বড়ো আন্দোলন।" অসম-৫ (১৯৮১-৯০)। ১ম প্ৰকাশ। গুৱাহাটী ঃ নন্দ তালুকদাৰ ফাউণ্ডেচন, ২০১৪, ২৩৫-৫৪। প্ৰকাশিত।

৯। ...। "ৰাজনীতি নুবুজা মানুহ।" পূৰবী বৰমুদৈ। পূৰবী বৰমুদৈৰ নিৰ্বাচিত গল্প ঃ ১ম খণ্ড। ১ম প্ৰকাশ গুৱাহাটী ঃ বনলতা, ২০০২, ১০৭-১১৩। প্ৰকাশিত।

১০। উক্ত গ্ৰন্থ।

১১। উক্ত গ্ৰন্থ।

**গ্ৰন্থপঞ্জী ঃ**

**মুখ্য সমল ঃ**

১। বৰমুদৈ, পূৰবী। পূৰবী বৰমুদৈৰ নিৰ্বাচিত গল্প ঃ ১। গুৱাহাটী ঃ বনলতা, ২০০২।

২। ——। পূৰবী বৰমুদৈৰ নিৰ্বাচিত গল্প ঃ ২। গুৱাহাটী ঃ বনলতা, ২০০৮।

৩। ——। অৱশেষত বৰষুণ। গুৱাহাটী ঃ সাহিত্য প্ৰকাশ, ২০১৬।

**গৌণ সমল ঃ**

১। ওজা, দিগন্ত। অসমীয়া সমাজ জীৱনৰ বিৱৰ্ত্তন। গুৱাহাটী ঃ ভৱানী বুকছ, ২০১৪।

২। তালুকদাৰ, মৃণাল আৰু কিশোৰ কুমাৰ কলিতা। অসম-৩ (১৯৬১-১৯৭০)। গুৱাহাটী ঃ নন্দ তালুকদাৰ ফাউণ্ডেচন, ২০১৪।

৩।...।অসম-৫ (১৯৮১-৯০)। গুৱাহাটী ঃ নন্দ তালুকদাৰ ফাউণ্ডেচন, ২০১৪।

৪।নাথ, ভনিতা।ভাষা-সাহিত্য-সংস্কৃতিৰ অনুশীলন। গুৱাহাটী ঃ জাগৰণ সাহিত্য প্ৰকাশ, ২০২১।

৫। বৰা, অপূৰ্ব। সম্পা.। অসমীয়া চুটিগল্প ঃ ঐতিহ্য আৰু বিৱৰ্ত্তন। যোৰহাট ঃ যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয় কোষ, ২০১২।

৬। মহন্ত, প্ৰফুল্ল। জনগোষ্ঠীৰ চেতনা ঃ আত্মপ্ৰতিষ্ঠাৰ প্ৰশ্ন। গুৱাহাটী ঃ ভৱানী বুকছ, ২০১৪।

● ● ●

*An Anthology of Research Writings on Women and Gender*

SHESCAPE

# SHESCAPE

## নাৰীকথা

নাৰীকথা

Editors

Dr. Jushna Barua

Dr. Sanjukta Baruah

# SHESCAPE নাৰীকথা

*An Anthology of Research Writings on Women and Gender -*

*Edited by Dr. Jushna Barua and Dr. Sanjukta Baruah, Published by Women's Cell, S.B.Deorah College, Ulubari, Guwahati - 781007*

*Price : 599*

First Publication : December, 2023

Published by : Women's Cell, S.B.Deorah College
Ulubari, Guwahati-781007, Kamrup (M)

ISBN : 978-81-929759-8-6

© S.B.Deorah College, Ulubari, Guwahati

Editorial Board : *Advisor*
Dr. Dharmendra Nath
*Editors*
Dr. Jushna Barua
Dr. Sanjukta Baruah

Cover Design : Koushik Kishalay

Printed at : Arindam Offset & Imaging Systems
*Rajgarh, Guwahati - 3*

The views, ideas, findings and opinions expressed in the research articles are those of the authors and do not necessary reflect those of the publishers or the editorial board. All rights are reserved by S.B.Deorah College.

# জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'লভিতা' ঃ নাৰীবাদী আদৰ্শৰ এক অন্যতম প্ৰতিভূ

ড° প্ৰতুল ডেকা

আধুনিক অসমীয়া নাট্য সাহিত্যক নিজস্ব সৃষ্টিৰাজিৰে জীপাল কৰি তোলা মহান নাট্যকাৰসকলৰ ভিতৰত অন্যতম এগৰাকী হৈছে জ্যোতিপ্ৰসাদ আগৰৱালা (১৯০৩-১৯৫১)। তেখেতৰ দ্বাৰা সৃষ্ট সাহিত্যৰাজিৰ জৰিয়তে আধুনিক অসমীয়া জাতীয় জীৱনৰ সকলো দিশেই গতিধৰ্মী হৈ প্ৰবাহিত হৈ আছে। অসমীয়া সাহিত্যৰ বুৰঞ্জীত শ্ৰীমন্ত শংকৰদেৱে নাট্য ৰচনাৰ ধাৰা সৃষ্টি কৰাৰ পৰৱৰ্তী পৰ্যায়ত 'অৰুণোদই' আৰু 'জোনাকী' আলোচনীৰ যোগেদি অসমীয়া নাট্য সাহিত্যই নতুন আংগিক আৰু ভাববস্তুৰে বিশ্বজনীনতা লাভ কৰিবলৈ সক্ষম হৈছে। আধুনিক অসমৰ অবিসম্বাদী শিল্পী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটসমূহে অসমীয়া নাট্য সাহিত্যলৈ এক নতুনত্বৰ ধাৰা বোঁৱাই আনিছিল। প্ৰকৃতাৰ্থত তেখেতৰ হাতত অসমীয়া নাট্য সাহিত্যই ন ৰূপত ঠন ধৰি উঠিছিল। গণশিল্পী হেমাংগ বিশ্বাসৰ ভাষাত -

> "পুৰণি আৰু নতুনৰ সংগ্ৰামত নতুনক প্ৰথম আদৰি লোৱাৰ যি সংঘাত, তাৰেই মূৰ্ত প্ৰতীক আছিল ৰূপকোঁৱৰ।" (ভট্টাচাৰ্য, বসন্ত কুমাৰ ঃ অসমীয়া নাটকৰ সমীক্ষা, পৃঃ ৫৯)

পৌৰাণিক, কাল্পনিক আৰু সামাজিক বিষয়ৰ নাট ৰচনাৰ সমান্তৰালভাৱে পাশ্চাত্য নাট্যধাৰাৰ আৰ্হিতো তেখেতে নাট ৰচনা কৰে। হেনৰিক ইবছেন, জৰ্জ বাৰ্নাৰ্ড শ্ব', গলছৱৰ্থি আদি নাট্যকাৰসকলৰ বাস্তৱবাদী চিন্তা-চেতনাৰে প্ৰভাৱান্বিত হৈ লিখা নাটসমূহ তেখেতৰ সৃজনশীলতাৰ এক অনন্য নিদৰ্শন বুলি ক'ব পাৰি।

**জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটকৰ বিশেষত্ব ঃ**

জ্যোতিপ্ৰসাদ আগৰৱালাৰ দ্বাৰা ৰচিত নাটসমূহৰ কাব্যগুণ আৰু নাটকীয় গুণসমূহৰ প্ৰতি লক্ষ্য ৰাখি এইবোৰক কাব্যধৰ্মী আৰু নাট্যধৰ্মী এই দুই শ্ৰেণীত

ভগাব পাৰি। কাব্যধৰ্মী নাট হিচাপে 'নিমাতী কইনা' আৰু 'সোণপখিলী' নাট দুখনৰ কথা ক'ব পাৰি। অৱশ্যে 'কনকলতা' আৰু 'সুন্দৰ কোঁৱৰ' নামৰ অসম্পূৰ্ণ নাটক দুখন নাট্যধৰ্মী গুণেৰে পৰিৱেষ্টিত হ'লেও অসম্পূৰ্ণতাৰ বাবে শ্ৰেণীভুক্ত কৰা হোৱা নাই।

জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচনাৰাজিত এক স্পষ্ট আৰু স্বচ্ছ জীৱন আৰু জগত সম্পৰ্কীয় মৌলিক দৃষ্টিভংগীৰ প্ৰকাশ দেখিবলৈ পোৱা যায়। শিল্পকলাৰ প্ৰতি থকা গভীৰ শ্ৰদ্ধা হেতু তেখেতে নিজৰ ৰচনাৰাজিতো শিল্পকলাৰ প্ৰতি অত্যন্ত সচেতনতা দেখুৱাইছিল। তেখেতে ৰচনা কৰা নাটসমূহত ফুটি উঠা বিশেষত্ব কিছুমান হৈছে -

(ক) জীৱন আৰু জগত সম্পৰ্কে মৌলিক চিন্তা আৰু দৃষ্টিভংগীৰ প্ৰকাশ জ্যোতিপ্ৰসাদৰ ৰচনাৰাজিৰ এক অন্যতম বিশেষত্ব। তেখেতে নাটসমূহত মৌলিক চিন্তাৰ পয়োভৰ ঘটাই উত্তম শ্ৰেণীৰ শিল্পকৰ্মৰ ৰূপ দিবলৈ পৰ্যাপ্ত অনুশীলন আৰু সশ্ৰদ্ধ মনোযোগ দিয়া দেখা যায়।

(খ) মৌলিকতা আৰু শিল্পভাৱনা জ্যোতিপ্ৰসাদৰ নাটসমূহৰ অন্যতম বিশেষত্ব। বিষয়বস্তু নিৰ্বাচন, উপস্থাপন, ভাষা, পৰিকল্পনা, সংগীত, মঞ্চ নিৰ্দেশনা ইত্যাদি সকলো ক্ষেত্ৰতে দেখুওৱা নতুনত্ব আৰু আদৰ্শৰ মাজেদি তেখেতৰ অবিসম্বাদী নাট্য প্ৰতিভাৰ উমান পাব পাৰি। জ্যোতিপ্ৰসাদ আগৰৱালাই তেওঁৰ কোনো এখন নাটকতে পূৰ্বৱৰ্তী নাটকক কোনো প্ৰকাৰে অনুকৰণ কৰা দেখা নাযায়। প্ৰতিখন নাটকতে বিভিন্ন সম্পৰীক্ষাৰ মাজেদি গঢ় দিয়া তেখেতৰ নিজস্ব চিন্তাৰ স্পষ্ট প্ৰতিফলন দেখা যায়। সমালোচক হীৰেন গোহাঁইৰ ভাষাত-

"তেওঁৰ নাটকবোৰো জাগৰণৰ নাটক, চেতনাৰ উত্তৰণৰ নাটক। 'শোণিত কুঁৱৰী'ত চিত্ৰলেখাৰ দৌত্যত ঊষা-অনিৰুদ্ধৰ প্ৰেমৰ মাজেৰে আসুৰিক প্ৰবৃত্তি জয় কৰা সৌন্দৰ্যৰ বিকাশ হৈছে, 'কাৰেঙৰ লিগিৰী'ত অন্ধ সামাজিক-আত্মাভিমানৰ পৰা শেৱালিৰ আত্মত্যাগৰ প্ৰভাৱত মুক্ত হৈ সুন্দৰ কোঁৱৰে প্ৰেমৰ মহিমাময় উপলব্ধি কৰিছে, 'ৰূপালীম'ত মণিমুগ্ধ কামনাৰ মদমত্ত অৱস্থাৰ পৰা প্ৰেমৰ নিঃস্বাৰ্থ সৌন্দৰ্যৰ স্তৰলৈ উত্তীৰ্ণ হৈছে, 'নিমাতী কইনা'ত সংসাৰে কেৱল নিমাতীৰ কণ্ঠত মাত ফুটাই শুনা নাই, অৱহেলিত শিল্পীৰ প্ৰকৃত পৰিচয় পাই অভিভূত হৈছে আৰু 'লভিতা' এজনী সাধাৰণ অসমীয়া গাভৰুৰে গতানুগতিক জীৱনৰ পৰা খুন্দা খাই উফৰি আহি আত্ম-আৱিষ্কাৰ আৰু আত্মপ্ৰত্যয়ৰ আধুনিক অভিজ্ঞতা অৰ্জন কৰিছে। (গোহাঁই, হীৰেন (সম্পা): জ্যোতিপ্ৰসাদ ৰচনাৱলী, পৃঃ ৪০।)"



(গ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'লভিতা' নাটকখনৰ বাহিৰে বাকীকেইখন নাটকৰ বিষয়বস্তু হৈছে পৌৰাণিক অথবা কাল্পনিক। তেওঁ পৌৰাণিক কাহিনী এটাক আধাৰ হিচাপে লৈ কাহিনীটো ন ৰূপেৰে নিৰ্মাণ কৰি সমকালীন সমাজ বাস্তৱতাক প্ৰাধান্য দি নাটসমূহ ৰচনা কৰিছে। 'শোণিত কুঁৱৰী' নাটখনৰ বিষয়বস্তু তেজপুৰকেন্দ্ৰিক এটা বহুল প্ৰচলিত পৌৰাণিক আখ্যানৰ আধাৰত গঢ় দিয়া হৈছে যদিও নাটকখনত হৰি-হৰৰ যুদ্ধ অথবা ধৰ্মীয় মতাদৰ্শগত বিষয়তকৈ ঊষা-অনিৰুদ্ধৰ প্ৰণয় কাহিনীটোৱেহে গুৰুত্ব পাইছে। সেইদৰে 'কাৰেঙৰ লিগিৰী', 'ৰূপালীম', 'নিমাতী কইনা', 'সুন্দৰ কোঁৱৰ' আদি নাটকত কাল্পনিক কাহিনীৰ যোগেদি চৰিত্ৰসমূহৰ আদৰ্শগত দ্বন্দ্ব, বৈপৰীত্য আৰু চৰিত্ৰৰ বিচিত্ৰতা দেখুওৱা হৈছে। অৱশ্যে 'লভিতা' নাটকখনত সমসাময়িক ঘটনাৱলীৰ পোনপটীয়া প্ৰতিফলন ঘটা বাবে ইয়াক বাস্তৱবাদী শৈলীৰ নাটক বুলি ক'ব পাৰি।

(ঘ) সমন্বয়াত্মক আদৰ্শৰ ৰূপায়ণ জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটকৰ অন্য এটি বিশেষত্ব। কাহিনী, চৰিত্ৰ, সংলাপ, পৰিৱেশ সৃষ্টি, নৃত্য-গীত আদিৰ প্ৰয়োগৰ ক্ষেত্ৰত তেখেতে পৌৰাণিক, আধুনিক, প্ৰাচ্য-পাশ্চাত্য, লৌকিক-বৈজ্ঞানিক ইত্যাদি সকলো দিশৰে সমন্বয় সাধন কৰা দেখা যায়।

(ঙ) নাটকীয় দ্বন্দ্ব বা সংঘাত জ্যোতিপ্ৰসাদৰ নাটকতো দেখা যায়। তেখেতৰ নাটকত ৰূপায়িত সংঘাত হৈছে মূলতঃ আদৰ্শ আৰু বাস্তৱৰ সংঘাত, দুষ্কৃতি আৰু সংস্কৃতিৰ সংঘাত। 'কাৰেঙৰ লিগিৰী' নাটকত নাট্যকাৰে সুন্দৰ কোঁৱৰৰ চৰিত্ৰটোৰে দেখুওৱা সংঘাত মূলতঃ ব্যক্তিচেতনাৰ লগত সামাজিক পৰম্পৰাবোধৰ সংঘাত। এই সংঘাত যেন নাট্যকাৰৰ নিজৰেই আদৰ্শ আৰু বাস্তৱৰ সংঘাত।

(চ) নাৰী চৰিত্ৰৰ প্ৰাধান্য জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটসমূহৰ এক অন্যতম বিশেষত্ব। 'শোণিত কুঁৱৰী', 'লভিতা', 'ৰূপালীম', 'কাৰেঙৰ লিগিৰী', 'নিমাতী কইনা' আদি নাটকবোৰ নাৰী চৰিত্ৰৰ নামেৰে নামকৰণ কৰা হৈছে। সংস্কৃতিৰ সংৰক্ষণ, সংবৰ্ধন আৰু ৰূপান্তৰত নাৰীৰ প্ৰধান ভূমিকা থাকে বাবে জ্যোতিপ্ৰসাদে নাৰী চৰিত্ৰসমূহ বেছি উপযোগী বুলি বিবেচনা কৰিছিল। নাটকীয় কথাবস্তু আৰু তাৰ অন্তৰ্নিহিত ভাববস্তু প্ৰকাশত প্ৰতিগৰাকী নাৰীচৰিত্ৰই মুখ্য ভূমিকা পালন কৰা দেখা যায়। জ্যোতিপ্ৰসাদ আগৰৱালাই প্ৰতিখন নাটকতে নাৰীৰ এটা বিশেষ ৰূপ, যি পুৰুষ বা নায়কৰ এটা বিশেষ ৰূপৰ লগতো সংযুক্ত হ'ব পাৰে, তেনে নাৰী চৰিত্ৰহে অংকন কৰিছে।

(ছ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটকত পাশ্চাত্য চিন্তাধাৰাৰ প্ৰতিফলন দেখা যায়। তেখেতৰ নাটকৰ মাজেদিয়েই পাশ্চাত্য নাট্যচিন্তাৰ অভিযোজন অসমীয়া নাটকত দেখিবলৈ পোৱা যায়। অৱশ্যে প্ৰতিখন নাটকতে মৌলিক নাট্য চিন্তাক পাশ্চাত্য নাট্যধাৰাৰ সংশ্লেষণে সমৃদ্ধ কৰিছে যদিও কেৱল পাশ্চাত্য নাট্য চিন্তাৰে তেখেতে নিজৰ নাটকৰ ৰূপায়ণ কৰা দেখা নাযায়।

**'লভিতা' নাটকৰ পটভূমি ঃ**

১৯৩৯-৪৫ চনত গোটেই বিশ্বজুৰি হোৱা দ্বিতীয় বিশ্বযুদ্ধ আৰু সমান্তৰালভাৱে ভাৰতবৰ্ষত বৃটিছ শাসনৰ বিৰুদ্ধে চলি থকা ১৯৪২ চনৰ গণবিপ্লৱৰ আধাৰত 'লভিতা' নাটকৰ পটভূমি নিৰ্মিত হৈছে। প্ৰথম বিশ্বযুদ্ধ সমাপ্ত হোৱাৰ পাছত শান্তি স্থাপনৰ বাবে বিজয়ী আৰু বিজিত দেশসকলৰ মাজত ভাৰ্চাই চুক্তি হৈছিল যদিও ইয়ে জাৰ্মানীসকলক অত্যন্ত অসন্তুষ্ট কৰি তুলিছিল। ফলস্বৰূপে গোটেই বিশ্বতে দ্বিতীয় বিশ্বযুদ্ধৰ সূচনা হৈছিল। যুদ্ধই গোটেই বিশ্বক ত্ৰাসিত কৰাৰ লগতে ইংৰাজৰ অধীনত থকা ভাৰতবৰ্ষকো প্ৰভাৱিত কৰিছিল। জাপানী সৈন্যৰ বোমাবৰ্ষণে সমগ্ৰ দেশতে অৰাজকতা সৃষ্টি কৰিছিল। তদুপৰি ১৯৪২ চনৰ ব্ৰিটিছ বিৰোধী আন্দোলনেও সমগ্ৰ দেশৰ অৱস্থা জুৰুলা কৰি পেলাইছিল। তেনে এক পটভূমিত ৰচিত 'লভিতা' নাটক সম্পৰ্কে জ্যোতিপ্ৰসাদ আগৰৱালাই পাতনিত উল্লেখ কৰিছে এনেদৰে-



"এই নাটকত অসমৰ জনসাধাৰণৰ ওপৰত বিয়াল্লিশ চনৰ বিপ্লৱ আৰু অসমৰ ওপৰেদি যোৱা দ্বিতীয় মহাসমৰৰ ঢৌৱে কেনেদৰে প্ৰতিক্ৰিয়া কৰিছিল তাকেই বাস্তৱিক চিত্ৰ আঁকি দেখুওৱা হৈছে। এই নাটক কোনো ৰাজনৈতিক মতবাদ সমৰ্থন কৰি লেখা হোৱা নাই। যি যি ৰাজনৈতিক দলৰ কাৰ্যত যোগ দি অসমীয়াই নিজৰ চৰিত্ৰ প্ৰকাশ কৰিছে, সেই সেই ৰাজনৈতিক দলৰ কাৰ্যৰ ঘটনাৱলীৰ ইয়াত সমাৱেশ হৈছে।" (উল্লিখিত গ্ৰন্থ, পৃঃ ৬৮)

নাটকখনৰ আৰম্ভণিতে গোলাঘাটৰ লহৰজান এয়াৰড্ৰমৰ ওচৰৰ ফুলগুৰি গাঁৱৰ যি বৰ্ণনা আছে, সেয়া মূলতঃ নাট্যকাৰৰ বাস্তৱ অভিজ্ঞতাৰ পটভূমিত ৰচিত। নাট্যকাৰৰ ভাষাত-

" 'লভিতা' চৰিত্ৰৰ প্ৰথম ছোৱাৰ বাবে সমল গোটোৱা হৈছে ১৯৪১ চনৰ শেহত তেজপুৰৰ 'শালনি এয়াৰ ফিল্ড'ত হোৱা ঘটনা এটাৰ পৰা। তাত 'শালনি এয়াৰড্ৰম'ৰ লগালগি অসমীয়া গাঁও এখন তুলি দিয়াৰ সময়ত মিলিটেৰীৰ সহায়েৰে মানুহবোৰক তুলি দিয়া হৈছিল।" (উল্লিখিত গ্ৰন্থ, পৃঃ ১৬৯)

দ্বিতীয় বিশ্বযুদ্ধৰ বিভীষিকাই গাঁওসমূহলৈ অশনি সংকেত নমাই আনিছিল। নিজৰ সাতামপুৰুষীয়া ভেটি এৰি গাঁৱৰ লোকসকলে আন ঠাইত পৈতৃক সম্পত্তি এৰি যাবলৈ অমান্তি হ'লেও বন্দুক-বাৰুদৰ ভয় দেখুৱাই তেওঁলোকক খেদি পঠিয়াইছিল। জাপানী সৈন্যৰ বোমা-বৰ্ষণত নিৰীহ লোকে প্ৰাণ দিবলগীয়া হৈছিল। 'লভিতা' নাটকত লভিতাৰ দেউতাকৰো মৃত্যু জাপানী সৈন্যসকলৰ বোমা-বৰ্ষণত সংঘটিত হৈছিল। এনে ভয়াৱহ পৰিস্থিতিত প্ৰশাসনৰ কোনো লোকৰ খবৰ ল'বলৈ আহৰি নাছিল। দ্বিতীয় বিশ্বযুদ্ধৰ এনে ভয়াৱহ পৰিস্থিতিবোৰ নাট্যকাৰে সুন্দৰ ৰূপত অংকন কৰিবলৈ সক্ষম হৈছে।

দ্বিতীয় বিশ্বযুদ্ধৰ এই সময়ছোৱাত বহু গাঁৱলীয়া অসমীয়া ছোৱালীয়ে নিগ্ৰো আৰু আন মিলিটেৰীৰ হাতত ধৰ্ষিতা হৈছিল। ইহঁতে সমাজত ঠাই নাপাই অ'লৈ ত'লৈ গৈ যুদ্ধৰ কামত ভৰ্তি হৈছিল। তদুপৰি যুদ্ধৰ সময়ত নাৰ্চৰ ভূমিকা পালন কৰাৰ উপৰি কেতিয়াবা যুদ্ধৰ আন কামৰ বাবে দেশ এৰি বিদেশলৈও যাবলগীয়া হৈছিল।

বিয়াল্লিছৰ গণ আন্দোলনৰ সময়ত এচাম অসমীয়াই বৃটিছৰ পক্ষ লৈ অসমীয়া লোকৰ ওপৰত অমানুষিক অত্যাচাৰ চলাইছিল। 'লভিতা' নাটকত অংকন কৰা গাঁওবুঢ়া, মৌজাদাৰৰ চৰিত্ৰকেইটাই বৃটিছৰ লগত লগ লাগি অসমীয়া মানুহৰ ওপৰত নানা অত্যাচাৰ আৰু শোষণ চলোৱাৰ বৰ্ণনা পোৱা যায়। মৌজাদাৰে গাঁৱৰ মানুহৰ পৰা খাজনা লোৱা, গাঁওবুঢ়াৰ গান্ধীবিৰোধী মনোভাব আৰু বৃটিছৰ প্ৰতি উদাৰতা প্ৰকাশ কৰি নাট্যকাৰে সমসাময়িক সমাজৰ এনে চৰিত্ৰসমূহক উদঙাই দেখুৱাইছিল।

**'লভিতা' নাটকৰ কাহিনী ঃ**

'লভিতা' জ্যোতিপ্ৰসাদ আগৰৱালাৰ দ্বাৰা ৰচিত বাস্তৱবাদী ধ্যান-ধাৰণা আৰু দৃষ্টিভংগীৰে পুষ্ট এখন মৌলিক নাটক। নাটকখনৰ পাতনিত নাট্যকাৰে কৈছে-

> "লভিতা যদিও নাটকাকাৰে ৰঙ্গমঞ্চৰ কাৰণেই লিখা হৈছে, তথাপি ই গতানুগতিক নাটকৰ শাৰীত নপৰে। ইয়াত সচৰাচৰ যেনেকৈ নাটকত আখ্যান, প্লট, চৰিত্ৰাংকন থাকে, ঠিক সেইদৰে সেইবোৰ ইয়াত দিয়া হোৱা নাই। আখ্যান আছে যদিও তাক মাত্ৰ নাটকীয় ঘটনাৱলী গাঁথিবলৈ সূত্ৰৰ দৰেহে লোৱা হৈছে। প্লট ইয়াত দেখুৱাব খোজা নাই। নায়ক-নায়িকা হিচাপে ইয়াত চৰিত্ৰ নাই। ইয়াৰ নায়ক গোটেই অসমীয়া ৰাইজেই। (উল্লিখিত গ্ৰন্থ, পৃঃ ১৬৮)

'লভিতা' নাটকখনত এগৰাকী সাধাৰণ অসমীয়া ছোৱালীৰ জীৱনলৈ অহা সংঘাত আৰু তাইৰ নিজস্ব সাহসিকতাৰ বলেৰে আগ বঢ়া এখন ছবি দেখা পোৱা যায়। তদুপৰি বৃটিছ বিৰোধী মনোভাবৰ সুন্দৰ প্ৰতিফলন নাটকখনত দেখিবলৈ পোৱা যায়।

গোলাঘাট জিলাৰ লহৰজান মৌজাৰ ফুলগুৰি গাঁৱৰ খেতিয়ক বাণেশ্বৰ বৰুৱাৰ জীয়েক হৈছে লভিতা। এক সুশোভিত গ্ৰাম্য পৰিৱেশেৰে আৰম্ভ হোৱা 'লভিতা' নাটকখনৰ প্ৰথম অংকত লভিতা আৰু সখীয়েকহঁতে আনন্দ মনেৰে বং-ৰহইছ কৰি থকা সময়তে কংগ্ৰেছ ভলণ্টিয়াৰসকলে সমদল কৰি দেশৰ স্বাধীনতা সংগ্ৰামৰ বাবে সকলোকে সাজু হ'বলৈ আহ্বান জনাইছে। তদুপৰি দ্বিতীয় বিশ্বযুদ্ধৰ ভয়ংকৰ তথা বিধ্বংসী ৰূপে সমগ্ৰ দেশৰ লগতে অসমকো ছানি ধৰিছে।



এফালে মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰত ত্যাগ আন্দোলন আৰু আনফালে দ্বিতীয় বিশ্বযুদ্ধৰ বিভীষিকাই অসমবাসীকো শংকিত কৰি তুলিছে। বৃটিছৰ শোষণৰ বিৰুদ্ধে আৰু স্বৰাজ আন্দোলনৰ বাবে অসমৰ মানুহো আন্দোলনত জঁপিয়াই পৰিছে। পুলিচ-দাৰোগাই স্বৰাজ আন্দোলনত যোগ দিয়া মানুহবোৰক বিভিন্ন পন্থাৰে দমাই ৰাখিব খুজিছে যদিও আন্দোলনকাৰীসকল কোনো কাৰণতে পিছ হুঁহকি যোৱা নাই। আনফালে দ্বিতীয় বিশ্বযুদ্ধৰ বাবে জাপানী সৈন্যই বোমাৰে কৰা আক্ৰমণত লভিতাৰ দেউতাক বাণেশ্বৰ বৰুৱাই থিতাতে মৃত্যুক সাঁকোৱালি লৈছে। কিন্তু যুদ্ধৰ বিভীষিকাময় পৰিস্থিতিৰ বাবে গাঁৱৰ মানুহৰ খবৰ ল'বলৈ সময় নোহোৱা হৈছে। ইফালে চৰকাৰী আজ্ঞা অনুসৰি লহৰজান উৰাজাহাজ ঘাটিৰ ৫ মাইলৰ ভিতৰৰ গাঁওবোৰ খালী কৰি দিবলৈ নিৰ্দেশ আহিছে। গাঁওবাসীয়ে পৈতৃক সম্পত্তি এৰি যাব নোখোজাত মিলিটেৰীয়ে জোৰ-জবৰদস্তি কৰি খেদি পঠিয়াইছে। লভিতাই বহু সময়লৈকে পৈতৃক সম্পত্তি এৰি আন ঠাইলৈ যাব খোজা নাছিল। নাটকখনৰ দ্বিতীয় অংকত লভিতাই পাছত প্ৰেমিক গোলাপৰ বুজনিত সৈমান হৈ লহৰজান মৌজাৰ গংগাৰাম বৰুৱাৰ ঘৰত চাকৰণী হিচাপে আশ্ৰয় লৈছে। কিন্তু স্বাধীনচেতিয়া মনৰ লভিতাই মৌজাদাৰণীৰ কটু বাক্য আৰু ৰুক্ষ ব্যৱহাৰৰ সন্মুখত তিষ্ঠিব নোৱাৰি তাৰ পৰা গুচি আহে।

নাটকখনৰ তৃতীয় অংকত মৌজাদাৰৰ ঘৰৰ পৰা ওলাই যাওঁতে সন্ধিয়া সময়ত লভিতাক অকলশৰে পাই ভাৰতীয় মিলিটেৰী সৈন্যই ধৰ্ষণ কৰিবলৈ চেষ্টা কৰে। অৱশ্যে অসমীয়া পুলিচ এজনে বাধা দিয়াত পুলিচ আৰু মিলিটেৰীৰ মাজত কাজিয়া হয়। লভিতাই সেই সুযোগতে পুলিচজনৰ ইংগিতত তাৰ পৰা পলাই যাবলৈ সক্ষম হয়। সেই সময়তে লভিতাই ইলাহী বকছ নামৰ শাক-পাচলিৰ ভাৰ লৈ অহা মুছলমান বুঢ়া এজনক লগ পাই সকলো কথা বিৱৰি কোৱাত মানুহজনে নিজৰ ঘৰতে থাকিবলৈ আশ্ৰয় দিয়ে। প্ৰেমিক গোলাপে সকলো কথা গম পাই ইলাহী বকছৰ ঘৰলৈ লভিতাক বিচাৰি আহে। ইলাহী বকছে তেতিয়া লভিতাক কোনোবা হিন্দুৰ ঘৰত অথবা নিজৰ ঘৰতে আশ্ৰয় দিবলৈ গোলাপক অনুৰোধ জনায়। কিন্তু গোলাপে পৰম্পৰাৰ কবলত বান্ধ খাই থকা সংস্কাৰকামী সমাজৰ ভয়ত তথা সমাজৰ গঞ্জনাৰ প্ৰতি ভয় কৰি লভিতাক আশ্ৰয় দিবলৈ সাহস নকৰিলে। গোলাপ বৰুৱাই সাম্ৰাজ্যবাদৰ বিৰুদ্ধে বিপ্লৱী ভাব পোষণ কৰি শোষিত, দলিত শ্ৰেণীৰ মুক্তিৰ বাণী সমাজত প্ৰচাৰ কৰে,

কিন্তু নিজৰ প্ৰেমিকাই মুছলমানৰ ঘৰত থকা-খোৱা কৰা বাবে সমাজৰ ভয়ত আঁকোৱালি ল'ব নোৱাৰে। গোলাপৰ এই কাৰ্যক লভিতাই গৰিহণা দিছে আৰু গোলাপক কৰ্কথনা কৰিছে।

নাটকখনৰ চতুৰ্থ অংকত লভিতাই সৈন্য শিবিৰৰ নাৰ্চ হিচাপে নিজকে নিয়োজিত কৰিছে। বৃটিছ সৈন্যবাহিনীৰ সৈতে পৰৱৰ্তী পৰ্যায়ত ক'হিমালৈ চিকিৎসা সেৱা আগ বঢ়াবলৈ যাত্ৰা কৰিছে।

নাটকখনৰ পঞ্চম অংকত জাপানী সৈন্যই ইতিমধ্যে ক'হিমা দখল কৰাৰ কথা কৈছে। বৃটিছ আৰু জাপানী সৈন্যৰ মাজত যুদ্ধ লাগিছে আৰু জাপানী সৈন্যই লভিতাকো বন্দী কৰি লৈ গৈছে। পাছত লভিতাই নেতাজীৰ 'আজাদ হিন্দ ফৌজ'ৰ হাতত বন্দীৰূপে থাকি লেফটেনেণ্ট বৰুৱাৰ পদাংকৰে এখোজ আগুৱাই গৈ স্বাধীনতা যুঁজৰ ৰণুৱাৰূপে আত্মপ্ৰতিষ্ঠা লাভ কৰিলে।

নাটকখনৰ ষষ্ঠ অংকত লেঃ বৰুৱা আৰু লভিতাই বৃটিছৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছে। উভয় পক্ষৰ গুলীয়াগুলীত লেঃ বৰুৱা আৰু লভিতা দুয়োজনে মৃত্যুক আঁকোৱালি লৈছে। লভিতাৰ জীৱনৰ কৰুণ মৃত্যুৰে নাটকখনৰ কাহিনীভাগক নাট্যকাৰে এক সীমাবদ্ধতাৰ পৰা মহত্বলৈ নিয়াৰ প্ৰচেষ্টা কৰিছে বুলি ক'ব পাৰি।

**নাৰীবাদী আদৰ্শৰ আন্যতম নিদৰ্শন হিচাপে 'লভিতা' ঃ**

নাৰীবাদ হ'ল সমাজৰ পিতৃতান্ত্ৰিক আৰু পুৰুষশাসিত সামাজিক গঠনৰ বিপৰীতে হোৱা এক আন্দোলন। নাৰীবাদে সমাজত নাৰীৰ অধিকাৰ আৰু নাৰীৰ স্বাধীনতাৰ বিষয়ে আলোচনা কৰে। John Charvetএ তেওঁৰ 'Feminism' নামৰ গ্ৰন্থত কৈছে -

"নাৰীবাদ হৈছে এক ধাৰণা বা দৃষ্টিভংগী, যি মতবাদ অনুসৰি পুৰুষ বা মহিলা সমান।" (উৎস ঃ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অধ্যয়ন সমল)

অৰ্থাৎ নাৰীবাদ হৈছে পুৰুষৰ সমানে ৰাজনৈতিক, অৰ্থনৈতিক, আইন আৰু অন্যান্য অধিকাৰসমূহৰ ক্ষেত্ৰত সফলতা অৰ্জনৰ জৰিয়তে মহিলাৰ স্থান উন্নত কৰা এক তত্ত্ব বা আন্দোলন।

১৮৩৭ চনত সমাজবাদী দাৰ্শনিক চাৰ্লচ ফ'ৰিয়াৰে প্ৰথমে নাৰীবাদ শব্দটো ব্যৱহাৰ কৰিছিল। ঊনবিংশ আৰু বিংশ শতিকাত ইউৰোপ আৰু সংযুক্ত ৰাষ্ট্ৰসমূহত ইয়াৰ উত্থান হৈছিল। ১৮৪৫ চনত Margaret Fuller এ 'Women in the Nineteenth century' নামৰ এখন গ্ৰন্থ ৰচনা কৰি তাত নাৰীসকলৰ অৱস্থাসমূহৰ আলোচনা কৰিছিল। সেইদৰে ১৮৪৯ চনত J.S. Mill আৰু H. Taylor এ যুটীয়াভাৱে 'The Subjection of Women' নামৰ গ্ৰন্থ ৰচনা কৰি তাত নাৰীৰ সামাজিক, অৰ্থনৈতিক অধিকাৰ আৰু ৰাজনৈতিক ক্ৰিয়াকলাপবোৰ অতি বিস্তৃতভাৱে আলোচনা কৰিছিল।



কুৰি শতিকাত নাৰীবাদী আন্দোলনে এক নতুন ৰূপ লৈছিল, যাক সমালোচকসকলে নাৰীবাদৰ দ্বিতীয় তৰংগ বুলি অভিহিত কৰিছে। দ্বিতীয় তৰংগৰ নাৰীবাদত কেৱল ৰাজনৈতিক আৰু আইনী অধিকাৰ প্ৰদানৰ দ্বাৰাই মহিলাৰ সমস্যাবোৰ সমাধান কৰিব নোৱাৰি বুলি ভবা হৈছিল। সেয়ে তেওঁলোকে সামাজিক প্ৰক্ৰিয়াটোক সলনি কৰিব বিচাৰিছিল। তেওঁলোকে সামাজিক প্ৰক্ৰিয়াটোক সলনি কৰিব পাৰিলেহে মহিলাৰ ক্ৰমবিকাশ আৰু মুক্তি সম্ভৱ হ'ব বুলি ভাবিছিল।

অসমীয়া নাট্য সাহিত্যৰ নতুন পথ সৃষ্টি কৰোঁতা জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটকতো নাৰীবাদী আন্দোলনৰ দ্বিতীয় তৰংগৰ প্ৰভাৱ পৰিছে বুলি অনুমান কৰিব পাৰি। তেখেতে ৰচনা কৰা নাটকসমূহৰ মূল আকৰ্ষণ হৈছে নাৰী চৰিত্ৰসমূহ। 'খনিকৰ' আৰু 'সুন্দৰ কোঁৱৰ' নাটক দুখনক বাদ দি 'কাৰেঙৰ লিগিৰী', 'ৰূপালীম', 'লভিতা', 'নিমাতী কইনা', 'সোণপখিলী', 'কনকলতা' এই আটাইকেইখন নাটেই নাৰী চৰিত্ৰৰ নামেৰে নামাংকিত কৰা দেখা যায়। সমাজৰ সাধাৰণ নাৰী চৰিত্ৰৰ বিপৰীতে ব্যতিক্ৰমী চিন্তা-চৰ্চাৰে অংকন কৰা নাৰী চৰিত্ৰসমূহ একক আৰু অনন্য। ভবেন বৰুৱাৰ ভাষাত-

> "জ্যোতিপ্ৰসাদৰ নাটকবোৰৰ কেন্দ্ৰত নায়কতকৈ নায়িকাৰ ভূমিকা পৰোক্ষভাৱে গুৰুত্বপূৰ্ণ নহয়নে? ...প্ৰতিখন নাটকৰে কেন্দ্ৰত আছে সংস্কৃতি আৰু সেই সংস্কৃতিৰ প্ৰতিনিধিত্ব কৰিবলৈ তাক পোষণ কৰিব পৰা শক্তি এটাৰ প্ৰতিনিধি হিচাপে জ্যোতিপ্ৰসাদে ৰাখিছে এক বিশেষ চৰিত্ৰৰ আৰু মনৰ এবিধ নাৰীক।" (বৰুৱা, ভবেন ঃ প্ৰসংগ জ্যোতিপ্ৰসাদ, পৃঃ ৯৮)

জ্যোতিপ্ৰসাদ আগৰৱালা আছিল ৰূপান্তৰৰ শিল্পী। সুন্দৰৰ আৰাধনাক জীৱনৰ মন্ত্ৰ হিচাপে লৈ যিবোৰ নাৰী চৰিত্ৰ অংকন কৰিছে, সেই চৰিত্ৰসমূহ

গতিশীল প্ৰক্ৰিয়াৰ এক উজ্জ্বল নিদৰ্শন হিচাপেও দেখা দিছে। নাৰী সম্পৰ্কে অসমীয়া সমাজত প্ৰচলিত তথাকথিত পৰম্পৰাগত ধাৰণাৰ বিপৰীতে জ্যোতিপ্ৰসাদৰ নাৰী চৰিত্ৰবোৰ আছিল বিপৰীত চিন্তাধাৰাৰে নিৰ্মিত। ভবেন বৰুৱাৰ দৃষ্টিত -

"জ্যোতিপ্ৰসাদৰ আটাইকেইখন নাটকৰে কেন্দ্ৰত গুৰুত্বপূৰ্ণ হৈ দেখা দিছে একোগৰাকী নাৰী। নাৰীক ইয়াত নাৰীৰ কেঁচাইখাতী দেৱীৰ ৰূপত নহয়, সৃষ্টিধৰ্মী ৰূপটোতহে গুৰুত্বপূৰ্ণ হিচাপে গ্ৰহণ কৰা হৈছে আৰু দেখুওৱা হৈছে।" (উল্লিখিত গ্ৰন্থ, পৃঃ ৯৭)

জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'লভিতা' নাটকখনৰ লভিতা চৰিত্ৰটো নতুন চিন্তা-চেতনাৰ বাৰ্তাবাহক নাৰী চৰিত্ৰ। নাট্যকাৰে লভিতাক পৰম্পৰাগত অসমীয়া নাৰীৰ মাজত আবদ্ধ কৰি ৰাখিব খোজা নাই। গোলাঘাটৰ লাহৰজান মৌজাৰ ফুলগুৰি গাঁৱৰ খেতিয়কৰ ছোৱালী হ'লেও লভিতা অতিশয় স্পষ্টবাদী আৰু সাহসী। সমাজৰ কুসংস্কাৰৰ মায়াজালত বন্দী হৈ স্থবিৰ জীৱন-যাপন কৰাৰ সলনি কঠিনতাৰ মাজলৈ সোমাই গৈ প্ৰয়োজন সাপেক্ষে মৃত্যুক আঁকোৱালি লৈছে। নাট্যকাৰে নাটকখনৰ পাতনিত কৈছে-

"'লভিতা' আদৰ্শমূলক অসমীয়া ছোৱালীৰ চৰিত্ৰ নহয়। অসমীয়া সাধাৰণ গাঁৱলীয়া চৰিত্ৰৰনো চৰিত্ৰবল কেনে, আগেয়ে নোহোৱা-নোপোজা ঘটনাৱলীৰ বানপানীত তাই কিমান দুৰ নিঃসহায়ৰ দৰে উটি গৈছে আৰু কিমানখিনিত সেই অভাৱনীয় অৱস্থাৰ সৈতে কি হিচাপে সৈমান নহৈ যুঁজ দিছে, কিমানখিনি নিজৰ আত্মবলৰ চিনাকি দি অৱস্থাক জিনি তাইৰ ভিতৰত লুকাই থকা অসমীয়া জাতিৰ চৰিত্ৰবলৰ পৰিচয় দিব পাৰিছে, তাকেহে সেই সময়ৰ অসমত ঘটা নানা ঘটনাৱলীৰ মাজেদি ওলোৱা অসমীয়া সাধাৰণ ডেকা-ডেকেৰীৰ চৰিত্ৰবলৰ নিদৰ্শন পৰ্যবেক্ষণ কৰি নাট্যকাৰে 'লভিতা'ৰ যোগেদি ৰাইজৰ আগত দাঙি ধৰিছে।" (গোহাঁই, হীৰেন (সম্পা)ঃ পূৰ্ব উল্লিখিত গ্ৰন্থ, পৃঃ ১৬৮)

লভিতা সাধাৰণ গাঁৱলীয়া ছোৱালী হ'লেও এগৰাকী সাহসী আৰু ব্যতিক্ৰমী ছোৱালী। সমাজত দেখা নানা অন্যায়-অবিচাৰবোৰ তাই সহ্য কৰিব পৰা নাই। সেয়ে দ্বিতীয় বিশ্বযুদ্ধৰ ফলস্বৰূপে অহা জাপানী সৈন্য আৰু নিগ্ৰোসকলে অসমীয়া ছোৱালীৰ ওপৰত চলোৱা অত্যাচাৰৰ কথা গম পাই লভিতাই চিৎকাৰ কৰি উঠিছে-



"বুজিছনে, এইবোৰ উৎপাত দেখি কেঁচাইখাতী গোসাঁনী হৈ সিহঁতৰ হাড়-মুৰ চোবাই পেলাবৰ মন যায়।" (উল্লিখিত গ্ৰন্থ, পৃঃ ১৭৫)

আনকি স্বাধীনতা আন্দোলনৰ বাবে সমদল কৰি অহা জাকটোৰ মাজেৰে পতাকা জোকাৰি আগ বাঢ়ি যোৱা সৰু ছোৱালীজনীক যেতিয়া পুলিচে কোবাইছে, তেতিয়া লভিতাই আৰ্তনাদ কৰি কৈছে,

"ছিঃ ছিঃ ছিঃ ! ইমান তললৈ গ'লি- ইমান নীচ হ'লি ! তহঁত পুলিচ হৈছ, তিৰোতাক ৰক্ষা কৰিবলৈ, দুৰ্বলীক বল দিবলৈ, মানুহক অত্যাচাৰীৰ পৰা একেবাৰে আশ্ৰয় দিবলৈ। কিন্তু কৰিছ কি ... ?" (উল্লিখিত গ্ৰন্থ, পৃঃ ১৭৯)

লভিতাৰ চিন্তা-চেতনাত স্বদেশ প্ৰেমৰ ভাব ফুটি উঠা দেখা যায়। তাই হাড়ে-হিমজুৰে আপোন গাঁওখনক ভাল পাইছিল। জাপানী সৈন্যৰ বোমা-বৰ্ষণত দেউতাকক হেৰুওৱাৰ পাছত মিলিটেৰীয়ে গাঁওবোৰ খালী কৰি দিয়ে যদিও জন্ম ঠাইখনৰ প্ৰতি এক আত্মিক সম্পৰ্ক থকা বাবে লভিতাই প্ৰতিবাদ কৰি কৈছে,

"গুলী কৰিবা। চঙীনেৰে খুচি মাৰিবা, মৰণৰ ভয় দেখুৱাবলৈ আহিছা? আজিৰ ছোৱালীয়ে ভয় নাখায় চাহাব। গোটেই বৃটিছ গৱৰ্ণমেণ্টৰ বন্দুক, বৰতোপ আনিলেও, চাহাব এই ভেটিৰ পৰা এক খোজো আঁতৰ কৰিব নোৱাৰা জীয়াই থাকোঁ মানে। মোৰ ভেটি, মোৰ ঘৰ, মোৰ মাটি, মোৰ দেশ-ইয়াত মোৰ মাতিবৰ অধিকাৰ আছে।" (উল্লিখিত গ্ৰন্থ, পৃঃ ১৮৪)

লভিতা তথাকথিত সমাজৰ ৰক্ষণশীল নাৰী নহয়। সেয়ে তাই সমাজত দেখা পোৱা অন্যায়-অবিচাৰৰ বিৰুদ্ধে থিয় দিছে। দেউতাকৰ মৃত্যুৰ পাছত প্ৰেমিক গোলাপৰ নিৰ্দেশতে মৌজাদাৰৰ ঘৰত লগুৱা হিচাপে আশ্ৰয় লৈছে যদিও মৌজাদাৰ আৰু গাঁওবুঢ়া শ্ৰেণীৰ লোকসকলে বৃটিছৰ পক্ষ লৈ আন্দোলনত হেঙাৰস্বৰূপ হৈ পৰা কথাৰ প্ৰতিবাদ কৰিছে। আনকি মৌজাদাৰণীয়ে কৰা কটু সমালোচনা নীৰৱে সহি নাথাকি প্ৰতিবাদ কৰিছে-

"অ' হ'বতো সাহ। সঁচা কথা ক'বলৈ কাৰ সাহ নহ'ব? নাথাকোঁ মই এনেকুৱা মানুহৰ ঘৰত। ঘৰে ঘৰে খুজি খাম। লুইতত জাঁপ দি ফুৰিমগৈ।" (উল্লিখিত গ্ৰন্থ, পৃঃ ১৮৮)

নাৰী মনৰ চিৰন্তন কোমলতাৰ বিপৰীতে কঠিনতাৰ বাস্তৱ ছবি লভিতা চৰিত্ৰটোত দেখিবলৈ পোৱা যায়। মিলিটেৰী সৈন্যৰ হাতত ধৰ্ষিতা হোৱাৰ পৰা কোনো মতে ৰক্ষা পৰি লভিতা ইলাহী বকছ নামৰ মুছলমান লোক এজনৰ ঘৰত আশ্ৰয় লৈছে। কিন্তু প্ৰেমিক গোলাপে মুছলমানৰ ঘৰত আশ্ৰয় লোৱা বাবে লভিতাক তথাকথিত সমাজৰ ৰক্ষণশীলতাৰ ভয়ত লৈ যাবলৈ কুণ্ঠাবোধ কৰিছে। লভিতাই গোলাপৰ এই আচৰণত ক্ষুণ্ণ হৈ গোলাপক কৈছে-

"অকল আজিকালি উপজিলেই আজিকালিৰ ল'ৰা হ'ব নোৱাৰি। তোমাৰ মনটো আজিৰ দিনতো আজি দুকুৰি বছৰ আগৰ ডেকাৰ দৰে। যি কথাটো সত্য বুলি ভাবা, তাক সমাজৰ ভয়ত ক'বলৈ সাহ নাই, কৰিবলৈ সাহ নাই।" (উল্লিখিত গ্ৰন্থ, পৃঃ ১৯২)

লভিতাই সমাজৰ পুৰণিকলীয়া নীতি-নিয়ম নামানে। তাই তথাকথিত সমাজৰ সংস্কাৰ বিচাৰে। নতুন যুগৰ নাৰীৰূপে তাই সমাজখন সলনি কৰিবলৈ বিচাৰে। সেয়ে নিজকে আধুনিক বুলি ভবা গোলাপে যেতিয়া সমাজৰ ভয়ত লভিতাক আঁকোৱালি ল'বলৈ ইতস্ততঃবোধ কৰিছে, তেতিয়া লভিতাই দীৰ্ঘদিনীয়া প্ৰেমিক গোলাপক প্ৰত্যাখ্যান কৰি কৈছে-

"তুমি নক'বা আজিৰ দিনৰ ডেকা বুলি, তোমাক নিজকে সেই বুলি ভুৱা নিদিবা। যি ডেকাৰ অন্তৰত বিপ্লৱৰ জুই জ্বলা নাই, সি আজিৰ দিনৰ ডেকা হ'বই নোৱাৰে। ৰজাৰ অন্যায়, আইনৰ অন্যায়, দেশৰ অন্যায়, দেশৰ চলি থকা অন্যায়, নিয়ম কাৰণ, মূৰ্খ সমাজৰ সংকীৰ্ণ মনৰ মানুহৰ নিৰপৰাধী নিমাখিতৰ ওপৰত অন্যায়, অত্যাচাৰৰ বিৰুদ্ধে নিজৰ সুখ-সম্পদ, আনকি জীৱনকো দি যি ডেকাৰ থিয় হ'বলৈ মনত বল নাই, বুকুত শক্তি নাই, সি আজিৰ ডেকা হ'বই নোৱাৰে। ....তুমি যিয়েই হোৱা, কিন্তু তুমি আজিৰ ডেকা নোহোৱা।" (উল্লিখিত গ্ৰন্থ, পৃঃ ১৯৩)

লভিতাৰ মুখৰ এই সংলাপখিনি মূলতঃ ৰক্ষণশীল সমাজ এখনৰ বিৰুদ্ধে কৰা প্ৰতিবাদস্বৰূপ। নতুন চিন্তাৰে, নতুন নাৰীৰূপে পশ্চিমৰ ইবছেনৰ 'ডলছ হাউছ' নাটকৰ নেৰো চৰিত্ৰই এইদৰে নাৰী বিপ্লৱৰ সূচনা কৰিছিল। অসমীয়া



সাহিত্যত লভিতাই এই বাৰ্তাটো কাৰ্যতঃ মুকলি কৰিছিল। (বৰুৱা, প্ৰহ্লাদ কুমাৰঃ পূৰ্ব উল্লিখিত গ্ৰন্থ, পৃঃ ১১৫)

'লভিতা' নাটকখন মূলতঃ জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱিত কালৰ শেষ সময়ৰ ৰচনা, এই নাটখনত নাট্যকাৰে আগৰ নাটসমূহৰ নাট্যৰীতিৰ পৰা আঁতৰি আহি বাস্তৱবাদী শৈলীৰ সমসাময়িক ঘটনাপ্ৰবাহক প্ৰতিফলিত কৰিছে। নাটকখনৰ প্ৰধান চৰিত্ৰ লভিতা সাধাৰণ গাঁৱৰ ছোৱালী হৈও এগৰাকী প্ৰগতিবাদী নাৰী হিচাপে নাটকখনত ভূমুকি মাৰিছে। সমসাময়িক ঘটনাৱলীয়ে বিধ্বস্ত কৰা সমাজখনত নতুন চিন্তা-চেতনাৰ নাৰী হিচাপে লভিতাক উপস্থাপন কৰি নাৰী সবলীকৰণত গুৰুত্ব আৰোপ কৰিছে।

জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটসমূহ প্ৰগতিশীল দৃষ্টিভংগীৰে ৰচিত উৎকৃষ্ট মানৰ নাটক বুলি ক'ব পাৰি। তেখেতৰ নাটকৰ আলোচনা অবিহনে অসমীয়া নাট্য সাহিত্যৰ আলোচনা সম্পূৰ্ণ নহয়। মুঠৰ ওপৰত গতানুগতিক নাট্যকলাৰ পৰিবৰ্তে নতুন নাট্যকলাৰে ৰচিত 'লভিতা' জ্যোতিপ্ৰসাদ আগৰৱালাৰ এখন উৎকৃষ্ট মানৰ নাটক বুলি নিঃসন্দেহে ক'ব পাৰি।

**গ্ৰন্থপঞ্জী :**

(১) গোহাঁই, হীৰেন। (সম্পা.) জ্যোতিপ্ৰসাদ ৰচনাৱলী। গুৱাহাটী : অসম প্ৰকাশন পৰিষদ, ২০২০।

(২) দাস, অমল চন্দ্ৰ। (সম্পা.) অসমীয়া নাট্য পৰিক্ৰমা। গুৱাহাটী : বনলতা, ফেব্ৰুৱাৰী, ২০১৮।

(৩) নাথ, চিত্ৰৰঞ্জন। (সম্পা.) নাট্যতত্ত্ব আৰু আলোচনা। গুৱাহাটী : পূৰ্বায়ণ প্ৰকাশন, জুলাই, ২০১৮।

(৪) বৰুৱা, প্ৰহ্লাদ কুমাৰ। জ্যোতি মনীষা। গুৱাহাটী : বনলতা, ডিচেম্বৰ, ২০০৯।

(৫) বৰুৱা, ভবেন। প্ৰসংগ : জ্যোতিপ্ৰসাদ। গুৱাহাটী : বনলতা, ২০১২।

(৬) ভট্টাচাৰ্য, হৰিশ্চন্দ্ৰ। অসমীয়া নাট্য সাহিত্যৰ জিলিঙণি। গুৱাহাটী : লয়াৰ্ছ বুক ষ্টল, (১৯৭০)।

(৭) শৰ্মা, সত্যেন্দ্ৰনাথ। অসমীয়া নাট্য সাহিত্য। গুৱাহাটী : সৌমাৰ প্ৰকাশ, ১৯৯৬।

---

(লেখক দৰং মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক)

# সাহিত্য সুষমা



ড° কল্পনা বৈশ্য

ড° অনুস্মিতা তালুকদাৰ

RESEARCH AND INNOVATION CELL
Anundoram Borooah Academy Degree College
Pathsala, Bajali, Assam

**SAHITYA SUKHAMA** : *A collection of research articles by several scholars edited by Dr. Kalpana Baishya & Dr. Anusmita Talukdar and published by Research and Innovation Cell, Anundoram Borooah Academy Degree College, Pathsala.*

**Price: Rs. 300/-**

---

**Published by**
**Dr. Ranjit Deka**
**Chairman**
RESEARCH AND INNOVATION CELL
ANUNDORAM BOROOAH ACADEMY DEGREE COLLEGE

© *Publisher*

*All rights reserved. No part of this publication may be reproduced, stored in a retrieval system, transmitted or utilized in any form or by any means, electronic, mechanical, photocopying, recording or otherwise, without the prior permission of the copyright owner Author/Editors. Application for such permission should be addressed to the Publisher and Author/Editors. Please do not participate in or do not encourage piracy of copyrighted materials in violation of the author's rights. Purchase only authorized editions.*

*The responsibility for facts stated, opinion expressed or conclusions reached and plagiarism, if any, in this book is entirely that of the author. Neither the publishers nor the editor will be responsible for them whatsoever.*

**ISBN**
**978-93-90706-65-5**

**1st Edition :** *Feburary, 2024*

**Setting & Layout :** *Dhanjit Kalita*

**Price :** *Rs. 300/-*

**Printed at**
*Destiny, Guwahati*

# জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'কাৰেঙৰ লিগিৰী' ঃ এটি আলোচনা

ড° প্ৰতুল ডেকা
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ,
দৰং মহাবিদ্যালয়, দৰং

**প্ৰস্তাৱনা ঃ**

আধুনিক অসমীয়া নাট্য সাহিত্যৰ ত্ৰাণকৰ্তা,পথ প্ৰদৰ্শক তথা অসমীয়া নাট্য সাহিত্যক নিজস্ব সৃষ্টিৰাজিৰে জীপাল কৰি তোলা মহান নাট্যকাৰসকলৰ ভিতৰত অন্যতম হৈছে জ্যোতিপ্ৰসাদ আগৰৱালা (১৯০৩-১৯৫১)। তেখেতৰ দ্বাৰা সৃষ্ট সাহিত্যৰাজিৰ জৰিয়তে আধুনিক অসমীয়া জাতীয় জীৱনৰ সকলো দিশেই গতিধৰ্মী হৈ প্ৰবাহিত হৈ আছে। অসমীয়া সাহিত্যৰ বুৰঞ্জীত শ্ৰীমন্ত শংকৰদেৱে নাট্য ৰচনাৰ ধাৰা সৃষ্টি কৰাৰ পৰৱৰ্তী পৰ্যায়ত অৰুণোদয় আৰু জোনাকী আলোচনীৰ যোগেদি অসমীয়া নাট্য সাহিত্যই নতুন আংগিক আৰু ভাববস্তুৰে বিশ্বজনীনতা লাভ কৰিবলৈ সক্ষম হৈছে। আধুনিক অসমৰ অবিসম্বাদী শিল্পী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটসমূহে অসমীয়া নাট্য সাহিত্যলৈ এক নতুনত্বৰ ধাবা বোৱাই আনিছিল। প্ৰকৃতাৰ্থত তেখেতৰ হাততে অসমীয়া নাট্য সাহিত্যই ন ৰূপত ঠন ধৰি উঠিছিল। গণশিল্পী হেমাংগ বিশ্বাসৰ ভাষাত-

"পুৰণি আৰু নতুনৰ সংগ্ৰামত নতুনক প্ৰথম আদৰি লোৱাৰ যি সংঘাত, তাৰেই মূৰ্ত প্ৰতীক আছিল ৰূপকোঁৱৰ।" (ভট্টাচাৰ্য, বসন্ত কুমাৰ ঃ অসমীয়া নাটকৰ সমীক্ষা, পৃঃ ৫৯)

পৌৰাণিক, কাল্পনিক আৰু সামাজিক বিষয়ৰ নাট ৰচনাৰ সমান্তৰালভাৱে পাশ্চাত্য নাট্যধাৰাৰ আৰ্হিতো তেখেতে নাট ৰচনা কৰে। হেনৰিক ইবছেন, জৰ্জ বাৰ্নাৰ্ড শ্ব', গলছৱাৰ্থি আদি নাট্যকাৰসকলৰ বাস্তৱবাদী চিন্তা-চেতনাৰে প্ৰভাৱান্বিত হৈ লিখা নাটসমূহ তেখেতৰ সৃজনশীলতাৰ এক অনন্য নিদৰ্শন বুলি ক'ব পাৰি।

জ্যোতিপ্ৰসাদ আগৰৱালাই মাত্ৰ চৈধ্য বছৰ বয়সতে 'শোণিত কুঁৱৰী' (১৯১৯ চনত ৰচনা আৰু ১৯২৫ ত প্ৰকাশ) নামৰ নাটক ৰচনা কৰি অসমীয়া

নাট্য সাহিত্যৰ জগতত নাট্যকাৰ হিচাপে আত্মপ্ৰকাশ কৰিছিল। পৰৱৰ্তী পৰ্যায়ত তেখেতে কেইখনমান নাট ৰচনা কৰি নাট্য সাহিত্যৰ ভঁৰাল সমৃদ্ধিশালী কৰি তুলিছে। তেখেতে ৰচনা কৰা আন নাটসমূহ হৈছে -

১। কাৰেঙৰ লিগিৰী (কাল্পনিক নাট। ১৯২৫-২৬ চনত ৰচিত আৰু ১৯৩৭ চনত প্ৰকাশিত)

২। ৰূপালীম (কাল্পনিক নাট। ১৯৩৬ চনত ৰচিত আৰু ১৯৩৮ চনত প্ৰকাশিত)

৩। লভিতা (১৯৪৭ চনত ৰচিত আৰু ১৯৪৮ চনত প্ৰকাশিত)

৪। নিমাতী কইনা বা ৰূপকোঁৱৰ (১৯৩৬ চনত ৰচিত আৰু ১৯৬৪ চনত প্ৰকাশিত)

৫। খনিকৰ (১৯৪০ চনত তেওঁ প্ৰথমৰ অংক দুটা 'প্ৰথম কাহিনী' আৰু 'দ্বিতীয় কাহিনী' নাম দি সম্পূৰ্ণ কৰিছিল যদিও তৃতীয় অংকটো লিখি সম্পূৰ্ণ কৰিব নোৱাৰিলে।)

৬। সুন্দৰ কোঁৱৰ (কাল্পনিক নাট)

৭। কনকলতা (অসম্পূৰ্ণ)

৮। সোণপখিলী (অসম্পূৰ্ণ শিশু নাটিকা। জ্যোতিপ্ৰসাদ আগৰৱালাই নাটখনৰ মাত্ৰ দুটা পটহে সম্পূৰ্ণ কৰিছিল। তৃতীয়, চতুৰ্থ আৰু পঞ্চম পটৰ কাহিনী বিলাক অসম্পূৰ্ণ)

নাটকৰ উপৰিও জ্যোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা সাহিত্যৰাজি হৈছে

**উপন্যাস :** আমাৰ গাঁও (১৯৫০ চনত ৰচনা কৰা এই উপন্যাসখন অসম্পূৰ্ণ অৱস্থাত পোৱা যায়।)

**গল্প :** ৰূপহী, বগীতৰা, সোণতৰা, সোণটিৰ অভিমান, যুঁজাৰু, সতীৰ সোঁৱৰণী সন্ধ্যা, প্ৰত্নতাত্বিকৰ কলাঘুমটি, নীলা চৰাই।

**কবিতা :** প্ৰায় ৫৪ টা কবিতা আৰু ১৩ টা শিশু কবিতা ৰচনা।

**গীত :** নাটক, চিত্ৰনাট্য অন্যান্য ৰচনা আৰু কথাছবি আদিত অনেক গীত সন্নিবিষ্ট হৈ আছে যিবোৰক জ্যোতি সংগীত নামেৰে নামকৰণ কৰা হৈছে।

**প্ৰবন্ধ :** সাহিত্য, সংস্কৃতি, সংগীত বিষয়ক বিভিন্ন প্ৰবন্ধ ৰচনা।



**জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটকৰ বিশেষত্ব :**

জ্যোতিপ্ৰসাদ আগৰৱালাৰ দ্বাৰা ৰচিত নাটসমূহৰ কাব্যগুণ আৰু নাটকীয় গুণসমূহৰ প্ৰতি লক্ষ্য ৰাখি এইবোৰক কাব্যধৰ্মী আৰু নাট্যধৰ্মী এই দুই শ্ৰেণীত ভগাব পাৰি। কাব্যধৰ্মী নাট হিচাপে 'নিমাতী কইনা' আৰু 'সোণপখিলী' নাট দুখনৰ কথা ক'ব পাৰি। অৱশ্যে 'কনকলতা' আৰু 'সুন্দৰ কোঁৱৰ' নামৰ অসম্পূৰ্ণ নাটক দুখন নাট্যধৰ্মী গুণেৰে পৰিবেষ্টিত হ'লেও অসম্পূৰ্ণতাৰ বাবে শ্ৰেণীভুক্ত কৰা হোৱা নাই।

জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচনাৰাজিত এক স্পষ্ট আৰু স্বচ্ছ জীৱন আৰু জগত সম্পৰ্কীয় মৌলিক দৃষ্টিভংগীৰ প্ৰকাশ দেখিবলৈ পোৱা যায়। শিল্পকলাৰ প্ৰতি থকা গভীৰ শ্ৰদ্ধা হেতু তেখেতে নিজৰ ৰচনাৰাজিতো শিল্পকলাৰ প্ৰতি অত্যন্ত সচেতনতা দেখুৱাইছিল। তেখেতে ৰচনা কৰা নাটসমূহত ফুটি উঠা বিশেষত্ব কিছুমান হৈছে-

(ক) জীৱন আৰু জগত সম্পৰ্কে মৌলিক চিন্তা আৰু দৃষ্টিভংগীৰ প্ৰকাশ জ্যোতিপ্ৰসাদৰ ৰচনাৰাজিৰ এক অন্যতম বিশেষত্ব। তেখেতে নাটসমূহত মৌলিক চিন্তাৰ পয়োভৰ ঘটাই উত্তম শ্ৰেণীৰ শিল্পকৰ্মৰ ৰূপ দিবলৈ পৰ্যাপ্ত অনুশীলন আৰু সশ্ৰদ্ধ মনোযোগ দিয়া দেখা যায়।

(খ) মৌলিকতা আৰু শিল্পভাৱনা জ্যোতিপ্ৰসাদৰ নাটসমূহৰ অন্যতম বিশেষত্ব। বিষয়বস্তু নিৰ্বাচন, উপস্থাপন, ভাষা, পৰিকল্পনা, সংগীত, মঞ্চ নিৰ্দেশনা ইত্যাদি সকলো ক্ষেত্ৰতে দেখুওৱা নতুনত্ব আৰু আদৰ্শৰ মাজেদি তেখেতৰ অবিসম্বাদী নাট্য প্ৰতিভাৰ উমান পাব পাৰি। জ্যোতিপ্ৰসাদ আগৰৱালাই তেওঁৰ কোনো এখন নাটকতে পূৰ্বৱৰ্তী নাটকক কোনো প্ৰকাৰে অনুসৰণ কৰা দেখা নাযায়। প্ৰতিখন নাটকতে বিভিন্ন সম্পৰীক্ষাৰ মাজেদি গঢ় দিয়া তেখেতৰ নিজস্ব চিন্তাৰ স্পষ্ট প্ৰতিফলন দেখা যায়। সমালোচক হীৰেন গোহাঁইৰ ভাষাত-

"তেওঁৰ নাটকবোৰো জাগৰণৰ নাটক, চেতনাৰ উত্তৰণৰ নাটক। 'শোণিত কুঁৱৰী'ত চিত্ৰলেখাৰ দৌত্যত উষা-অনিৰুদ্ধৰ প্ৰেমৰ মাজেৰে আসুৰিক প্ৰবৃত্তি জয় কৰা সৌন্দৰ্যৰ বিকাশ হৈছে, 'কাৰেঙৰ লিগিৰী'ত অন্ধ সামাজিক-আত্মাভিমানৰপৰা শেৱালিৰ আত্মত্যাগৰ প্ৰভাৱত মুক্ত হৈ সুন্দৰ কোঁৱৰে প্ৰেমৰ মহিমাময় উপলব্ধি কৰিছে, 'ৰূপালীম'ত মণিমুগ্ধ কামনাৰ মদমত্ত অৱস্থাৰ পৰা প্ৰেমৰ নিঃস্বাৰ্থ সৌন্দৰ্যৰ স্তৰলৈ উত্তীৰ্ণ হৈছে, 'নিমাতী কইনা'ত সংসাৰে কেৱল নিমাতীৰ কণ্ঠত মাত ফুটাই শুনা নাই, অৱহেলিত শিল্পীৰ প্ৰকৃত পৰিচয় পাই অভিভূত

হৈছে আৰু 'লভিতা' এজনী সাধাৰণ অসমীয়া গাভৰুৰে গতানুগতিক জীৱনৰ পৰা খুন্দা খাই উফৰি আহি আত্ম-আৱিষ্কাৰ আৰু আত্মপ্ৰত্যয়ৰ আধুনিক অভিজ্ঞতা অৰ্জন কৰিছে। (গোহাঁই, হীৰেন (সম্পা)ঃ জ্যোতিপ্ৰসাদ ৰচনাৱলী, পৃঃ ৪০।)"

(গ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'লভিতা' নাটকখনৰ বাহিৰে বাকীকেইখন নাটকৰ বিষয়বস্তু হৈছে পৌৰাণিক অথবা কাল্পনিক। তেওঁ পৌৰাণিক কাহিনী এটাক আধাৰ হিচাপে লৈ কাহিনীটো ন ৰূপেৰে নিৰ্মাণ কৰি সমকালীন সমাজ বাস্তৱতাক প্ৰাধান্য দি নাটসমূহ ৰচনা কৰিছে। 'শোণিত কুঁৱৰী' নাটখনৰ বিষয়বস্তু তেজপুৰকেন্দ্ৰিক এটা বহুল প্ৰচলিত পৌৰাণিক আখ্যানৰ আধাৰত গঢ় দিয়া হৈছে যদিও নাটকখনত হৰি-হৰৰ যুদ্ধ অথবা ধৰ্মীয় মতাদৰ্শত বিষয়সমূতকৈ উষা-অনিৰুদ্ধৰ প্ৰণয় কাহিনীটোৱেহে গুৰুত্ব পাইছে। সেইদৰে 'কাৰেঙৰ লিগিৰী', 'ৰূপালীম', 'নিমাতী কইনা', 'সুন্দৰ কোঁৱৰ' আদি নাটকত কাল্পনিক কাহিনীৰ যোগেদি চৰিত্ৰসমূহৰ আদৰ্শগত দ্বন্দ্ব, বৈপৰীত্য আৰু চৰিত্ৰৰ বৈচিত্ৰতা দেখুওৱা হৈছে। অৱশ্যে 'লভিতা' নাটকখনত সমসাময়িক ঘটনাৱলীৰ পোনপটীয়া প্ৰতিফলন ঘটা বাবে ইয়াক বাস্তৱবাদী শৈলীৰ নাটক বুলি ক'ব পাৰি।

(ঘ) সমন্বয়াত্মক আদৰ্শৰ ৰূপায়ণ জ্যোতিপ্ৰসাদ আগৰৱালা নাটকৰ অন্য এটি বিশেষত্ব। কাহিনী, চৰিত্ৰ, সংলাপ, পৰিৱেশ সৃষ্টি, নৃত্য-গীত আদিৰ প্ৰয়োগৰ ক্ষেত্ৰত তেখেতে পৌৰাণিক, আধুনিক, প্ৰাচ্য-পাশ্চাত্য, লৌকিক-বৈজ্ঞানিক ইত্যাদি সকলোবোৰ দিশৰে সাধন কৰা দেখা যায়।

(ঙ) নাটকীয় দ্বন্দ্ব বা সংঘাত জ্যোতিপ্ৰসাদৰ নাটকতো দেখা যায়। তেখেতৰ নাটকত ৰূপায়িত সংঘাত হৈছে মূলতঃ আদৰ্শ আৰু বাস্তৱৰ সংঘাত, দুষ্কৃতি আৰু সংস্কৃতিৰ সংঘাত। 'কাৰেঙৰ লিগিৰী' নাটকত নাট্যকাৰে সুন্দৰ কোঁৱৰ চৰিত্ৰটোত দেখুওৱা সংঘাত মূলতঃ ব্যক্তিচেতনাৰ লগত সামাজিক পৰম্পৰবোধৰ সংঘাত। এই সংঘাত যেন নাট্যকাৰৰ নিজৰেই আদৰ্শ আৰু বাস্তৱৰ সংঘাত।

(চ) নাৰী চৰিত্ৰৰ প্ৰাধান্য জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটসমূহৰ এক অন্যতম বিশেষত্ব। 'শোণিত কুঁৱৰী', 'লভিতা', 'ৰূপালীম', 'কাৰেঙৰ লিগিৰী', 'নিমাতী কইনা' আদি নাটকবোৰ নাৰী চৰিত্ৰৰ নামেৰে নামকৰণ কৰা হৈছে। সংস্কৃতিৰ সংৰক্ষণ, সংবৰ্ধন আৰু ৰূপান্তৰত নাৰীৰ প্ৰধান ভূমিকা থাকে বাবে জ্যোতিপ্ৰসাদে নাৰী চৰিত্ৰসমূহ বেছি উপযোগী বুলি বিবেচনা কৰিছিল। নাটকীয় কথাবস্তু আৰু তাৰ অন্তনিহিত ভাববস্তু প্ৰকাশত প্ৰতিগৰাকী নাৰী চৰিত্ৰই মুখ্য ভূমিকা পালন



কৰা দেখা যায়। জ্যোতিপ্ৰসাদ আগৰৱালাই প্ৰতিখন নাটকতে নাৰীৰ এটা বিশেষ ৰূপ, যি পুৰুষ বা নায়কৰ এটা বিশেষ ৰূপৰ লগতো সংযুক্ত হ'ব পাৰে, তেনে নাৰী চৰিত্ৰহে অংকন কৰিছে।

(ছ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটকত পাশ্চাত্য চিন্তাধাৰাৰ প্ৰতিফলন দেখা যায়। তেখেতৰ নাটকৰ মাজেদিয়েই পাশ্চাত্য নাট্য চিন্তাৰ অভিযোজন অসমীয়া নাটকত দেখিবলৈ পোৱা যায়। অৱশ্যে প্ৰতিখন নাটকতে মৌলিক নাট্য চিন্তাক পাশ্চাত্য নাট্যধাৰাৰ সংশ্লেষণে সমৃদ্ধ কৰিছে যদিও কেৱল পাশ্চাত্য নাট্য চিন্তাৰে তেখেতে নিজৰ নাটকৰ ৰূপায়ণ কৰা দেখা নাযায়।

**কাৰেঙৰ লিগিৰী' নাটকৰ পটভূমি ঃ**

'কাৰেঙৰ লিগিৰী' নাটকখন জ্যোতিপ্ৰসাদ আগৰৱালাই ২১ বছৰ বয়সৰ পৰা ২৩ বছৰ বয়সৰ ভিতৰত ৰচনা কৰিছিল বুলি তেখেতৰ ৰূপালীম নাটকখনৰ পাতনিত পোৱা যায়। ১৯২১ চনত গোটেই দেশজুৰি হোৱা অসহযোগ আন্দোলনৰ পাছত অৰ্থাৎ ১৯২৪-২৬ চনৰ সময়ছোৱাৰ ভিতৰত 'কাৰেঙৰ লিগিৰী' নাটখন ৰচনা কৰা হৈছিল বুলি অনুমান কৰা হৈছে। অসহযোগ আন্দোলনৰ সময়ত গান্ধীজীয়ে দেখুওৱা বৈপ্লৱিক চিন্তাৰ প্ৰতিফলন 'কাৰেঙৰ লিগিৰী' নাটত দেখা পোৱা যায়। লগতে বিপ্লৱৰ ধাৰণাটোক স্থান দিয়া এইখনেই হৈছে জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰথম নাটক। নাটকখনৰ কাহিনীভাগ প্ৰাচীন সামন্তযুগীয় সমাজ যদিও সুন্দৰ কোঁৱৰ চৰিত্ৰটোৰ জৰিয়তে বৈপ্লৱিক চৰিত্ৰৰ অভিঘাত প্ৰকাশিত হৈছে। সুন্দৰৰ চৰিত্ৰ আদৰ্শ হিচাপে তাত দাঙি ধৰাতকৈ চৰিত্ৰৰ বৈচিত্ৰ্য এটা চিৰবিপ্লৱী মনৰ দুৰ্নিবাৰ গতিৰ সৈতে সমাজৰ সংঘৰ্ষ আৰু সংঘাত আৰু তাৰ পৰিণতি নাটখনত দেখুওৱা হৈছে। গতিকে অসহযোগ আন্দোলনৰ বৈপ্লৱিক চিন্তাৰ পটভূমিতেই 'কাৰেঙৰ লিগিৰী' নাটখন ৰচনা হৈছে বুলি অনুমান কৰা হৈছে।

**কাৰেঙৰ লিগিৰী' নাটকৰ কাহিনী ঃ**

'কাৰেঙৰ লিগিৰী' নাটকখনৰ মুখ্য বিষয় হৈছে প্ৰাচীন মূল্যবোধত বিশ্বাসী লোকৰ সৈতে নতুন প্ৰজন্মৰ আদৰ্শগত সংঘাত। নাটকখনত ব্যক্তিৰ সৈতে ব্যক্তিৰ, ব্যক্তিৰ সৈতে সমাজৰ, আদৰ্শৰ সৈতে আদৰ্শ শূন্যতাৰ সংঘাত দেখুওৱা হৈছে। সামন্তযুগীয় আহোম সমাজৰ পটভূমিত নাটকখনৰ কাহিনীভাগ নিৰ্মিত হৈছে। প্ৰাচীন মূল্যবোধত বিশ্বাসী ৰাজমাও আৰু আধুনিক চিন্তাৰে পৰিৱেষ্টিত সুন্দৰ কোঁৱৰৰ সংঘাতৰ জৰিয়তেই নাটখনৰ কাহিনীভাগ আৰম্ভ হৈছে। মাক ৰাজমাওৰ

মতে সুন্দৰ কোঁৱৰে প্ৰচলিত ৰীতি মতে সাংসাৰিক বান্ধোনত বন্দী হ'ব লাগে। কিন্তু সুন্দৰ কোঁৱৰ স্বভাৱতে ব্যতিক্ৰমী প্ৰকৃতিৰ। বাস্তৱবিমুখ আৰু ভাবুক প্ৰকৃতিৰ সুন্দৰ কোঁৱৰৰ নাৰী জাতিৰ প্ৰতি বিশেষ আগ্ৰহ নাই। সেয়ে সুন্দৰ কোঁৱৰে বিবাহ আৰু ৰাজকাৰ্য পৰিচালনাৰে জীৱনক অনৰ্থক বোজাস্বৰূপ কৰি তুলিব নোখোজে। বিয়াৰ বভাঘৰৰ তলেদি অগ্নিক সাক্ষী কৰি কন্যাৰ আঁচলৰ গাঠিতহে যদি ৰাজমুকুট আহে তেনেহ'লে তেনে ৰাজমুকুট পৰিধান কৰাৰ তেওঁ পক্ষপাতী নহয়। সুন্দৰৰ কোঁৱৰৰ এনে উদাসীন মনোভাৱৰ বিপৰীতে ৰাজমাওৰ আকৌ দৃঢ় স্থিতি যে সুন্দৰে বিয়া কৰাবই লাগিব। ফলস্বৰূপে দুই বিপৰীতধৰ্মী দৃঢ় স্থিতিয়ে নাটকখনত সংঘাতৰ সৃষ্টি কৰিছে। ৰাজমাওৰ প্ৰবল ইচ্ছা ৰাজ্যৰ সম্ভ্ৰান্ত বংশৰ বুঢ়াগোহাঁইৰ জীয়ৰী কাঞ্চনমতীক সুন্দৰে বিয়া কৰাব লাগে। সুন্দৰ কিন্তু নিজৰ স্থিতিত অটল। তেওঁ কাঞ্চনমতীকেই নহয়, অন কোনো নাৰীকে জীৱনসংগী কৰি লোৱাৰ পক্ষপাতী নহয়। তদুপৰি নাটখনৰ আৰম্ভণিতে নাট্যকাৰে সুন্দৰ কোঁৱৰৰ প্ৰতি লিগিৰী শেৱালিৰ আকৰ্ষণৰ ইংগিত দিছে। শেৱালিয়ে সুন্দৰ কোঁৱৰৰ পালেং সজাই থাকোঁতে মনৰ গভীৰ স্থলত অনুভৱ কৰা গীত এটি বপুৰাই শুনিছে আৰু ৰাজমাওক কথাবোৰ লগাইছে। শেৱালি লিগিৰীৰ প্ৰতি আকৃষ্ট হৈহে সুন্দৰ কোঁৱৰে বিয়াত অসম্মতি দিছে বুলি ৰাজমাওৱে সন্দেহ কৰে। সুন্দৰ কোঁৱৰৰ বন্ধু সুদৰ্শনেও ৰাজমাওৰ দৰে সুন্দৰ কোঁৱৰক বুজাবলৈ চেষ্টা কৰে আৰু বিভিন্ন যুক্তিৰে সৈমান কৰাবলৈ সক্ষম হয়। সুন্দৰ কোঁৱৰৰ কাঞ্চনমতীৰ সৈতে বিবাহকাৰ্য সম্পন্ন হয়। ইফালে বিবাহৰ পূৰ্বে কাঞ্চনমতীৰ সুন্দৰ কোঁৱৰৰ বন্ধু অনঙ্গৰ সৈতে প্ৰণয় ভাব আছিল। এজনে আনজনক গভীৰভাৱে ভাল পাইছিল যদিও আনংগৰামে সুন্দৰ কোঁৱৰ আগত তেওঁলোকৰ প্ৰণয়ৰ কথা কোৱাত অপাৰগতা প্ৰকাশ কৰি কাঞ্চনমতীক বিবাহত অসম্মতি প্ৰকাশ কৰিবলৈ কয় যদিও কাঞ্চনমতীয়ে পিতৃ-মাতৃৰ অবাধ্য নহৈ সুন্দৰ কোঁৱৰৰ সৈতে বিবাহপাশত আবদ্ধ হয়। কাঞ্চনমতীয়ে বিয়াৰ পাছত সুন্দৰ কোঁৱৰৰ আগত তাইৰ পূৰ্ব প্ৰণয়ৰ সকলো কথা ব্যক্ত কৰে। ফলত নাটখনৰ দ্বিতীয় অংকৰ প্ৰথম দৰ্শনতে দুয়োৰে মাজত তীব্ৰ দ্বন্দ্বৰ সৃষ্টি হয়। সুন্দৰ কোঁৱৰে কাঞ্চনমতীক তেওঁৰ জীৱনৰ পৰা আঁতৰি যাবলৈ কয়। কিন্তু কাঞ্চনমতীয়ে আত্মীয়, সমাজৰ স্বাৰ্থত সম্পৰ্ক আগবঢ়াই নিব খোজে। সুন্দৰ কোঁৱৰ কিন্তু নিজৰ স্থিতিত অটল। শতিকা জুৰি থকা সমাজৰ আৱৰ্জনাবোৰ ধুই নিকা কৰিবলৈ প্ৰলয়ৰ যদি প্ৰয়োজন হয়, সেই প্ৰলয় আহ্বান কৰিবলৈ তেওঁ মানসিকভাৱে প্ৰস্তুত।



নাটকখনৰ দ্বিতীয় অংকৰ চতুৰ্থ দৰ্শনত সুন্দৰ কোঁৱৰে বনভোজ খোৱাৰ ছলেৰে কাঞ্চনমতী আৰু অনঙ্গৰামক কাজিৰঙালৈ লৈ গৈ এৰি আহে। অনংগই নানা প্ৰকাৰে সুন্দৰক বুজাবলৈ চেষ্টা কৰিলে যদিও কোনো কথাতে সুন্দৰ কোঁৱৰ সৈমান নহ'ল। কাঞ্চনমতীয়ে আঁচলত বান্ধি লোৱা বিহ চেলেকি আত্মহত্যা কৰে আৰু অনংগৰাম সুন্দৰ কোঁৱৰৰ অবিবেচনাৰ বলি হৈ মনৰ দুখত দেশান্তৰী হৈ গুচি যায়। সুন্দৰ কোঁৱৰে বিয়াত অমত হোৱা আৰু বিয়া কৰোৱাৰ পাছতো কাঞ্চনমতীক ত্যাগ কৰাৰ অন্তৰালত লিগিৰী শেৱালিৰ সুন্দৰৰ প্ৰতি থকা গোপন প্ৰেমৰ কথা জড়িত বুলি সকলোৱে সন্দেহ কৰে। আনকি নাটকখনৰ তৃতীয় অংকত ৰাজমাওৰ আভিজাত্য আৰু ব্যক্তিকেন্দ্ৰিকতাৰ বাবে শেৱালিৰ জীৱন দুৰ্বিসহ হৈ পৰে। সুন্দৰ কোঁৱৰে শেৱালিক আন লিগিৰীতকৈ বেছিকৈ বিচাৰিছিল। সেয়ে এদিনাখন গাখীৰ দিবলৈ আহোঁতে সুন্দৰ কোঁৱৰে শেৱালিক ভাল পায়নে বুলি সোধাত শেৱালিয়েও ভালপোৱাৰ কথা স্বীকাৰ কৰে যদিও সুন্দৰ কোঁৱৰে তাইক তিৰস্কাৰহে কৰে। ৰাজমাওৱে শেৱালিক বুদ্ধি কৰি মাতি নি চাউদাঙৰ হতুৱাই প্ৰাণে মৰাৰ নিৰ্দেশ দিয়ে। কিন্তু চাউদাঙকেইজনে তাইক হত্যা নকৰি নগা পাহাৰত এৰি থৈ আহে আৰু ৰাজ কাৰেঙলৈ ঘূৰি নাযাবলৈ অনুৰোধ জনায়। নগাপাহাৰতে শেৱালিয়ে ৰুণুক, জুনুক আৰু থুনুকক লগ পাই আৰু সিহঁতে তাইক লুকুৱাই ৰাখে।

ৰাজমাওৰ দ্বাৰা শেৱালিক নিৰ্বাসন দিয়া ঘটনাটোৱে নাট্য কাহিনীৰ গতি সলনি কৰাৰ লগতে সুন্দৰ কোঁৱৰৰ মানসিক পৰিৱৰ্তনো সাধন কৰিলে। শেৱালিক নিৰ্বাসন দিয়া ঘটনাত সুন্দৰ কোঁৱৰ ক্ষুণ্ণ হৈ পৰিল আৰু শেৱালিক উলিয়াই দিবৰ বাবে ৰাজমাওৰ ওচৰত দাবী জনালে। লগতে শেৱালিক বিচাৰি আনিবৰ বাবে তেওঁ ৰাজকাৰেঙৰ সকলোকে নিৰ্দেশ দিলে। শেৱালিক বিচাৰি আনি তেওঁ ৰাজকাৰেঙৰ কুঁৱৰী পাতিব বুলিও দৃঢ় প্ৰতিজ্ঞা কৰিলে। সুন্দৰ কোঁৱৰ আৰু ৰাজমাওৰ মানসিক দ্বন্দ্বই এই নাট্যকাহিনীত অধিক জটিলতাৰ সৃষ্টি কৰিলে।

নাটকখনৰ চতুৰ্থ অংকৰ প্ৰথম দৰ্শনত নগা পাহাৰত নিৰ্বাসিতা হৈ থকা শেৱালিয়ে দীঘলীয়া স্বগতোক্তিৰে সুন্দৰৰ প্ৰতি থকা গভীৰ প্ৰেমৰ অনুভূতি প্ৰকাশ কৰিছে। নগা পাহাৰতে শেৱালিৰ অনংগৰামৰ সৈতে সাক্ষাৎ হয়। শেৱালিয়ে অনংগৰ আগত সকলো কথা ব্যক্ত কৰে। তেতিয়াই সুন্দৰ কোঁৱৰে ছদ্মবেশেৰে শেৱালিক নিবলৈ আহে। কিন্তু শেৱালিয়ে কোঁৱৰৰ সৈতে আহিবলৈ নিবিচাৰে। কিয়নো তাই যদি কুঁৱৰী হ'বলৈ মন মেলে অথবা ৰজাই কাৰেঙৰ লিগিৰী এজনীক

বিয়া কৰাই তেতিয়া প্ৰজাসকল অসন্তুষ্ট হোৱাৰ লগতে ডাঙৰীয়াসকলে কোঁৱৰক ৰজা ভাঙিব। আনকি সুন্দৰ কোঁৱৰক মাৰি পেলাবও পাৰে। শেৱালিৰ দৃষ্টিত পূৰ্ণিমাৰ জোনটো চাবলৈ যিমান ভাল, পাবলৈ সিমান টান। সেয়ে শেৱালিয়ে কোঁৱৰৰ অহিত হোৱাৰ আশংকাত নিজেই পাহাৰৰ জুৰিলৈ গৈ জাপ দি আত্মহত্যা কৰে। শেৱালিৰ এই কাৰ্যত সুন্দৰ কোঁৱৰে মৰ্মান্তিক আঘাত পালে আৰু মূৰ্চ্ছা গ'ল। নিজৰ চেতনা ঘূৰাই অহাৰ পাছত সুন্দৰ কোঁৱৰৰ মনৰ দুৱাৰ মুকলি হৈ ক'লে—

'বুজালি-শেৱালি মোক বুজালি। জীৱনৰে বুজালি, মৰণেৰে বুজালি মোৰ জীৱন যজ্ঞত তোৰ জীৱন আহুতি দিলি। তিৰোতাৰ অন্তৰৰ গুপুত সৌন্দৰ্যৰ নিৰ্জন খনি পোহৰাই জ্বলি থকা তিৰোতাৰ হীৰাতো শুভ্ৰ ভাল পোৱাৰ সন্ধেদ মোক কৈ গ'লি।' (গোহাঁই ,হীৰেণ (সম্পা.) ঃ জ্যোতিপ্ৰসাদ ৰচনাৱলী, পৃ ঃ ৯৮)

**কাৰেঙৰ লিগিৰী' নাটকৰ চৰিত্ৰ ঃ**

জ্যোতিপ্ৰসাদ আগৰৱালাৰ দ্বাৰা ৰচিত দ্বিতীয়খন নাটক কাৰেঙৰ লিগিৰী নাট্যগুণধৰ্মিতা আৰু চৰিত্ৰৰ বৈচিত্ৰতাৰ বাবে শ্ৰেষ্ঠ নাটক বুলি সমালোচকসকলে মন্তব্য আগবঢ়াইছে। চৰিত্ৰসমূহৰ বৈপৰীত্যজনিত দ্বন্দ্বই নাটকখনৰ সৌন্দৰ্যত দুগুণ বৃদ্ধি কৰাইছে। নাটকখনৰ প্ৰতিটো চৰিত্ৰই স্বকীয় বৈশিষ্ট্যপূৰ্ণ। নাটকখনৰ পুৰুষ চৰিত্ৰসমূহ হৈছে—সুন্দৰ কোঁৱৰ, সুদৰ্শন, অনঙ্গৰাম, বপুৰা আৰু নাৰী চৰিত্ৰসমূহ হৈছে—ৰাজমাও, কাঞ্চনমতী, শেৱালি, ৰেৱতী, সেউজী, বুঢ়াগোহাঁয়নী, ৰুণুক, জুনুক, ঠুনুক।

**সুন্দৰ কোঁৱৰ ঃ** সুন্দৰ কোঁৱৰ হৈছে কাৰেঙৰ লিগিৰী নাটকখনৰ মুখ্য চৰিত্ৰ। তেওঁ হৈছে প্ৰাচীন সামন্ত সমাজৰ এগৰাকী প্ৰতিনিধি। কিন্তু পূৰ্ব প্ৰচলিত ৰীতি-নীতি ভবিৰে মোহাৰি নতুন চিন্তাৰে তেওঁ সমাজখন আগুৱাই লৈ যাব বিচাৰে। আনফালে আভিজাত্যৰ ভেমত বন্দী হৈ ক্ষমতাৰ অবাধ প্ৰয়োগ কৰাতো তেওঁ বদ্ধপৰিকৰ। দৰাচলতে সুন্দৰ কোঁৱৰ চৰিত্ৰটো অত্যধিক আবেগপ্ৰৱণ আৰু মানসিক ভাৰসাম্যহীন হিচাপে দেখা যায়। গোটেই নাটকখনত সুন্দৰ কোঁৱৰক কেন্দ্ৰ কৰিয়েই সংঘাতৰ সৃষ্টি হৈছে। নাটকখনৰ আৰম্ভণিতে সুন্দৰ কোঁৱৰক নাৰী বিদ্বেষী হিচাপে দেখুওৱা হৈছে। নাৰীৰ প্ৰতি তীব্ৰ বিদ্বেষ প্ৰকাশ কৰি কৈছে -

'বিয়াৰ ৰভাৰ তলেদি অগ্নিক সাক্ষী কৰি কন্যাৰ আঁচলৰ গাঁঠিতহে যদি মোৰ ৰাজমুকুট আহিবৰ বাট, তেন্তে সি দূৰতে থাওক। সম্বন্ধ নথকা কথাৰে বিশেষ



সম্বন্ধ পাতি তাক অছেদ- অভেদ বুলি দেখুৱাবপৰা অলীকপ্ৰিয় তিৰোতাৰ ইও এটা ওজা কাৰিকৰী।"(উল্লিখিত গ্ৰন্থ , পৃঃ ৫৮)

অৱশ্যে পৰৱৰ্তী পৰ্যায়ত তেওঁ নাৰীৰ প্ৰতি সমমৰ্মিতা প্ৰকাশ কৰিছে। সুন্দৰ কোঁৱৰ নাৰী বিদ্বেষী হোৱাৰ মূলতো শাস্ত্ৰ অধ্যয়নৰ জৰিয়তে লাভ কৰা জ্ঞানৰ কথাকে ক'ব বিচাৰিছে। সুন্দৰে বন্ধু সুদৰ্শনক কৈছে

"তিৰোতা আৰু খোঁচৰা ব্যাধি একে বস্তু। তাৰ এবাৰ সংস্পৰ্শত আহিলে সি তোমাক জুৰি ল'ব। সেইকাৰণে মুক্তি আৰু শান্তিকামী ঋষি-মুনিসকলে আমাৰ ধৰ্মৰ বহু শাস্ত্ৰই কামিনীকাঞ্চন ত্যাগ কৰি তাক দূৰতে বিদূৰ কৰিবলৈ কৈছে।" (উল্লিখিত গ্ৰন্থ, পৃঃ ৫৮)

ৰাজমাওৰ আকাংক্ষা হৈছে পিতৃয়ে দখল আৰু ভোগ কৰি থকা ৰাজকীয় ক্ষমতা আৰু দায়িত্ব বহন কৰি সুন্দৰে বংশগত মৰ্যাদা ৰক্ষা কৰিব লাগে। কিন্তু সুন্দৰে ইয়াৰ বিৰোধিতা কৰি কৈছে—

"তুমিও মোৰ যেনে মাও, ময়ো তোমাৰ তেনে সন্তান। তুমিও নেৰা, ময়ো নেৰো। তুমি আৰু মোক আমনি নকৰিবা। মোক বিবাহৰ কাৰণে এনেকৈ আমনি কৰিলে মই কাৰেং, ৰাজ্য এৰি গুচি যাম। বিয়া সুন্দৰে নকৰায়। (উল্লিখিত গ্ৰন্থ, পৃঃ ৫৯)

সুন্দৰ কোঁৱৰ আৰু ৰাজমাও দুয়ো নিজৰ স্থিতিত অটল থকা বাবে তেওঁলোকৰ ব্যক্তিকেন্দ্ৰিক আৰু বিপৰীতমুখী মানসিকতাৰ দ্বন্দ্বত শেৱালি, কাঞ্চনমতী আৰু অনংগৰ দৰে সহজ-সৰল আৰু নিৰ্জু প্ৰকৃতিৰ লোকসকলৰ জীৱন বিপন্ন হৈ পৰিছে।

সুন্দৰ কোঁৱৰ চৰিত্ৰটোত জাত্যাভিমান দেখিবলৈ পোৱা যায়। সুন্দৰ কোঁৱৰে নাটখনৰ এঠাইত শতাব্দী ধৰি গোট খাই থকা সমাজৰ আৱৰ্জনা ধুই সমাজক নিৰ্মল আৰু পবিত্ৰ কৰিবলৈ প্ৰলয়ৰ আহ্বান জনাইছে যদিও তেওঁৰ চাৰিত্ৰিক কাৰ্যত জাত্যাভিমানৰ ছবি ফুটাই তুলিছে। বন্ধু সুদৰ্শনে লিগিৰী শেৱালিৰ মনৰ বতৰা কোঁৱৰৰ আগত ব্যক্ত কৰাত সুন্দৰ কোঁৱৰে জাঙুৰ খাই উঠি কৈছে—

"লিগিৰী এজনীৰ ইমান স্পৰ্ধা। কেনেকৈ? কেনেকৈ?" (উল্লিখিত গ্ৰন্থ, পৃঃ ৭৯)

আনকি ৰাজমাৱে শেৱালিৰ সৈতে সুন্দৰ কোঁৱৰৰ গোপন প্ৰণয়ৰ কথা শুনিছে বুলি কোৱাত কোঁৱৰে অভিমান কৰি কৈছে—

"সেইবোৰ কথাত তুমি বিশ্বাস নকৰিবা আই। ৰজাৰ কোঁৱৰে লিগিৰীক সিমান ওখ শাৰীলৈ নোতোলে।" (উল্লিখিত গ্ৰন্থ, পৃঃ ৭৮)

নাটখনত তেওঁ সামন্তযুগীয়া একনায়কত্ববাদৰ গৰ্হিত মনোবৃত্তি প্ৰদৰ্শন কৰিবলৈ নাপাহৰিলে যাৰ বাবে অনংগৰাম আৰু কাঞ্চনমতীক বালিভোজ খোৱাৰ ছলেৰে কাজিৰঙালৈ মাতি নি নিৰ্বাসন দিলে। সুন্দৰ কোঁৱৰৰ এই জাত্যাভিমান নাটখনৰ শেষলৈকে বৰ্তি নাথাকিল। স্ব-বিৰোধিতা বা বৈপৰীত্যৰ দোষত আক্ৰান্ত হৈ চৰিত্ৰটিয়ে বিয়োগাত্মক স্বৰূপ লাভ কৰিছে বুলি সমালোচনা হৈছে।

সুন্দৰ কোঁৱৰে নাটখনৰ এফালে নাৰীৰ প্ৰতি চৰম ঘৃণা প্ৰকাশ কৰি শেৱালিক কৰ্কশ কথা শুনাইছে যদিও আনফালে শেৱালিৰ প্ৰতি আনুগত্য প্ৰকাশ কৰিছে। শেৱালিৰ বাবে সুন্দৰে কাঞ্চনমতীক নিৰ্বাসন দিয়া বুলি ওলোৱা ভুৱা কথাৰ ভিত্তিত ৰাজমাওৰে শেৱালিক ৰাজকাৰেঙৰ পৰা আঁতৰাব খোজাত সুন্দৰ কোঁৱৰে কৈছে—

"এতিয়া শেৱালিৰ গাতহে জগৰ লাগিলগৈ। মিছাকৈয়ে নিৰপৰাধী ছোৱালীজনীক এনে অত্যাচাৰ কৰিছে।" (উল্লিখিত গ্ৰন্থ, পৃঃ ৮৪)

আনকি শেৱালি ৰাজকাৰেঙত নাই বুলি গম পোৱাত কোঁৱৰে ৰাজমাওক প্ৰতিবাদ কৰি কৈছে—

"শেৱালিক যদি লুকুৱাই থৈছা উলিয়াই দিয়া। খেদাই দিয়া যদি ওভোতাই আনা। নিৰ্বাসিত কৰিছা যদি সেই আজ্ঞা ৰদ কৰা। অংগক্ষত কৰিছা যদি অংগ দি আনা।" (উল্লিখিত গ্ৰন্থ, পৃঃ ৮৫)

জীৱনৰ প্ৰকৃত সত্য আৰু সৌন্দৰ্যৰ আৱিষ্কাৰ সুন্দৰ কোঁৱৰ চৰিত্ৰটোত দেখা যায়। আভিজাত্যৰ ভেমত মহীয়ান সুন্দৰ কোঁৱৰ বাস্তৱ জগতৰ পৰা বহু নিলগত। সেয়ে কোঁৱৰে শেৱালিৰ দৰে তিৰোতাৰ হৃদয়ৰ মহত্ব উপলব্ধি কৰিবলৈ অক্ষম। নাৰী-পুৰুষৰ প্ৰেমৰ মহীয়ান ৰূপ তেওঁ নাটখনৰ শেষ ভাগতহে শেৱালিৰ মৃত্যুৰ মাজেৰে দেখিবলৈ সক্ষম হৈছে। সেয়ে সুন্দৰ কোঁৱৰে কৈছে—

"....বুজালি শেৱালি মোক বুজালি। জীৱনেৰে বুজালি, মৰণেৰে বুজালি মোৰ জীৱন যজ্ঞত তোৰ জীৱন আহুতি দিলি। তিৰোতাৰ অন্তৰৰ গুপুত সৌন্দৰ্যৰ নিৰ্জন খনি পোহৰাই জ্বলি থকা তিৰোতাৰ হীৰাতো শুভ্ৰ ভালপোৱাৰ সম্ভেদ মোক কৈ গ'লি।" (উল্লিখিত গ্ৰন্থ, পৃঃ ৯৮)

সেয়ে সুন্দৰ কোঁৱৰ চৰিত্ৰটো এটা আদৰ্শাত্মক চৰিত্ৰ হিচাপে ৰূপায়িত নহ'লেও চৰিত্ৰৰ বৈচিত্ৰ্যময়তাৰ মাজেৰে নাট্যকাৰে একাধিক গুৰুত্বপূৰ্ণ বক্তব্যৰ সূচনা কৰিবলৈ সক্ষম হৈছে।



**অনংগৰাম ঃ** অনংগৰাম হৈছে সুন্দৰ কোঁৱৰৰ ৰাজ্যৰ মন্ত্ৰীৰ পুতেক তথা সুন্দৰ কোঁৱৰৰ বন্ধু। অনংগ সমাজৰ পৰম্পৰাগত ৰীতি-নীতি মানি চলা ব্যক্তি। যৌৱনৰ ভৰপক সময়ত অনংগই কাঞ্চনমতীৰ প্ৰতি সহজাত দুৰ্বলতা অনুভৱ কৰি প্ৰেম নিবেদন কৰিছে। কিন্তু কাঞ্চনমতীৰ সুন্দৰ কোঁৱৰৰ সৈতে বিয়াৰ যো-জা চলোৱাত কাঞ্চনমতীয়ে হৃদয়ৰ প্ৰয়োজনীয়তা অস্বীকাৰ কৰি সমাজৰ ইচ্ছাৰ প্ৰতিহে আস্থা স্থাপন কৰে। অনংগও সামাজিক বান্ধোনেৰে বন্দী চৰিত্ৰ বাবে নিজৰ প্ৰেম-ভালপোৱাৰ কথা বন্ধু সুন্দৰ কোঁৱৰৰ আগত প্ৰকাশ কৰিব নোৱাৰিলে। কাঞ্চনমতীৰ প্ৰতি তেওঁৰ অন্তৰত থকা গভীৰ প্ৰেমৰ উত্তাপ হৃদয়তে বহন কৰি ক্ষান্ত থাকিবলগীয়া হ'ল।

বিবাহ কাৰ্য সম্পন্ন হোৱাৰ পাছত সুন্দৰে কথাবোৰ জানি অনংগক পূৰ্বৰ প্ৰেমিকাৰ সৈতে মিলন ঘটাবলৈ বিচৰাত অনংগই সমাজৰ দোহাই দি কৈছে—

"সুন্দৰ, সমাজ তোমাক নালাগিব পাৰে, কিন্তু মোক লাগে। পুৱাৰ পৰা গধূলিলৈকে, জন্মৰ পৰা মৃত্যুলৈকে আমাৰ সমাজৰ সৈতে সম্বন্ধ।" (উল্লিখত গ্ৰন্থ, পৃঃ ৭৫)

বন্ধুৰ সুখৰ বাবে অনংগই সকলো ত্যাগ কৰিবলৈ সাজু। সুন্দৰে কাঞ্চনমতী আৰু অনংগক অভিযুক্ত কৰাৰ সময়তে অনংগই কৈছে—

"মই তোমালাকৰ জীৱনৰ পৰা একেবাৰে আঁতৰি যাম। তেতিয়াহ'লে মই কাঞ্চন কুঁৱৰীৰ মনৰ পৰাও নাইকিয়া হ'ম।" (উল্লিখিত গ্ৰন্থ, পৃঃ ৭৪)

কিন্তু সুন্দৰে একো কথা নুশুনি অনংগ আৰু কাঞ্চনমতীক বালিভোজ খোৱাৰ চলেৰে নি দুয়োকে নিৰ্বাসন দিছে।

অনংগ চৰিত্ৰটোৰ মাজেৰে নৈতিক সাহসিকতাৰ নিদৰ্শন পোৱা যায়। সমাজত দেখা পোৱা অন্যায়, অবিচাৰৰ বিৰুদ্ধে তেওঁ সদায় সৰৱ। সুন্দৰ কোঁৱৰৰ অবিবেচনাৰ বলি হোৱাৰ সময়ত অনংগই সেয়ে প্ৰতিবাদ কৰি কৈছে—

"সুন্দৰ, সুন্দৰ। বন্ধু হৈ বন্ধুক নুবুজিলা। পণ্ডিত হৈ যুক্তি নুশুনিলা। হৃদয়বান হৈ আনৰ কলিজাৰ তেজেৰে ফাকু খেলিলা... যি ৰথৰ বাঘজৰী ধৰি তুমি নিৰ্মম ভাবেৰে আমাৰ ওপৰেদি ৰথ চলাই লোহাৰ চকৰিৰে আমাক নিষ্পেষিত কৰি গ'লা, এদিন তুমিও নিজেই তোমাৰ এই নিজৰ ৰথৰে চকাৰ তলত পৰি নিষ্পেষিত হ'বা।" (উল্লিখিত গ্ৰন্থ, পৃঃ ৭৭)

**সুদৰ্শন ঃ** সুদৰ্শন হৈছে সুন্দৰ কোঁৱৰৰ অন্তৰংগ বন্ধু। সুন্দৰ কোঁৱৰৰ প্ৰতিটো সুখ-দুখৰ তেওঁ সমভাগী। সুন্দৰ কোঁৱৰে বিয়া কৰিবলৈ অমান্তি হোৱাত ৰাজমাওৰ দৰে সুদৰ্শনেও নানা যুক্তিৰে বুজাই সৈমান কৰাবলৈ সক্ষম হৈছে। অৱশ্যে নাট্যকাহিনীৰ বিকাশত সুদৰ্শনৰ তেনে কোনো বিশেষ ভূমিকা নাই।

**ৰাজমাও ঃ** ৰাজমাও হৈছে সুন্দৰ কোঁৱৰৰ মাতৃ আৰু ৰাজক্ষমতাত বলীয়ান এগৰাকী নাৰী। ৰাজমাও চৰিত্ৰটোত মাতৃসুলভ কোমলতাৰ বিপৰীতে আহোম স্বৰ্গদেউসকলৰ তথাকথিত ৰাজমাওৰ দাম্ভিকতা আৰু প্ৰশাসনীয় প্ৰভুত্ব দেখিবলৈ পোৱা যায়। আন মাতৃৰ দৰে ৰাজমাওৱেও উপযুক্ত বয়সত নিজৰ পুত্ৰৰ বিয়া পাতিবলৈ উঠি-পৰি লাগিছে আৰু মান-মৰ্যাদা অটুট ৰখাৰ স্বাৰ্থত সুন্দৰৰ চিন্তা-ভাবনাক গুৰুত্ব নিদি বুঢ়াগোহাঁইৰ জীয়েক কাঞ্চনমতীৰ সৈতে বিয়াৰ সিদ্ধান্ত লৈছে। কাৰেঙৰ লিগিৰী শেৱালিৰ সৈতে সুন্দৰ কোঁৱৰৰ অবৈধ সম্পৰ্ক চলি থকা বুলি মিছা অভিযোগ পোৱাৰ পাছত ৰাজমাওৱে ব্যক্তিস্বাৰ্থক প্ৰাধান্য দি লিগিৰী শেৱালিক দোষাৰোপ কৰাৰ লগতে মৃত্যুদণ্ড দিবলৈও কুণ্ঠাবোধ কৰা নাই। ব্যক্তিগত দিশেৰে ৰাজমাও চৰিত্ৰত চাৰিত্ৰিক দুৰ্বলতা থাকিলেও নাটকীয় দৃষ্টিৰে ৰাজমাও চৰিত্ৰটো ক্ষমতাৰ দম্ভেৰে দাম্ভিক এটি বলিষ্ঠ নাৰী চৰিত্ৰ। নাটকীয় কাহিনীৰ সংঘাতত এই চৰিত্ৰটোৰ যথেষ্ট ভূমিকা আছে।

**কাঞ্চনমতী ঃ** কাঞ্চনমতী হৈছে বুঢ়াগোহাঁইৰ জীয়েক তথা ভাৰতীয় তথাকথিত আদৰ্শ নাৰীৰ প্ৰতিনিধি চৰিত্ৰ। নাট্যকাৰে চৰিত্ৰটোত পৰম্পৰাগত নাৰী আৰু পৰম্পৰাৰ বিৰুদ্ধাচৰণ কৰিব পৰা প্ৰতিবাদমুখৰ নাৰীৰ সু-সমন্বয় ঘটাইছে। কাঞ্চনমতীয়ে ব্যক্তিক স্বাধীনতাতকৈ সামাজিক মূল্যবোধক আগস্থান দিয়ে। সেয়ে অনংগৰ আগত নিজৰ প্ৰেম নিবেদন কৰিব পাৰে কিন্তু বিয়াৰ বেলিকা পিতৃ-মাতৃৰ অবাটে যাব নোৱাৰে। অনংগই কাঞ্চনমতীক বিবাহত অসন্মতি প্ৰকাশ কৰিবলৈ কোৱাত কাঞ্চনমতীয়ে কৈছে ঃ

"সমাজৰ নিয়ম যে, মাক-বাপেকীয়ে নিজ ইচ্ছাৰে যাক দিব জীয়েকে কোনো প্ৰতিবাদ নকৰাকৈয়ে তাঁলৈকে যাব লাগিব। পিতা-মাতাৰ ইচ্ছাৰ বিৰুদ্ধে বিয়া হোৱাতকৈ সমাজৰ নিয়মৰ বিৰুদ্ধে বিয়া হোৱা হ'ল।" (উল্লিখিত গ্ৰন্থ, পৃঃ ৬৫)

কাঞ্চনমতী নিজৰ কথা-বতৰাত অতিশয় স্পষ্টবাদী। সুন্দৰৰ আগত নিজেই অনংগৰ সৈতে থকা পূৰ্ব প্ৰণয়ৰ কথা ব্যক্ত কৰি স্পষ্টবাদিতাৰ প্ৰমাণ দিছে। আনকি সুন্দৰৰ সৈতে হোৱা যুক্তিমূলক কথা-বতৰাৰ যোগেদি যুক্তিবাদী আধুনিক নাৰীমনৰ



প্ৰমাণ পোৱা গৈছে। সুন্দৰে কাঞ্চন আৰু অনংগৰ পূৰ্ব প্ৰণয়নৰ কথা জানি কাঞ্চনক সুধিছিল—'বিবাহ আৰু ভাল পোৱাৰ পাৰ্থক্য কি?' তেতিয়া কাঞ্চনমতীয়ে কৈছে—

"বিবাহৰ দ্বাৰাই শাৰীৰিক সম্বন্ধ ঘটে আৰু মানসিক সম্বন্ধ হ'বই লাগিব বুলি সমাজে ধৰি লয়, নিৰ্দেশ কৰে। ভাল পোৱা মানসিক সম্বন্ধ, শাৰীৰিক সম্বন্ধ তাৰ উদ্দেশ্য নহ'বও পাৰে।" (উল্লিখিত গ্ৰন্থ, পৃঃ ৬৯ )

কাঞ্চনমতীৰ এই উক্তিয়ে মানুহৰ জীৱনৰ আভ্যন্তৰ জগতৰ মনঃস্তাত্বিক সত্য এটা প্ৰকাশ কৰি দিছে। তদুপৰি কাঞ্চনমতীয়ে সুন্দৰৰ সৈতে হোৱা যুক্তিপূৰ্ণ কথা-বতৰাৰ যোগেদি সমাজ নিয়ন্ত্ৰিত নাৰী মনৰ গোপন সত্য কিছুমান প্ৰকাশ কৰিবলৈ সক্ষম হৈছে। ইয়ে কাঞ্চনমতীক আধুনিক বিপ্লৱী চেতনাসমৃদ্ধ নাৰীলৈ পৰ্যবসিত কৰিছে যদিও কাঞ্চনমতী সম্পূৰ্ণৰূপে স্বাধীনমনা মুক্ত নাৰী হ'ব নোৱাৰিলে। সুন্দৰ কোঁৱৰে বালিভোজ খোৱাৰ ছলেৰে কাজিৰঙাৰ গভীৰ অৰণ্যলৈ লৈ গৈ কাঞ্চনমতী আৰু অনংগৰামক নিৰ্বাসন দিয়াত কাঞ্চনমতীয়ে স্বাধীনমনা হৈ জীয়াই থাকিব নোৱাৰিলে। শোক-অপমানত জৰ্জৰিত হৈ বিহ খাই আত্মহত্যা কৰি পৰম্পৰাগত নাৰীৰ ভূমিকাহে পালন কৰিলে।

**শেৱালি ঃ** শেৱালি হৈছে সহজ-সৰল স্বভাৱৰ সুন্দৰ কোঁৱৰৰ এজনী হাতধৰী লিগিৰী। শেৱালি প্ৰকৃতাৰ্থত শৰতৰ এপাহি তলসৰা শেৱালি ফুলৰ দৰে কোমল আৰু সুৰভিত। শেৱালিয়ে তাইৰ স্থান আৰু মৰ্যাদাৰ বিষয়ে ভালদৰে জানে। সেয়ে পূৰ্ণিমাৰ জোনটো পাব নোৱৰাৰ দৰে তাই সুন্দৰ কোঁৱৰক পাবলৈ কেতিয়াও আকাংক্ষা নকৰে। কিন্তু বাধাহীন মনৰ গতিক বাধা দিব নোৱৰাৰ বাবে তাই সুন্দৰ কোঁৱৰক ভাল পাই যদিও পাবলৈ হাবিয়াস নকৰে। সেয়ে সুন্দৰ কোঁৱৰে শেৱালিক ভাল পাই নে বুলি সোধাত স্বাভাৱিকভাৱে ভালপোৱাৰ স্বীকাৰোক্তি দিছে। কিন্তু সুন্দৰে ৰাজকীয় ভেম দেখুৱাই শেৱালিৰ প্ৰেমক উপহাস কৰিছে। শেৱালি কাৰেঙৰ লিগিৰী হোৱা হেতুকে সুন্দৰ কোঁৱৰক ভালপোৱা এক অক্ষমণীয় অপৰাধ। সুন্দৰৰ শোৱাকক্ষত শেৱালিয়ে গুণগুণাই থকা শুনি বপুৰাই মিছাকৈ সুন্দৰ আৰু শেৱালিৰ প্ৰণয় আছে বুলি প্ৰচাৰ কৰাত শেৱালিয়ে ক্ষোভ উজাৰি কৈছে—

"মইনো আৰু কেতিয়া কোঁৱৰক লিপিত খুৱাই মেখেলা পিন্ধি ফুৰিছিলোঁ। কোঁৱৰক হেনো মই কিবা আহুদি কৰিলো। ..... এনেকৈ কৰিলে কেনেকৈ থাকিবি, মই সেউজী ক'ৰবাত পানীত পৰি..." (উল্লিখিত গ্ৰন্থ, পৃঃ ৬৮)

ৰাজমাওৰ মনতো শেৱালি সম্পৰ্কে যি ভ্ৰান্ত ধাৰণাৰ উদ্ভৱ হৈছে তাৰ ফলতে শেৱালিৰ জীৱনলৈ অমানিশা নামি আহিছে। চাউদাঙৰ হতুৱাই শেৱালিক

হত্যা কৰাৰ বাবে ৰাজমাওৰে উপহাস কৰিছে যদিও আনফালে শেৱালিক বিচাৰি হাহাকাৰ কৰিছে। নগাপাহাৰত নিৰ্বাসিতা শেৱালিক কোঁৱৰে বিচাৰি পাই ৰাজকাৰেঙৰ কুঁৱৰী কৰিবলৈ আগবাঢ়িছে। কিন্তু শেৱালিয়ে কেতিয়াও কুঁৱৰী হ'ব খোজা নাই। তাইৰ দৰে সাধাৰণ লিগিৰী এজনীক যদি কোঁৱৰে বিয়া কৰাই তেন্তে কোঁৱৰৰ অমংগল হ'ব। সেয়ে তাই ৰুণুকক কৈছে—

'ৰজাৰ ন'ৰাই মোক কুঁৱৰী পাতিলে ৰজাৰ ডাঙৰীয়াসকলে কোঁৱৰক ৰজা ভাঙিব। আৰু মৰোৱাই পেলাব পাৰে বুজিছ।" ( উল্লিখিত গ্ৰন্থ, পৃঃ ৯৪ )

সেইবাবে শেৱালিয়ে কোঁৱৰৰ অহিত হোৱাৰ ভয়ত নিজেই নদীত জাপ দি আত্মহত্যা কৰিছে। নিঃস্বাৰ্থ ভালপোৱাৰ চূড়ান্ত নিৰ্দৰ্শন দাঙি ধৰি শেৱালিয়ে সুন্দৰ কোঁৱৰৰ মনৰ দুৱাৰ মুকলি কৰি দিলে। সুন্দৰ কোঁৱৰৰ সকলো মানসিক দ্বন্দ্বৰ পৰিসমাপ্তি ঘটিল।

কাৰেঙৰ লিগিৰী নাটকৰ ৰেৱতী আৰু সেউতী হৈছে কাৰেঙৰ দুগৰাকী লিগিৰী। ৰেৱতী ঈৰ্ষাপৰায়ণ হোৱাৰ বিপৰীতে সেউজী অতিশয় মৰমিয়াল স্বভাৱৰ। ৰুনুক,জুনুক আৰু থুনুক হৈছে তিনিজনী পাহাৰীয়া ছোৱালী । সেইদৰে বপুৰা চৰিত্ৰটোৱে নাটকখনত হাস্যৰসৰ সৃষ্টি কৰাৰ সমান্তৰালভাৱে নাট্য কাহিনীৰ বিকাশতো অগ্ৰণী ভূমিকা লৈছে।

**'কাৰেঙৰ লিগিৰী' নাটকত আন নাটৰ প্ৰভাৱ ঃ**

জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'কাৰেঙৰ লিগিৰী' নাটকখনত প্ৰাচ্য আৰু পাশ্চাত্যৰ বিভিন্ন নাট্যধাৰাৰ প্ৰভাৱ দেখা পোৱা যায়। বিদেশত থকা কালছোৱাত পাশ্চাত্যৰ বিভিন্ন নাট্যধাৰাৰ সৈতে তেওঁৰ পৰিচয় ঘটে। জ্যোতিপ্ৰসাদ আগৰৱালাই সেইবোৰৰ দ্বাৰা অনুপ্ৰাণিত হৈ স্বৰচিত নাটসমূহত তাৰ সফল প্ৰয়োগ কৰে। তেখেতৰ 'কাৰেঙৰ লিগিৰী' নাটখনত কোনো নাট্যকাৰৰেই পোনপটীয়া প্ৰভাৱ দেখা পোৱা নাযায়। সমলোচক প্ৰহ্লাদ কুমাৰ বৰুৱাৰ ভাষাত—

"শ্বেক্সপীয়েৰ, বাৰ্ণাৰ্ড শ্ব, হেনৰিক ইবচেন আদি বিশ্ববৰেণ্য নাট্যকাৰসকলৰ নাটকৰ পঠন পাঠনৰ পৰা আৰ্জিত অভিজ্ঞতাই কাৰেঙৰ লিগিৰী নাটকৰ জ্যোতিপ্ৰসাদক প্ৰভাৱান্বিত কৰাতকৈও অনুপ্ৰাণিত কৰিছে বুলি ক'ব লাগিব। সংক্ষেপতে ক'বলৈ গ'লে কাৰেঙৰ লিগিৰীত শ্বেক্সপীয়েৰীয়ান ট্ৰেজেডিৰ কৰুণ ৰসানুভূতিৰ আবেদন, হেনৰিক ইবচেনৰ বৈপ্লৱিক উম্মা বা প্ৰেৰণা আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ 'জয়মতী কুঁৱৰী' নাটকৰ ৰোমাণ্টিক আবেদন, এই তিনিওটাই মিশ্ৰিত ৰূপত আত্মপ্ৰকাশ কৰিছে।" (বৰুৱা, প্ৰহ্লাদ কুমাৰ ঃ জ্যোতি মনীষা, পৃঃ ৫১)



পূৰ্বসুৰী নাট্যকাৰসকলৰ দৰে শ্বেক্সপীয়েৰেও 'কাৰেঙৰ লিগিৰী' নাটকৰ বিষয়বস্তু পাঁচটা অংকবিশিষ্ট কৰি তাত একাধিক দৃশ্যৰ অবতাৰণা কৰিছে। শ্বেক্সপীয়েৰৰ দৰে কাৰেঙৰ লিগিৰী নাটকৰ বিষয়বস্তুও সামন্ত যুগৰ পৰা লোৱা হৈছে আৰু নায়কক সম্ভ্ৰান্ত বংশৰ ৰূপত চিত্ৰিত কৰিছে। শ্বেক্সপীয়েৰৰ আন নাটৰ দৰে 'কাৰেঙৰ লিগিৰী'তো নায়ক সুন্দৰ কোঁৱৰৰ মুখেদি ৰাজকীয় সমাজখনৰ মানসিকতা চিত্ৰিত কৰাৰ লগতে এইবোৰৰ লগত সুন্দৰ কোঁৱৰৰ দ্বন্দ্বৰ সূত্ৰপাত ঘটোৱা হৈছে। সুন্দৰ কোঁৱৰে নাটকখনত প্ৰতিটো কথা দাৰ্শনিকৰ দৰে বিচাৰ কৰিবলৈ কৰা চেষ্টা শ্বেক্সপীয়েৰৰ হেমলেটৰ অনুৰূপ। নাটকৰ কৰুণ দৃশ্যৰ মাজত সাময়িক ৰসানুভূতি সৃষ্টিৰ উদ্দেশ্যে শ্বেক্সপীয়েৰৰ দৰে 'কাৰেঙৰ লিগিৰী' নাটকতো বহুৱা বপুৰাৰ চৰিত্ৰ অংকন কৰিছে। অৱশ্যে শ্বেক্সপীয়েৰৰ ট্ৰেজেডি নাটকৰ নায়কৰ কৰুণ মৃত্যু হোৱাৰ বিপৰীতে 'কাৰেঙৰ লিগিৰী' নাটকত নায়কৰ জীৱিত অৱস্থাতে কাহিনীৰ পৰিসমাপ্তি ঘটিছে। বাস্তৱধৰ্মী, সামাজিক সমস্যামূলক আৰু সৃষ্টিশীল নাটক ৰচনাৰে নাট্য সাহিত্যত আলোড়নৰ সৃষ্টি কৰা ইবছেনৰ নাটত সমাজ বাস্তৱতাৰ ছবি চিত্ৰিত হোৱাৰ দৰে 'কাৰেঙৰ লিগিৰী' নাটতো সমাজ বাস্তৱতাৰ ছবি চিত্ৰিত হৈছে। শৈলেন ভৰালীদেৱৰ ভাষাত ঃ

"নাট্যকাৰৰ উদ্দেশ্য মধ্যযুগীয়া এটি কাহিনী পৰিৱেশন কৰা নহয় সেই কাহিনীক অৱলম্বন হিচাপে লৈ সমসাময়িক সামাজিক বাস্তৱকতা দাঙি ধৰা।"

(ভৰালী, শৈলেন ঃ জ্যোতিপ্ৰসাদৰ কাৰেঙৰ লিগিৰীৰ নাট্যৰীতি, জ্যোতি অন্বেষণ, পৃ. ৬২)

ইবচেনৰ 'ব্ৰাণ্ড' নাটৰ ব্ৰাণ্ড চৰিত্ৰৰ আত্মকেন্দ্ৰিকতা, আদৰ্শৰ নামত গোড়ামী 'কাৰেঙৰ লিগিৰী'ৰ সুন্দৰ কোঁৱৰ চৰিত্ৰটোৰ ক্ষেত্ৰতো দেখা যায়। সেইদৰে 'হোৱেন উই ডেড ৱেকেন' নামৰ নাটকত ডাঃ ৰুবেকে জীৱনৰ বাস্তৱতাৰ বিপৰীতে গৈ অনুতপ্ত হোৱাৰ দৰে সুন্দৰ কোঁৱৰেও অনুতাপৰ অগ্নিত দগ্ধ হৈছে। 'ডলছ হাউছ' নাটকৰ নোৱাৰ বিপ্লৱী সত্তাৰ ৰেঙণি 'কাৰেঙৰ লিগিৰী'ৰ কাঞ্চনমতী চৰিত্ৰৰ যুক্তিবাদিতা আৰু স্পষ্টতাৰ জৰিয়তে পোৱা যায়।

জ্যোতিপ্ৰসাদ আগৰৱালাই ইবচেনৰ নাটকৰপৰা আৰ্হি গ্ৰহণ নকৰিলেও ইবচেনৰ বৈপ্লৱিক চিন্তাৰ প্ৰতিফলন 'কাৰেঙৰ লিগিৰী'ত দেখা যায়। ইবচেনে সমাজৰ স্থিতিশীল মূল্যবোধৰ বিৰুদ্ধে তীব্ৰ বিৰোধ কৰাৰ দৰে 'কাৰেঙৰ লিগিৰী' নাটকতো পৰম্পৰাগত সামাজিক মূল্যবোধৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰা হৈছে।

লক্ষ্মীনাথ বেজবৰুৱাৰ 'জয়মতী' নাটকৰ কিছু প্ৰভাৱ 'কাৰেঙৰ লিগিৰী' নাটকত দেখিবলৈ পোৱা যায়। 'জয়মতী কুঁৱৰী'ৰ দৰে 'কাৰেঙৰ লিগিৰী' নাটকতো ৰোমান্টিক আৱেশৰ সুৰ এটা অনুৰণিত হোৱা দেখা যায়। গদাপাণি আৰু ডালিমীৰ কথোপকথনৰ দৰে ৰুণুক, জুনুক, থুনুক আৰু অনংগৰ কথোপকথনৰ সুৰ প্ৰায় একে। সেইদৰে নগা পাহাৰৰ দৃশ্যসমূহত দুয়োখন নাটকৰে মিল আছে।

জ্যোতিপ্ৰসাদ আগৰৱালাই দেশী-বিদেশী বিভিন্ন নাটকৰ আলম লৈ 'কাৰেঙৰ লিগিৰী' নাটকখন ৰচনা কৰিলেও নাটখনত তেওঁৰ কবিত্বময় সৃজনী প্ৰতিভাৰ উমানো পোৱা যায়। নাটকখনৰ সামগ্ৰিক সাজ-সজ্জাক অতিশয় নিখুঁত আৰু সাৱলীলভাৱে সজোৱাৰ ফলত এই নাটকে অসমীয়া নাট্যকলাক এক উচ্চমানৰ শিল্পস্তৰলৈ উত্তৰণ ঘটাইছে।

**উপসংহাৰ ঃ**

অসমীয়া নাট্য সাহিত্যৰ সকলো দিশতে আধুনিকতাৰ ৰহণ চৰোৱা নাট্যকাৰগৰাকী হৈছে জ্যোতিপ্ৰসাদ আগৰৱালা। তেখেতৰ নাটকসমূহত মানৱীয় মূল্যবোধ, সমাজ বাস্তৱতা, জীৱন দৰ্শন সুন্দৰ ৰূপত প্ৰতিফলিত হৈছে। তেখেতৰ দ্বিতীয়খন নাটক 'কাৰেঙৰ লিগিৰী'ৰ বিষয়বস্তু প্ৰাচীন সামন্তযুগীয় সমাজ যদিও আধুনিক আৰু ভাৱ-ভংগীৰ ক্ষেত্ৰতো আধুনিকতা দেখা যায়। নাটকখনৰ চৰিত্ৰসমূহৰ মাজত প্ৰতিফলিত দ্বন্দ্ব বা সংঘাতে নাটকীয় কাহিনী বিকাশত যথেষ্ট সহায় কৰিছে। মূঠৰ ওপৰত চৰিত্ৰৰ বৈচিত্ৰ্যতা, নাটকীয় দ্বন্দ্ব, গভীৰ জীৱনবোধ, মঞ্চ নিৰ্দেশনা ইত্যাদি বিভিন্ন দিশৰ পৰা 'কাৰেঙৰ লিগিৰী' নিঃসন্দেহে এক অনুপম সাহিত্যকৃতি।



**সহায়ক গ্ৰন্থপঞ্জী ঃ**


১। কলিতা, মণিৰাম (সম্পা.)। নাট্যালোচনা । গুৱাহাটী ঃ অলিম্পিয়া প্ৰকাশন, ২০১৬। মুদ্ৰিত।

২। গোহাঁই, হীৰেন (সম্পা)। জ্যোতিপ্ৰসাদ ৰচনাৱলী। গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ, ২০২০। মুদ্ৰিত।

৩। ডেকা , নমিতা ; বৰা, লীলাৱতী শইকীয়া । জ্যোতি অন্বেষণ ।গুৱাহাটী ঃ বাণী মন্দিৰ , ২০১০। মুদ্ৰিত ।

৪। দাস, অমল চন্দ্ৰ (সম্পা)। অসমীয়া নাট্য পৰিক্ৰমা। গুৱাহাটী ঃ বনলতা, ফেব্ৰুৱাৰী, ২০১৮। মুদ্ৰিত।

৫। নাথ, চিত্ৰৰঞ্জন (সম্পা)। নাট্যতত্ত্ব আৰু আলোচনা। গুৱাহাটী ঃ পূৰ্বায়ণ প্ৰকাশন, জুলাই, ২০১৮। মুদ্ৰিত।

৬। বৰুৱা, প্ৰহ্লাদ কুমাৰ। জ্যোতি মনীষা। গুৱাহাটী ঃ বনলতা, ডিচেম্বৰ, ২০০৯। মুদ্ৰিত।

৭। বৰুৱা, ভবেন। প্ৰসংগ ঃ জ্যোতিপ্ৰসাদ। গুৱাহাটী ঃ বনলতা, ২০১২। মুদ্ৰিত।

৮। বৰুৱা , সত্যপ্ৰসাদ । নাটক আৰু অভিনয় প্ৰসংগ । গুৱাহাটী ঃ বনলতা; ২০১৬। মুদ্ৰিত ।

৯। ভট্টাচাৰ্য, হৰিশ্চন্দ্ৰ। অসমীয়া নাট্য সাহিত্যৰ জিলিঙণি। গুৱাহাটী ঃ লয়াৰ্ছ বুক ষ্টল, ১৯৭০। মুদ্ৰিত।

১০। মহন্ত , পোনা । নাটকৰ কথা । গুৱাহাটী ঃ বনলতা , ২০০৪। মুদ্ৰিত ।

১১। শৰ্মা, সত্যেন্দ্ৰনাথ। অসমীয়া নাট্য সাহিত্য। গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ, ১৯৯৬। মুদ্ৰিত।

অসমীয়া ভাষা মোৰ চিৰ চেনেহী

অসমীয়া সাহিত্য সন্মিলনী

ISBN : 978-81-930616-8-8

# বৰলুইত

## অসমীয়া সাহিত্য সন্মিলনী গুৱাহাটী অধিৱেশনৰ

## স্মৃতিগ্ৰন্থ, ২০১৯



শিল্পগ্ৰাম (পাঞ্জাবাৰী), গুৱাহাটী

২৯, ৩০ আৰু ৩১ জানুৱাৰী, ২০১৯

# অসমৰ কাঁহ শিল্প

প্ৰতুল ডেকা



লোকশিল্পৰ এটা প্ৰধান বিভাগ হ'ল ধাতু শিল্প। কাঁহ, পিতল, লো, সোণ, ৰূপ ইত্যাদি বিভিন্ন ধাতুৰ পৰা দৈনন্দিন জীৱনত ব্যৱহাৰ্যকৈ নিৰ্মাণ কৰি উলিওৱা সামগ্ৰীবোৰেই হৈছে ধাতু শিল্পৰ অন্তৰ্গত। ধাতুশিল্পক মূল্যবান সম্পদৰূপে গণ্য কৰা হয়। ধাতু শিল্পসমূহক মূলতঃ চাৰিটা ভাগত ভাগ কৰিব পাৰি— কাঁহ শিল্প, পিতল শিল্প, কমাৰ শিল্প, সোণ-ৰূপ শিল্প।

কাঁহেৰে নিৰ্মিত শিল্পই হৈছে কাঁহ শিল্প। কাঁহ শব্দটো সংস্কৃত 'কাংস্য' শব্দৰ পৰা বিকশিত হৈছে। 'কাঁহ' শব্দৰ অভিধানগত অৰ্থ এনে ধৰণৰ— *চন্দ্ৰকান্ত অভিধান* ৰ মতে, "টিন আৰু তাম মিহলাই কৰা এবিধ ধাতু।"[১] তেনেদৰে, ***Collins English Dictionary***ৰ 12th Editionৰ মতে "an alloy of copper and tin, with some zinc and lead, used in casting bells."[২]

কাঁহ স্বতন্ত্ৰ ধাতু নহয়। ৰাং (Tin) আৰু তাম (copper) দুয়োটা ধাতু সংমিশ্ৰণত সৃষ্টি হোৱা ই এবিধ যৌগিক ধাতু। ৰাং আৰু তামৰ অনুপাত সম্পৰ্কে ভিন্ন মত পোৱা যায়। ভূপেন তালুকদাৰৰ প্ৰবন্ধত উল্লিখিত অনুসৰি "উন্নতমানৰ কাঁহ তৈয়াৰ কৰিবলৈ তাম ৮০ ভাগ আৰু ৰাং ২০ ভাগ মিহলাই লোৱা হয়।"[৩] ধ্ৰুৱ কুমাৰ তালুকদাৰৰ গ্ৰন্থত উল্লিখিত অনুসৰি "৬৩ ভাগ তামৰ লগত ৩৭ ভাগ ৰাং মিহলাই কাঁহ প্ৰস্তুত কৰা হয়।"[৪] বৰ্তমান উত্তৰ-পূবৰ একমাত্ৰ কাঁহ তৈয়াৰী কাৰখানাৰ স্বত্বাধিকাৰী তথা বৰপেটা জিলাৰ আমৃখোৱা নিবাসী হৰিপ্ৰসাদ বৰ্মনে উল্লেখ কৰা অনুসৰি ৰাং ৩০ শতাংশ আৰু তাম ৭০ শতাংশ দি উৎকৃষ্ট মানৰ কাঁহ তৈয়াৰ কৰা হয়।"[৫] কাঁহ প্ৰস্তুত সম্পৰ্কে এনে ভিন্ন মত পালেও কঁহাৰসকলৰ পৰা পোৱা মতামত অনুসৰি উৎকৃষ্ট মানদণ্ডৰ কাঁহ প্ৰস্তুত কৰিবলৈ ৭৮ ভাগ তামৰ লগত ২২ ভাগ ৰাং মিহলাই কাঁহ তৈয়াৰ কৰা হয়। দৰাচলতে, নিৰ্মাণ কৰিবলগীয়া সামগ্ৰীটোৰ ওপৰত ভিত্তি কৰি নিৰ্দিষ্ট অনুপাতত মিহলাই কাঁহ তৈয়াৰ কৰি ল'ব পাৰি। বেল, ঘণ্টা আৰু অন্যান্য ডাঠ সামগ্ৰী তৈয়াৰ কৰিবলৈ হ'লে ৰাং ২২ শতাংশ আৰু তাম ৭৮ শতাংশ মিহলাই উৎকৃষ্ট কাঁহ তৈয়াৰ কৰা হয়। কম ডাঠ সামগ্ৰী তৈয়াৰ কৰিবলৈ হ'লে ৰাং ২০ শতাংশ আৰু তাম ৮০ শতাংশ মিহলাই কাঁহ

তৈয়াৰ কৰা হয়।

**কঁাহ প্ৰস্তুত প্ৰণালী ঃ**

কঁাহ তৈয়াৰ কৰা এটা নিৰ্দিষ্ট প্ৰক্ৰিয়া আছে। ইয়াৰ বাবে মুকলি ঠাইত এটা কাৰখানাৰ প্ৰয়োজন হয়। কাৰখানাটোত জুই ধৰিব পৰাকৈ এঙাৰ অথবা কয়লা যোগাৰ কৰি কঁাহ প্ৰস্তুত কৰিবৰ বাবে প্ৰয়োজনীয় ৰাং আৰু তামখিনি গলাবলৈ ডাঙৰ আকৃতিৰ মুহিৰ প্ৰয়োজন। মুহিটো প্ৰথমাৱস্থাত এটা নিৰ্দিষ্ট সাঁচত বহুৱাই লৈ তলত জুই দি তামখিনি গলিবলৈ দিয়া হয়। কিছু সময় উত্তাপ দিয়াৰ পিছত যেতিয়া তামখিনি ৰঙা হৈ পৰে তেতিয়া তাত ৰাংখিনি দিয়া হয়। মুহিৰ আকাৰ অনুযায়ী ৰাং আৰু তাম নিৰ্দিষ্ট অনুপাতত গলাব লাগে। প্ৰায় এঘণ্টামান সময় সম্পূৰ্ণ উত্তাপত ধাতুখিনি গলিবলৈ দিয়া হয়। ৰাং আৰু তামৰ সঠিক পৰিমাণ নিৰ্ণয় কৰিবলৈ প্ৰথমে কিছু কঁাহ মুহিৰ পৰা আনি ঠাণ্ডা হ'লে কোবাই চোৱা হয়। কোবাওঁতে ফাটিলে ৰাঙৰ পৰিমাণ বঢ়াই দি পুনৰ গলাই লোৱা হয় আৰু নেফাটিলে নিৰ্দিষ্ট আকাৰৰ মাটিৰ সাঁচ (আক)বোৰত মিশ্ৰণটো ঢালি ঠাণ্ডা হ'বলৈ দিয়া হয়। সামগ্ৰীসমূহ কিমান ওজনৰ তৈয়াৰ কৰা হ'ব তাৰ ওপৰত ভিত্তি কৰি কৰা সৰু-ডাঙৰ আকবোৰত মিশ্ৰণটো ঠাণ্ডা হ'লে সেয়া একো একোটা টুকুৰা হৈ পৰে আৰু সেই টুকুৰাবোৰেই কঁাহ।

**সমাজ জীৱনত কঁাহৰ সামগ্ৰী ঃ**

কঁাহেৰে নিৰ্মিত সামগ্ৰীৰ সমাজত যথেষ্ট মূল্য আছে আৰু সমাজত তাক মূল্যবান সম্পত্তি হিচাপে গণ্য কৰা হয়। বিয়া-বাহুকে আদি কৰি পূজা-পাৰ্বণ, অন্যান্য ধৰ্মীয় অনুষ্ঠানত ইত্যাদিত ইয়াৰ ব্যৱহাৰ বহুপৰিমাণে অপৰিহাৰ্য। কঁাহেৰে নিৰ্মিত কঁাহী, বাটি, হেতা, টৌ, শৰাই, লোটা, ঘটি, চৰিয়া, কলহ ইত্যাদি সামগ্ৰীবোৰে অসমীয়া ঘৰ এখনত বিশেষ ভূমিকা পালন কৰি আহিছে। ধাতুৰে নিৰ্মিত বাচন-বৰ্তনৰ অধিকাৰী হ'ব পৰাটো প্ৰতিঘৰ মানুহৰ বাবে এটা গৌৰৱৰ বিষয়। বিয়া হোৱা কইনাৰ লগত কলহ, চৰিয়া, লোটা, কঁাহী, বাটি, বটা, শৰাই ইত্যাদি সামগ্ৰীবোৰ প্ৰদান কৰাটো পুৰণিকলীয়া ৰীতি। সেয়েহে, দৰাক আদৰি অনাৰ পিছত কইনাঘৰত আয়তীসকলে গায় ঃ"আলা চাউলৰ নৈবেদ্যখিনি /গৃহস্থৰে কঁাহী / মাত বাপু শহুৰেক / গহই পূজক আহি / চায়নাৰ উপৰে বগলী ঘূৰে / মাইৰে পিতাকে কলহ দান কৰে।।" ইয়ে কইনাজনীৰ ঘৰখনৰ আৰ্থিক অৱস্থাক ফুটাই তোলাৰ লগতে কইনাজনীয়ে শহুৰেকৰ ঘৰখনলৈ অনা সম্পদসমূহৰ মান প্ৰতিফলিত কৰে।

মৃতকৰ শ্ৰাদ্ধত মৃতকৰ অৰ্থে প্ৰয়োজনীয় কঁাহী-বাতি দান দিয়া হয়। "আহোমসকলে মৃতকৰ মৈদামত মৃতকে ব্যৱহাৰ কৰিব বুলি সংস্কাৰেৰে কঁাহী-বাতি থৈ দিছিল।"[৯] ঘৰলৈ নকৈ অহা আলহীক কঁাহৰ কঁাহীত ভাত দিয়া, বটাত তামোল-পাণ আগবঢ়োৱা নিয়ম বৰ্তমানেও চলি আহিছে। কঁাহেৰে নিৰ্মিত বটা আৰু শৰাই সন্মানৰ প্ৰতীক। থাপনাত নৈবেদ্য আগবঢ়াবলৈ; ৰজা, গুৰুজন বা গণ্য-মান্য ব্যক্তিক সন্মান জনাবলৈ শৰাই; বিয়াৰ দিনা দৰা বা কইনাই অভ্যাগতক তামোল-পাণ যাচিবলৈ, দায়-দোষ কৰিলে ৰাইজৰ আগত তামোল-পাণ যাচি ক্ষমা খুজিবলৈ বটাৰ প্ৰচলন সৰ্বজনবিদিত।

বিহু নৃত্যত পৰিৱেশন কৰা তালযোৰ, বিহুৰ জলপান খোৱা কঁাহী-বাটিবোৰ, ভঠেলি উৎসৱৰ পাউৰা তোলা, মৃত ব্যক্তিক শ্মশানলৈ লৈ যাওঁতে পৰিবেশন কৰা আৰু সত্ৰীয়া নৃত্য তথা সত্ৰৰ নাম-প্ৰসংগত ব্যৱহাৰ কৰা ভোৰতালযোৰ কঁাহৰ। বিহু নৃত্যৰ শিল্পীসকলে হুঁচৰি গোৱা শেষ হোৱাৰ পিছত গৃহস্থই যি শৰাই বা বটাত তামোল-পাণ আগবঢ়াই সেৱা লয়, সেয়াও কঁাহৰ।

ক'বলৈ গ'লে অসমীয়া সমাজত মানৱ জীৱনৰ জন্মৰ পৰা মৃত্যুলৈকে উদযাপিত বিভিন্ন উৎসৱ-পাৰ্বণত কঁাহৰ সামগ্ৰীৰ প্ৰয়োগ অপৰিহাৰ্য। শিশু এটা জন্ম পোৱাৰ ছমাহ পিছত পতা "অন্নপ্ৰাসন" অনুষ্ঠানত কঁাহৰ কঁাহী-বাটিত ভাত খুওৱা হয়। আত্মীয়-কুটুম্বইও এই অনুষ্ঠানত কঁাহেৰে নিৰ্মিত সামগ্ৰী প্ৰদান কৰি শিশুটিক মৰম যাচে। সেইদৰে চূড়াকৰণ আৰু উপনয়ন অনুষ্ঠানতো কঁাহৰ বিভিন্ন সামগ্ৰী ব্যৱহাৰ কৰা হয়। বিয়াৰ দিনা দৰা বা কইনাই কঁাহেৰে নিৰ্মিত দাপনী হাতত লৈ থাকে। মৃতকৰ শ্ৰাদ্ধত গৃহস্থই পুৰোহিতক কঁাহৰ সামগ্ৰী দান কৰে।

তেনেদৰে, বিয়াৰ পানী তোলা পৰ্বত চাকিৰে সৈতে শুৱনি হৈ থকা কঁাহীখন, চাউল আৰু কলেৰে সৈতে ডাঙৰ বাটিটো আৰু পানী তুলিবলৈ যোৱা লোটা-কলহ ইত্যাদি সুৱাগ তোলা অনুষ্ঠানৰ শেষত দৰা বা কইনাৰ মাকে বেইৰ কাষত ঘূৰোতে লোৱা কঁাহীখন ইত্যাদি সামগ্ৰীবোৰ কঁাহ আৰু পিতলেৰে। সেইদৰে বিয়াৰ আগদিনা

জোৰণ পিন্ধোৱা পৰ্বত কইনালৈ আগবঢ়োৱা সাজ-পোছাক আৰু আ-অলংকাৰবোৰ বটা অথবা শৰাইত আগবঢ়োৱা হয়। মান ধৰা পৰ্বত দৰা বা কইনাই বটাত কাপোৰ বা আন সামগ্ৰী লৈ জ্যেষ্ঠজনক মান যাচে। ন কইনাই প্ৰথম দৰাঘৰত প্ৰৱেশ কৰা সময়ত দুৱাৰমুখত কাঁহৰ কলহ, লোটা, চৰিয়া ইত্যাদি সামগ্ৰীবোৰ ভৰিৰে চুই ভিতৰত প্ৰৱেশ কৰাৰ নিয়ম প্ৰচলিত। "ইয়াৰ অৰ্থ এয়ে যে কাঁহৰ সামগ্ৰী প্ৰতিপত্তি আৰু সম্ভ্ৰমসূচক, সেইকাৰণেই ইয়াক স্পৰ্শ কৰাৰ ফলত ঘৰখনৰ প্ৰতিপত্তি বৃদ্ধি পোৱাৰ লগতে সম্পত্তিশালী হয়।"[১] বিদ্যালয়, মহাবিদ্যালয় আৰু আৰক্ষী চকীসমূহত সময়ৰ নিৰ্দেশ কৰিবলৈ কাঁহেৰে নিৰ্মিত ঘণ্টা ব্যৱহাৰ কৰা হয়।। বিয়াত বেণ্ডপাৰ্টিৰ শিল্পীসকলে কাঁহেৰে নিৰ্মিত তাল বাদ্যযন্ত্ৰ হিচাপে ব্যৱহাৰ কৰে। ওজাপালি আৰু নাগাৰা নামৰ শিল্পীসকলেও কাঁহেৰে নিৰ্মিত খুঁটিতাল, পাতিতাল, বাটিতাল, ভোৰতাল ব্যৱহাৰ কৰে।

তেনেদৰে, সত্ৰ-নামঘৰ, দৌল-দেৱালয় আৰু মঠ-মন্দিৰবোৰত বৰকাঁহ, ঘণ্টা, বিগ্ৰহ, গছা, ডগডগী ইত্যাদি কাঁহৰ সামগ্ৰীৰ বহুল ব্যৱহাৰ লক্ষনীয়। বৈষ্ণৱ ধৰ্মৰ আচাৰ-অনুষ্ঠানত নাগফেটী বটাই প্ৰতিমাৰ আসন শুৱনি কৰে। ভকতসকলে কাঁহৰ বটাৰ ওপৰত ৰাখি ধৰ্মশাস্ত্ৰ পাঠ কৰে। গোসাঁইৰ বিগ্ৰহৰ আসন কাঁহেৰে নিৰ্মাণ কৰা হয়। মন্দিৰসমূহত ভক্তসকলে কাঁহেৰে নিৰ্মিত টিলিঙা বজাই মন্দিৰত প্ৰৱেশ কৰে। বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলেও ধৰ্মীয় কাৰ্যত কাঁহৰ সামগ্ৰী ব্যৱহাৰ কৰে। মুছলমান সম্প্ৰদায়ৰ আকিকা আৰু চুন্নত অনুষ্ঠানত কাঁহৰ সামগ্ৰীসমূহ উপহাৰ দিয়া হয়।

গতিকে, "কাঁহৰ কাঁহীত ভাত, বাটিত আঞ্জা লৈ, আহাৰ কৰি লোটা, ঝাৰী বা ঘটিত পানী লৈ চৰিয়াত মুখ ধুই খৰিকাদানিৰ পৰা খৰিকা লৈ দাঁত খুচৰি বটা, শৰাইৰ পৰা তামোল এখন মুখত লৈ মুখশুদ্ধি কৰাটো অসমীয়া মানুহৰ জাতীয় কৃষ্টি তথা ৰীতি।"[২]

**কাঁহ শিল্পৰ ইতিহাস ঃ**

অসমত কাঁহশিল্প প্ৰথমে কত তৈয়াৰ কৰিবলৈ লৈছিল সেই সম্পৰ্কে প্ৰকৃত উৎস পাবলৈ নাই। ইয়াৰ প্ৰচলন কেনেকৈ হ'ল আৰু নিৰ্মাণ কাৰ্যত কেনেকৈ অসমৰ শিল্পী নিয়োজিত হ'ল সেই সম্পৰ্কেও সঠিক তথ্য পোৱা নাযায়। তথাপি এই শিল্পৰ ঐতিহ্য আৰু পৰম্পৰা যে বহু পুৰণি তাৰ উমান পাব পাৰি।

প্ৰাচীন কালত অসমৰ সৰ্থেবাৰী, বৰপেটা, হাজো, তিতাবৰ, গৌৰীপুৰ, শিৱসাগৰ আদি ঠাইত কাঁহৰ সামগ্ৰী প্ৰস্তুত কৰিছিল । বৰ্তমান সময়ত অসমত প্ৰধানকৈ সৰ্থেবাৰী আৰু ইয়াৰ ওচৰ-পাঁজৰৰ গাঁওবোৰ, বিশেষকৈ নামলা, গোনুৱা, কাৱাকুছি, কামাৰপাৰা, সঁত্তিমা, ছিলেপাৰা, আমুগোৱা, পৰ্য্যা, গহিয়া, বনিয়াকুছি আদি গাঁৱৰ লগতে বিলাসীপাৰা, সাপটগ্ৰাম আৰু বৰপেটা ৰোডলৈও ই প্ৰসাৰিত হৈছে। "২০১৮ চনৰ সমীক্ষা অনুসৰি সৰ্থেবাৰী আৰু ইয়াৰ ওচৰ-পাঁজৰৰ অঞ্চলবোৰত 'অসম কঁহাৰ শিল্পী সন্থা'ৰ অধীনত বৰ্তমান ২৮০ খন গড়শাল আছে আৰু তাত প্ৰায় ১৯১৫ ১৯১৫ জন শিল্পী জড়িত হৈ আছে।"[৩]

সৰ্থেবাৰীক মুখ্য কৰি এই শিল্পটো বৰ্তি থকাৰ প্ৰতি লক্ষ্য ৰাখি ইয়াৰ শিল্পী তথা বয়োজ্যেষ্ঠসকলে সৰ্থেবাৰীতেই কাঁহ শিল্পৰ উৎপন্ন হৈছিল বুলি ক'ব খোজে। খ্ৰী.পূ. সপ্তম শতিকাৰ কামৰূপৰ ৰজা ভাস্কৰ বৰ্মনৰ ৰাজত্বকালৰ পৰা অসমত কাঁহ শিল্পৰ প্ৰচলন থকাৰ উমান পোৱা যায় । ভাস্কৰ বৰ্মনে কনৌজৰ অধিপতি ভাৰত সম্ৰাট হৰ্ষবৰ্ধনলৈ বন্ধুত্বৰ চিনস্বৰূপে আগবঢ়োৱা সামগ্ৰীসমূহৰ ভিতৰত কাঁহৰ সামগ্ৰীও আগবঢ়াইছিল। এই কাঁহৰ সামগ্ৰী সৰ্থেবাৰীৰ কঁহাৰসকলৰ অপূৰ্ব সৃষ্টি বুলি বহুতে ক'ব খোজে।

সৰ্থেবাৰীত কাঁহৰ সামগ্ৰী তৈয়াৰ হোৱাৰ প্ৰথম লিখিত নিদৰ্শন পোৱা যায় আহোম ৰজা শিৱসিংহৰ (১৭১৪-৪৪ খ্ৰী.) ৰাজত্বকালত। জীউধন নামৰ কঁহাৰ এজনে শিৱসিংহৰ ৰাজভৱনত এটি ধুনীয়া কাঠেৰে নিৰ্মিত বাঘ তৈয়াৰ কৰিছিল। এই কাঠৰ বাঘটোৰ ভিতৰত কাঁহৰ ভোৰতাল এযোৰ এনেভাৱে সুমুৱাই ৰাখিছিল যে বাঘটো হাতেৰে লৰালে সঁচাকৈ বাঘে চিঞৰাৰ দৰে শব্দ হৈছিল। শিৱসিংহই কঁহাৰজনৰ এনে শিল্প নৈপুণ্যতাত মুগ্ধ হৈ তেওঁক তাম্ৰপত্ৰ প্ৰদান কৰাৰ লগতে এশ পুৰা নিষ্কৰ মাটি দান কৰিছিল আৰু চৌধুৰী উপাধিৰে ভূষিত কৰি সন্মান যাচিছিল।

**কঁহাৰসকলৰ পৰিচয় ঃ** কঁহাৰসকলৰ বংশগতি পৰীক্ষা কৰিলে দেখা যায় যে তেওঁলোকে এই শিল্পটো পুৰুষানুক্ৰমে আয়ত্ব কৰি আহিছে। কাঁহৰ বাচন নিৰ্মাণ প্ৰক্ৰিয়াটো সাধাৰণতে ৫-৬ জন কঁহাৰ লগ লাগি কৰে। প্ৰত্যেকখন গড়শালত একোজনকৈ ওজা কঁহাৰ আৰু

বাকীকেইজন ভাইগা কঁহাৰ থাকে। এখন গড়শালত কাঁহৰ গোটেই ধৰণৰ বাচন তৈয়াৰ কৰা নহয়। ওজা কঁহাৰজন কাঁহৰ যিটো সামগ্ৰী তৈয়াৰ কৰাত অভিজ্ঞ সেইবিধ সামগ্ৰীহে তৈয়াৰ কৰা হয়। ওজা কঁহাৰৰ প্ৰধান কাম হৈছে নিৰ্মাণ কৰিব খোজা সামগ্ৰীবিধৰ নিৰ্দিষ্ট আকাৰ দিয়া আৰু অন্যান্য কামবোৰ ভাইগা কঁহাৰবোৰক ভগাই দিয়া। গড়শালৰ সম্পূৰ্ণ আয়-ব্যয়ৰ হিচাপ তেওঁৰ হাতত; সেয়েহে, তেওঁৰ মনত সদায় ব্যৱসায়িক মানসিকতা এটা থাকে। গড়শালত কঁহাৰসকলক তেওঁলোকৰ কৰ্মৰ পাৰদৰ্শিতা অনুযায়ী নিয়োগ কৰা হয়। কৰ্ম অনুযায়ী গড়শালৰ আন কঁহাৰসকলক কিছুমান নিৰ্দিষ্ট নামেৰে জনা যায়। সেয়া হৈছে—

**গুৰেইলা ঃ** গুৰেইলা হৈছে ওজা কঁহাৰৰ অত্যন্ত সহযোগী। গড়শালত তেওঁ ওজা কঁহাৰৰ মুখামুখিকৈ বহি জুইকুৰা নিয়ন্ত্ৰণ কৰে। কাঁহৰ টুকুৰাবোৰ জুইত দি গলোৱাৰ পিছত তেওঁৰ নেতৃত্বত ওজা কঁহাৰ আৰু বাকীকেইজনে হাতুৰীৰে কোবায় কাঁহ টুকুৰাৰ আকৃতিগত ৰূপ দিয়ে। ওজা কঁহাৰৰ সৈতে থকা কামখিনি শেষ হোৱাৰ পিছত গুৰেইলাই ৰেতিৰে 'কাণঘহা' কাম কৰে। এখন গড়শালত এজনেই গুৰেইলা থাকে।

**মাইথনাৰ ঃ** ওজা কঁহাৰে ৰূপ দিয়াৰ পিছত যিয়ে পুনৰ হাতুৰীৰে কোবাই খলা-বমাবোৰ মিহি কৰে অৰ্থাৎ 'মথন' কৰে তেওঁ মাইথনাৰ। ইয়াৰ উপৰিও বাচনটো কুন্দত লগাই মাইথনাৰে ফুল কটা কাম কৰে। তাল নিৰ্মাণৰ ক্ষেত্ৰত মাইথনাৰৰ উপৰিও 'জীৱন মাইথনাৰ (কাঁহ পিটি মিহি কৰি নতুন জীৱন দিয়া)' নামৰ এজন ব্যক্তি জড়িত হৈ থাকে। জীৱন মাইথনাৰে কোবাই মিহি কৰাৰ পিছত তাল নিৰ্মাণৰ বাবে ব্যৱহৃত কাঁহখিনি মাইথনাৰে পুনৰ কোবাই মিহি কৰে। এখন গড়শালত ২ বা ৩ জন মাইথনাৰ থাকে।

**কাইটনাৰ ঃ** কাইটনাৰৰ কাম হৈছে লোৰে নিৰ্মিত খন্তা ব্যৱহাৰ কৰি বাচনবিধ মিহি কৰা লগতে, ভঙা কাঁহ গলোৱা, কাঁহৰ গুড়িবোৰ গোটোৱা ইত্যাদি।

**আধভাইগা ঃ** আধভাইগাক কিছুমানে গড় শিকা বা আলধৰীয়া বুলিও কয়। সাধাৰণতে গড়শালত নতুনকৈ কাম শিকিবলৈ অহা ব্যক্তিজনেই হৈছে আধভাইগা। তেওঁৰ কোনো নিৰ্দিষ্ট কাম নাথাকে। গড়শালৰ প্ৰতিটো কাম যেনে — আফৰ প্ৰস্তুত কৰা, হাতুৰীৰে কোবোৱা, মিহি কৰা, কুন্দ টনা, নিৰ্মিত সামগ্ৰীবোৰ পৰিপাটিকৈ থোৱা ইত্যাদি বিভিন্ন কাম তেওঁ কৰে। আধভাইগাবোৰক আকৌ কৰ্ম অনুযায়ী চাইবেনা, আঠেইনা, বাবইনা ইত্যাদি বিভিন্ন ভাগত ভাগ কৰা হয়।

**কাঁহৰ সামগ্ৰী নিৰ্মাণ প্ৰণালী ঃ**

কাঁহৰ সামগ্ৰীসমূহ নিৰ্মাণ কৰাৰ এটা নিৰ্দিষ্ট প্ৰক্ৰিয়া আছে। গড়শালত পিছদিনা কাম কৰিবৰ বাবে আগদিনাই ওজা কঁহাৰে কঁহাৰ সংঘ অথবা মহাজনৰ পৰা ভঙা কাঁহ আৰু আন যাৱতীয় সামগ্ৰী গোটাই লৈ ভঙা কাঁহখিনি মুহীত গলাব পৰাকৈ কাটি লয়।

পিছদিনাখন ভঙা কাঁহখিনি মুহীত ভৰাই লৈ আফৰত দি নিৰ্দিষ্ট তাপত কাঁহবোৰ গলোৱা হয়। 'আলেবাৰি'ৰ সহায়ত ভঙা কাঁহখিনি গলিছেনে তাক পৰীক্ষা কৰি চোৱা হয়। গলি উঠাৰ পিছত তপতে তপতে কাঁহখিনি আকত ঢালি সৰু-ডাঙৰ লদা কৰি লোৱা হয়। আকত ঢালি দিয়াৰ পিছত কাঁহখিনি চেঁচা হ'বলৈ দিয়া হয়। ইয়াক কঁহাৰসকলৰ ভাষাত 'আউতা কাঁহ' বুলি কয়। চেঁচা হোৱা আকৰ লদাবোৰ পুনৰ আফৰত দি এটা নিৰ্দিষ্ট তাপত গৰম কৰি লোৱা হয়। এই গৰম লদাবোৰ সৰাহৰ সহায়ত নিয়াৰিত থয়। ওজা কঁহাৰজনে তেতিয়া সৰাহৰ জৰিয়তে কাঁহ টুকুৰা টানকৈ চেপি ধৰে আৰু বাকী ভাইগা কঁহাৰসকলে হাতুৰীৰে কোবাই ভিন ভিন বাচনৰ আকাৰ অনুসৰি পিঠাৰ আকৃতিত বহল কৰি লব লাগে। অৱশ্যে বৰ্তমান সময়ত কিছুমান কঁহাৰে ৰোলিং মেচিনৰ জৰিয়তে কাঁহৰ লদাবোৰ চেপেটা কৰি লৈ আছে। পিঠা আকৃতিৰ কাঁহৰ টুকুৰাবোৰ পুনৰ নিৰ্দিষ্ট তাপত গলাই হাতুৰীৰে কোবাই বাচনৰ প্ৰকৃত গঢ় দিয়ে। পিছত পানীত তিয়াই গৰম পাত্ৰবোৰ চেঁচা আৰু কঠিন হ'বলৈ দিয়া হয়। চেঁচা হোৱা বাচনটোৰ আগৰ হাতুৰীৰ চিনবোৰ মাইথনাৰে হাতুৰীৰে কোবাই সমান আৰু মিহি কৰে। মিহি হোৱাৰ পিছত কাইটনাৰে লোৰে নিৰ্মিত খন্তাৰ সহায়ত বাচনটোৰ ওপৰত থকা ক'লা আৱৰণটো চাফা কৰে। তেতিয়া কাঁহৰ বাচনটো সোণবৰণীয়া হৈ পৰে। ইয়াৰ পিছত বাচনটো কুন্দত লগাই ভাইগা কঁহাৰ দুজনে ভৰ, খৰিকা, চেনা, লোৱাল আদিৰ সহায়ত ফুল, পাত, জীৱ-জন্তুৰ নক্সা, নাম আদি কাটে। এনেদৰে বাচনটো তৈয়াৰ হোৱাৰ পিছত চিৰিচ কাগজেৰে ঘঁহি বাচনটো মিহি কৰি তোলা হয়। তেতিয়া ই ব্যৱহাৰৰ

উপযোগী হৈ পৰে।

**কাঁহৰ সামগ্ৰী নিৰ্মাণত ব্যৱহৃত সঁজুলি ঃ**

কাঁহৰ সামগ্ৰী নিৰ্মাণ কৰোতে কঁহাৰসকলে আধুনিক যন্ত্ৰপাতিৰ সলনি পৰম্পৰাগতভাৱে ব্যৱহাৰ কৰি অহা হাতেৰে নিৰ্মিত সঁজুলিসমূহকে ব্যৱহাৰ কৰা দেখা। অৱশ্যে বৰ্তমান সময়ত কিছুমান কঁহাৰে কাঁহ চেপেটা কৰিবলৈ ৰোলিং মেচিন ব্যৱহাৰ কৰে। কাঁহৰ সামগ্ৰী নিৰ্মাণত ব্যৱহৃত এনে সঁজুলিসমূহ হৈছে—

**নিয়াৰি** (ঘূৰণীয়া আকৃতিৰ লোৰে নিৰ্মিত এবিধ আহিলা; য'ত কাঁহখিনি হাতুৰীৰে কোবাই বাচনৰ আকৃতিৰ ৰূপ দিয়া হয় আৰু বাচনবোৰ মিহি কৰা হয়। গড়শাল এখনত সৰু-ডাঙৰ তিনিটালৈকে নিয়াৰি থাকে), **হাতুৰী** (লো আৰু কাঠ অথবা বাঁহ ব্যৱহাৰ কৰি তৈয়াৰ কৰা এবিধ আহিলা; যাৰ সহায়ত কাঁহ কোবাই নিৰ্দিষ্ট গঢ় দিয়া হয়। এটা মূৰ ঘূৰণীয়া আৰু আনটো মূৰ চেপেটা কৈ হাতুৰী কেবা প্ৰকাৰৰো—বৰ হাতুৰী, কামৌৰা হাতুৰী, একহতীয়া হাতুৰী, ফুলকটা হাতুৰী, পায়ে মাৰা হাতুৰী, কইথা মাথা হাতুৰী, বুক মাথা হাতুৰী ইত্যাদি), **সৰাহ** বা **চেপেনা** (তপত কাঁহ নিয়াৰিত কোবাওতে চেপি ধৰিবলৈ ব্যৱহাৰ কৰা লোৰে নিৰ্মিত চেপেনাসদৃশ এবিধ আহিলা। পাত সৰাহ, গল সৰাহ, পোৱান সৰাহ, বেজীমুখীয়া সৰাহ, কমাৰী সৰাহ ইত্যাদিকৈ ইয়াৰ বিভিন্ন প্ৰকাৰ আছে ), **মুহী** (ভঙা কাঁহসমূহ আফৰত দি গলাবলৈ আলতীয়া মাটিৰে তৈয়াৰী ঘূৰণীয়া আকৃতিৰ এবিধ আহিলা), **আক** (মাজখিনিত ঘূৰণীয়া আকৃতিৰ খোল থকা আলতীয়া মাটিৰে নিৰ্মিত এবিধ আহিলা; য'ত গলোৱা কাঁহসমূহ ঢালি দি কাঁহৰ লদা তৈয়াৰ কৰা হয়। নিৰ্মাণ কৰিবলগীয়া বাচনটোৰ আকাৰ অনুযায়ী আকৰ খোলটো সৰু-ডাঙৰ হয়), **আফৰ** (গড়শালত কাঁহ গলাবৰ বাবে এঙাৰেৰে ধৰা জুইশালৰ মুহী বহুৱাব পৰা নিৰ্দিষ্ট আয়তনেই হৈছে আফৰ। কাঁহ গলোৱাৰ উপৰিও কাঁহৰ লদা বহল কৰিবলৈ আফৰত নিৰ্দিষ্ট পৰিমাণৰ উষ্ণতাত তপতাই লোৱা হয়), **আফৰ চুঙা** (বাঁহৰ এটি চুঙা, যাৰ সহায়ত আফৰত ফুৱাই জুই তোলা হয়) , **ঢেকা** (লোৰে নিৰ্মিত এমূৰে ভাঁজ থকা নিয়াৰি। ভাঁজ থকা মূৰটোত লোটা, কলহ আদি ঘূৰণীয়া পাত্ৰসমূহৰ গঢ় দিয়া হয়), **চাতলি** (লোৰে নিৰ্মিত এবিধ সঁজুলি। ই ঘূৰণীয়া আকৃতিৰ, তলভাগ জোঙা আৰু ওপৰভাগ বহল। বটা, কাঁহী আদি তৈয়াৰ হোৱাৰ পিছত খহটা ঠাইখিনি চাতলিত থৈ মিহি কৰা হয়), **খন্তা** (লো আৰু বাঁহ অথবা কাঠেৰে নিৰ্মিত এবিধ আহিলা। ই দেখাত ডাঙৰ বটালীৰ নিচিনা। কাঁহৰ সামগ্ৰীবোৰ গঢ়াৰ পিছত ইয়াৰ সহায়ত পৰিষ্কাৰ কৰা হয়), **ভাটি** (ছাগলীৰ ছালেৰে নিৰ্মাণ কৰা এবিধ আহিলা। ইয়াৰ সহায়ত কাঁহ গলাবলৈ ব্যৱহাৰ কৰা জুইত বতাহ দিয়া হয়। অৱশ্যে বৰ্তমান সময়ত জুইত বতাহ দিবলৈ আধুনিক যন্ত্ৰপাতিৰ ব্যৱহাৰ কৰে), **ৰেতি** (বাঁহ আৰু লোৰে নিৰ্মিত এবিধ সঁজুলি। কাঁহৰ সামগ্ৰীসমূহৰ চাৰিওকাষ কাটিবলৈ আৰু ঘঁহি ঘঁহি মিহি কৰিবলৈ ৰেতি ব্যৱহাৰ কৰা হয়), **লোৱাল** (লো অথবা তীখাৰে নিৰ্মিত এবিধ সঁজুলি। ইয়াৰ সহায়ত কাঁহৰ সামগ্ৰীসমূহ পৰিষ্কাৰ কৰা হয়), **ছেনো** (বটালীৰ নিচিনা এবিধ আহিলা। কাঁহৰ সামগ্ৰীসমূহত ফুল কটা, কাষবোৰ মিহি কৰা আদি কামত ছেনো ব্যৱহাৰ কৰা হয়), **আকে** (লোৰে নিৰ্মিত এবিধ আহিলা। কাঁহৰ সামগ্ৰীসমূহক কোবাই নিৰ্দিষ্ট গঢ় দিবলৈ আকে ব্যৱহাৰ কৰা হয়। ইংৰাজী T আখৰৰ লেখীয়া এই আহিলাবিধৰ তলৰ অংশ বেঁকাকৈ মাটিত পুতি দি আনটো অংশৰে কাঁহৰ সামগ্ৰীখিনি সোমাই দি ভাঁজ কৰা হয়), **কুন্দ** (কাঠেৰে নিৰ্মিত এবিধ সঁজুলি। ইয়াৰ এটা মূৰত লা লগাই বাচনটো কাঠডালত লগাই লোৱা হয়। কাঠডাল এডাল বিশেষ ৰছীৰে ঘূৰালে বাচনটো ঘূৰি থাকে। তেতিয়া বাচনটো খন্তা আৰু ছেনোৰ সহায়ত মিহি কৰা হয়। ডিজাইন আৰু ফুল কটা কামো একেলগে কৰি লোৱা হয়), **ঘৰমাৰা** (লোৰে নিৰ্মিত শলা এডালৰ লগত বাঁহৰ ধেনু এখন লগ লাগি থকা এবিধ সঁজুলি। ফুল কটা লোহাৰ শলাডালক ঘৰ বুলি কোৱা হয়। কাঁহৰ সামগ্ৰীসমূহত ফুল কাটিবলৈ এইবিধ আহিলা ব্যৱহাৰ কৰা হয়), **আলেবাৰী** (কাঁহৰ সামগ্ৰী গলোৱা সময়ত কাঁহখিনি গলিছেনে নাই তাক চাবলৈ বাঁহৰ এইডাল আহিলা ব্যৱহাৰ কৰা হয়।), **পানীঢোল** (গলোৱা কাঁহৰ সামগ্ৰীসমূহ কোবাই বহল কৰাৰ পিছত কাঁহখিনি চেঁচা আৰু টান হ'বলৈ পানীৰ পাত্ৰটো), **পটা** ( শিলৰ এবিধ সঁজুলি। কাঁহবোৰ পৰিষ্কাৰ কৰাৰ সময়ত খন্তাখনৰ ধাৰ কমিলে পটাখনত ঘঁহি ধাৰ উঠোৱা হয়), **পায়েন** (কাঁহ আৰু দন্তাৰ লগত সুৰাগা লগ লগাই কাঁহৰ বিভিন্ন অংশ জোৰা লগাবলৈ তৈয়াৰ কৰা এবিধ আঠা), **ভৰ** (তীখাৰে নিৰ্মিত এবিধ আহিলা। কাঁহৰ সামগ্ৰীবোৰ ফুটা কৰিবলৈ এইবিধ

আহিলা ব্যৱহাৰ কৰা হয়) আদি।

**কাঁহৰ উৎপাদিত সামগ্ৰী :**

কঁহাৰসকলে গড়শালত জনসাধাৰণৰ প্ৰয়োজনীয় প্ৰায়বোৰ বস্তু তৈয়াৰ কৰে। অৱশ্যে, একেজন কঁহাৰে আটাইবোৰ সামগ্ৰী নিৰ্মাণতে নিজৰ দক্ষতা দেখুৱাব নোৱাৰে। সৰুবেপৰা কঁহাৰজনে যিটো সামগ্ৰী তৈয়াৰ কৰাত ব্যস্ত থাকে, সেই সামগ্ৰীটোত তেওঁ অভিজ্ঞ হৈ উঠে। কঁহাৰসকলে তৈয়াৰ কৰা কাঁহৰ এনে সামগ্ৰীসমূহৰ ভিতৰত আমাৰ দৈনন্দিন জীৱনত ব্যৱহৃত সামগ্ৰী আছে। তাৰ ভিতৰত উল্লেখযোগ্য—

১) **কাঁহী :** ভাত খোৱা আৰু অন্যান্য কাৰ্যত ব্যৱহৃত এবিধ সামগ্ৰী। ইয়াৰ বিভিন্ন প্ৰকাৰ আছে, যেনে—

**চাদা কাঁহী :** ফুল নবছা কাঁহী।

**চঁছ কাঁহী :** ফুল নবছা নিমজ কাঁহী।

**জুলখন্দা কাঁহী :** কাঁহীখনৰ বুকুত দকৈ অঁকা থকা কাঁহী।

**কৰ্দৈসিৰীয়া কাঁহী :** দাঁতিত কৰ্দৈৰ নিচিনা সিৰ থকা এবিধ কাঁহী।

**জেল কাঁহী :** প্ৰয়াত পুষ্প কঁহাৰে জেলত থাকোঁতে তৈয়াৰ কৰা বাবে ইয়াৰ নাম জেল কাঁহী।

**বাণ কাঁহী :** ইয়াৰ আন এটা নাম 'বেলাবাণ'। এই কাঁহীবিধত খুৰা লগোৱা থাকে আৰু ই ওখ হয়।

**জাতকাঁহী :** এইবিধ কাঁহীত পিতলৰ তিনিটা ঠেং থাকে। প্ৰাচীন কালত ৰজা-মহাৰজাসকলে এই কাঁহী ব্যৱহাৰ কৰিছিল। বৰ্তমান ইয়াৰ আদৰ নাই বাবে নিৰ্মাণ কৰা শিল্পীও নাই।

**মইহাং কাঁহী :** আহোম স্বৰ্গদেউ আৰু ডা-ডাঙৰীয়াসকলে ভাত খাবলৈ এইবিধ কাঁহী ব্যৱহাৰ কৰিছিল।

**পাণধোৱা কাঁহী :** সাধাৰণ কাঁহীতকৈ এইবিধ কাঁহী সৰু আকৃতিৰ। ইয়াৰ কাণ ওখ আৰু বহল। ফুল কটা কাঁহীখনক ফুল পাণধোৱা কাঁহী আৰু ফুল নকটা কাঁহীখনক গোটাকণীয়া পাণধোৱা কাঁহী বোলা হয়।

**ডফলা কাঁহী :** অৰুণাচল প্ৰদেশৰ লোকসকলে ব্যৱহাৰ কৰা একধৰণৰ কাঁহী।

২। **বাটি :** ঘূৰণীয়া আকৃতিৰ এবিধ পাত্ৰ। গঠন অনুসৰি বাটি কেইবা প্ৰকাৰৰ। সেয়া হৈছে—চাদা বাটি, চঁছ বাটি, বাহিৰকণীয়া বাটি, জুলখন্দা বাটি, জেল বাটি। তাৰ উপৰি আন কেতবোৰ বাটি হ'ল—

**হাতীখুজীয়া বাটি :** হাতীৰ খোজৰ আকৃতিৰ দৰে বহল, ডাঙৰ, কিন্তু দ কম।

**ৰহেইলা বাটি :** নগাঁও জিলাৰ ৰহাত এই বাটি তৈয়াৰ কৰা হৈছিল। বৰ্তমান সৰ্থেবাৰীৰ কঁহাৰসকলে এই বাটি তৈয়াৰ কৰে।

**গাৰোখোৰা বাটি :** গাৰো জাতিৰ মানুহে এইবিধ বাটি ব্যৱহাৰ কৰে।

**সত্ৰীয়া বাটি :** সত্ৰৰ ভকতসকলে এইবিধ বাটি ব্যৱহাৰ কৰে।

**তেল বাটি :** উৎসৱ-পাৰ্বণ আৰু বিবাহ কাৰ্যৰ গা ধোৱা পৰ্বত দৰা-কইনাৰ মূৰত তেল দিওঁতে এই বাটি ব্যৱহাৰ কৰা হয়।

**বাণবাটি :** কাঁহেৰে নিৰ্মিত খুৰা থকা বাটি।

**মইহাং বাটি :** বাণবাটিতকৈ ডাঙৰ এবিধ বাটি। আহোম স্বৰ্গদেউ আৰু ডা-ডাঙৰীয়াসকলে জলপান খাবলৈ এইবিধ বাটি ব্যৱহাৰ কৰিছিল।

৩। **লোটা :** দেখাত লাউ আকৃতিৰ দীঘল ডিঙিৰ এবিধ পানী খোৱা পাত্ৰ। লোটা বিভিন্ন প্ৰকাৰৰ—চাদা লোটা, চেলেকটা লোটা, চান্দ লেখীয়া লোটা, ভাটৌ কণীয়া লোটা, তিতাবৰীয়া লোটা, ৰহেইলা লোটা, অগী লোটা, ডগী লোটা আদি।

৪। **ঘটি :** ডিঙি চুটি কিন্তু বহল মুখৰ এবিধ পানী খোৱা পাত্ৰ।

৫। **ডগ্‌ডগী :** সৰু ডিঙিৰ পানী খোৱা এবিধ লোটা। পানী বাকিলে এই পাত্ৰৰ পৰা পানী পৰা ডগ ডগ শব্দ হয় বাবে ইয়াৰ নাম ডগডগী।

৬। **কলহ :** পেট ডাঙৰ, ডিঙি ঠেক এবিধ পানী অনা পাত্ৰ। কলহ বিভিন্ন প্ৰকাৰৰ—

জুলখন্দা কলহ, চাঁদা পেহীয়া কলহ, চেলে কটা অথবা লোটা কটা কলহ, ভাটৌ কোণীয়া কলহ আদি।

৭। **চৰিয়া :** ঘূৰণীয়া আকৃতিৰ হাত-মুখ আৰু অন্যান্য বস্তু ধুবলৈ ব্যৱহাৰ কৰা এবিধ পাত্ৰ।

৮। **বটা :** অভ্যাগতক তামোল-পাণ যচা আৰু মান ধৰাৰ ক্ষেত্ৰত বটা ব্যৱহাৰ কৰা হয়। বটা বিভিন্ন প্ৰকাৰৰ—গোলপেহীয়া বা টুপুৰাপেহীয়া বটা, কাণ কটা বটা, ছোলা

পেহীয়া বটা গোল মেহবাৰী বটা, চন্দ্ৰফেটী বটা, কদৈসিৰীয়া বটা, উখলণীয়া বটা, নাগফেটী বটা, চাধা বটা, টেমা বটা বা সঁফুৰা, পাণবটা বা মেটবটা আদি। পাণবটা বা মেটবটা আকৌ বিভিন্ন প্ৰকাৰৰ—আঠচুকীয়া পাণ বটা, কাণ কটা পাণ বটা, টুপুৰাপেহীয়া পাণ বটা, ধতুৰাফুলীয়া পাণ বটা, চঁহু পাণ বটা, জৰী পাণ বটা, জুলখন্দা পাণ বটা আদি।

**ধৰ্মীয় কাৰ্যত ব্যৱহৃত সামগ্ৰী ঃ**

**১। তাল ঃ** নাম-প্ৰসংগত বজোৱা এবিধ কাঁহৰ চেপেটা ঘূৰণীয়া বাদ্য। তাল বিভিন্ন প্ৰকাৰৰ পোৱা যায়। সেয়া হৈছে—ভোৰতাল, পাতিতাল, খুঁটিতাল, বাটি তাল, মঞ্জীৰা, ভূটীয়া তাল আদি।

ভূটীয়া তালসমূহ ভূটান, নেপাল, চীন, তিব্বত আদি দেশৰ বৌদ্ধ ধৰ্মাৱলম্বী লোকসলে ব্যৱহাৰ কৰে। ভূটীয়া তাল চাৰি প্ৰকাৰৰ—ৰুমু, ভেৰি, চিমেন, পচাং আদি।

ভেৰি দেখাত প্ৰায় ভোৰতালৰ নিচিনা। ঘূৰণীয়া আকৃতিৰ তালখনৰ মাজভাগত থকা বাটিটো সৰুকৈ নিৰ্মাণ কৰি চিমেন তাল তৈয়াৰ কৰা হয়। এই সৰু বাটিটোত ধৰিয়েই চিমেন তাল বজাব পাৰি। সেইদৰে কাঁহৰ তৰপ ডাঠকৈ দি পচাং তাল তৈয়াৰ কৰা হয়।

**২। গছা ঃ** মন্দিৰত চাকি জ্বলাবৰ বাবে এইবিধ সামগ্ৰী ব্যৱহাৰ কৰা হয়।

**৩। বৰকাঁহ ঃ** নামঘৰ, মঠ-মন্দিৰ, দৌল-দেৱালয়ত কাঁহৰ এইবিধ সামগ্ৰী ব্যৱহৃত হয়।

**৪। চাকি ঃ** মন্দিৰ, নামঘৰ আদিত ব্যৱহৃত এবিধ আহিলা। কাঁহেৰে নিৰ্মিত চাকিত মিঠাতেল আৰু শলিতা দি চাকি জ্বলোৱা হয়।

**৫। বিগ্ৰহ ঃ** কাঁহেৰে নিৰ্মিত দেৱ-দেৱীৰ মূৰ্তি।

**গ) অন্যান্য কাৰ্যত ব্যৱহৃত সামগ্ৰী ঃ**

**১) ঘন্টা ঃ** শিক্ষানুষ্ঠান আৰু আন আন অনুষ্ঠানত সময়ৰ সংকেত দিবলৈ এইবিধ সামগ্ৰী ব্যৱহাৰ কৰা হয়।

**২) পিকদান ঃ** কাঁহেৰে নিৰ্মিত থু, খেকাৰ আদি পেলোৱা পাত্ৰ।

**৩) ভোগজৰা ঃ** প্ৰাচীন কালত ৰজাসকলে ব্যৱহাৰ কৰা নলী লগোৱা দীঘল লোটা। ইয়াত পানী থোৱা হৈছিল। বৰ্তমান সময়ত ইয়াৰ ব্যৱহাৰ নোহোৱা হৈছে।

**৪) গুৰগুৰী ঃ** দীঘল নলী লগোৱা এবিধ ধোঁৱা খোৱা সঁজুলি।

**৫) দাপনি ঃ** বিয়াৰ দিনা দৰাই হাতত লৈ ধৰা এবিধ আহিলা।

**৬) শৰাই ঃ** সম্মানীয় ব্যক্তিক মান ধৰিবলৈ আৰু পূজা-পাৰ্বণত নৈবেদ্য আগবঢ়াবলৈ শৰাই ব্যৱহাৰ কৰা হয়। শৰাইখন দেখাত জোপোহা গছ এজোপাৰ দৰে নিৰ্দিষ্ট ৰূপ। কাঁহেৰে নিৰ্মিত শৰাই নিৰ্মাণ কৰা অতিশয় কঠিন। সেইবাবে বৰ্তমান সময়ত কাঁহৰ সলনি পিতলেৰে শৰাই নিৰ্মাণ কৰিবলৈ লৈছে।

ঐতিহ্য বহনকাৰী এই শিল্পটোৰ প্ৰতি বৰ্তমান সময়ত যথেষ্ট সংকট নামি আহিছে। বৰ্তমান সময়ত বজাৰত ষ্টীল আৰু প্লাষ্টিকৰ সামগ্ৰীবোৰৰ পয়োভৰ বৃদ্ধি পাইছে। এই সামগ্ৰীবোৰৰ দাম কাঁহৰ সামগ্ৰীৰ তুলনাত যথেষ্ট কম। তেনেদৰে, মেচিনৰ দ্বাৰা তৈয়াৰী মুৰাদাবাদৰ কম মূল্যৰ আৰু অতিশয় উজ্জ্বল নকল সামগ্ৰীৰে বজাৰ ভৰি পৰিছে। আনহাতে, কেঁচামাল অৰ্থাৎ ভঙা কাঁহৰ অভাৱ আৰু ইন্ধনজাত সামগ্ৰীৰ অভাৱেও কাঁহ শিল্পীসকলক সংকটৰ গৰাহলৈ ঠেলি দিছে। অসম সমবায় কঁহাৰ সংঘই পৰ্যাপ্ত পৰিমাণে কেঁচামাল যোগান ধৰিব নোৱৰাৰ ফলত বেছিভাগ সময় গঢ়শালসমূহ বন্ধ ৰাখিব লগা হয়।এঙাৰৰ ব্যৱসায়সমূহ মহাজনৰ নিয়ন্ত্ৰণত থাকে। মহাজনসকলে যি দাম নিৰ্ধাৰণ কৰে সেই দামতেই কিনি আনিবলগীয়া হোৱাত বহু সময়ত তেওঁলোক লোকচানৰ সন্মুখীন হয়। আন এক গুৰুত্বপূৰ্ণ কথা হৈছে এই যে বৰ্তমান সময়ত কঁহাৰসকলে উৎপাদন বৃদ্ধিত যথেষ্ট গুৰুত্ব দিছে। ফলস্বৰূপে কাঁহৰ সামগ্ৰীবোৰৰ মানদণ্ড যথেষ্ট নিম্নগামী হৈছে। ইয়ে কাঁহৰ সামগ্ৰীৰ বজাৰখনক সংকটৰ মুখলৈ ঠেলি দিছে। এনে ক্ষেত্ৰত সকলো পক্ষৰ লোক সচেতন হোৱাৰ দৰকাৰ।

**প্ৰসংগ ঃ**

১. চন্দ্ৰকান্ত অভিধান, গুৱাহাটী বিশ্ববিদ্যালয়, পৃ.২০১
২.উৎস ঃ ইণ্টাৰনেট
৩.হোছেইন, ইছমাইল (সম্পা.) ঃ বৰপেটা জিলাৰ ঐতিহ্য আৰু সংস্কৃতি, পৃ. ৩২৮
৪.তালুকদাৰ, ধ্ৰুবকুমাৰ ঃ অসমৰ লোক-শিল্পকলা, পৃ.৪৫
৫. তথ্যদাতা ঃ হৰিপ্ৰসাদ বৰ্মন, আমৃখোৱা, বৰপেটা

# AROMA

A Collection of Articles Based on Chemical Sciences



**DEPARTMENT OF CHEMISTRY**
NALBARI COLLEGE, NALBARI

Editors
Dr. Dhiraj Talukdar
Dr. Dhanju Mani Pathak

*AROMA : A collection of articles based on Chemical Sciences, Edited by Dr. Dhiraj Talukdar & Dr. Dhanju Mani Pathak and Published by Saraswati Books on behalf of Department of Chemistry, Nalbari College, Nalbari*

---


## EDITORIAL BOARD

| | | |
|---|---|---|
| Advisers | : | Dr. Dipak Goswami |
| | | Madan Chandra Medhi |
| | | Gitima Buzarbaruah |
| Editors | : | Dr. Dhiraj Talukdar |
| | | Dr. Dhanju Mani Pathak |
| Members | : | Dr. Nabajyoti Deka |
| | | Dr. Rupam Sarma |
| | | Dr. Purabi Sarmah |



© : HoD, Department of Chemistry, Nalbari College, Nalbari



Published by : Saraswati Books on behalf of HoD, Department of Chemistry, Nalbari College, Nalbari.

First Edition : April, 2019

ISBN : 978-81-940053-4-6

Cover Design : Dipsikha Barman

Price : 300/- (Rupees Three Hundred only)

Printed at : New Digital Computer & Varna Group of Publishing House, College Road, Nalbari


art
are
art

for

ISBN : 978-81-940053-4-6

# Inorganic polymer and their impact on environments

Dr. Pankaj Hazarika

Silicones are polymers that include any inert, synthetic compound made up of repeating units of siloxane, which is a chain of alternating silicone atoms and oxygen atoms, frequently combined with carbon and/or hydrogen. They are typically heat-resistant and rubber-like, and are used in sealants, adhesives, lubricants, medicines, cooking utensils, and thermal and electrical insulations. Some common forms include silicone oil, silicone grease, silicone rubber, silicon resin, and silicone caulk.



Chemical structure of the silicone polydimethysilioxane (PDMS)

More precisely called polymerised siloxanes or polysiloxanes, silicone consists of an inorganic silicone-oxygen backbone chain (...-Si-O-Si-O-Si-...) with organic side groups attached to the silicone atoms. These silicone atoms are tetravalent. so, silicones are polymers


আলোকপাত
(অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি)
সম্পাদনা
জোনমণি দাস
অঞ্জনজ্যোতি শৰ্মা
ৰিছা গগৈ

**AALOKPAT** : *A Collection of Articles based on Assamese Language, Literature and Culture, edited by Jonmoni Das, Anjanjyoti Sarma & Richa Gogoi; published by Sanjib Jyoti Haloi, Kaziranga Printing House, Chandmari, Guwahati, Assam.*

# আলোকপাত

(অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি)

# AALOKPAT

**Editors :**
Jonmoni Das
Anjanjyoti Sarma
Richa Gogoi

**Published By :**
Kaziranga Printing House
Chandmari, Guwahati, Assam

© Editors

**First Published :**
January 2021

**ISBN** : 978-81-948413-5-7

**Price** :
₹ 500/-

**Printed at :**
Kaziranga Printing House
Chandmari, Guwahati-21

১৩। বিপদাপন্ন ভাষা আৰু অসমৰ জনগোষ্ঠী
*আনন্দিতা ফুকন* ৮৭

১৪। অসমৰ উপভাষাৰ এটি পৰিচয়
*নিভা মণি দাস* ৯১

১৫। তিৱা ভাষা ঃ এক অধ্যয়ন *অবিনাশ বৰদলৈ* ১০০

১৬। লোকসাহিত্যত গোৱালপৰীয়া লোকগীতৰ স্থান
*চিমি বৰা* ১১১

১৭। ৰাভাৰ গঠনৰীতি ঃ এক পৰ্য্যালোচনা
*মেহেজবীন মেহবুবা* ১১৮

১৮। অসমীয়া লোকসাহিত্যত নাৰী আৰু নাৰীমনৰ প্ৰতিফলন
*ৰুদ্ৰাক্ষী শইকীয়া* ১২৩

১৯। অনুভৱ তুলসীৰ 'চিহ্নযাত্ৰাৰ কেইটিমান জলমগ্ন দৃশ্য' শীৰ্ষক কবিতাটিৰ শৈলী বিচাৰ
*অনামিকা দাস* ১৩৭

২০। অসমীয়া ভাষা-সমাজত গালি-শপনি
*জ্যোতি বৰ্মন* ১৪১

২১। হোমেন বৰগোহাঞিৰ চুটিগল্পত মনস্তত্ত্বৰ প্ৰয়োগ
*অংকিতা দাস* ১৪৯

২২। অৰুণ শৰ্মাৰ 'স্থাৱৰ' ঃ এটি পৰ্যালোচনা
*শাৰমিন আৰা ৰহমান* ১৫৩

২৩। অসমীয়া বিজ্ঞান সাহিত্যৰ ঐতিহাসিক পটভূমি আৰু বিকাশ
*বিকাশ চেতিয়া* ১৬০

২৪। 'তেজীমলাৰ মাকৰ সাধু' উপন্যাসত নাৰীবাদৰ প্ৰতিফলন
*চাবিনা বেগম* ১৬৫

২৫। উত্তৰ-পূৰ্বাঞ্চলৰ টাইমূলীয় লোকসকলৰ সাজপাৰ ঃ এটি তুলনামূলক অধ্যয়ন
*উৎপল কাকতি* ১৭০

২৬। লেখক পৰিচিতি ১৭৭

◆◆◆

# অসমীয়া লোকসাহিত্যত নাৰী আৰু নাৰীমনৰ প্ৰতিফলন

ৰুদ্ৰাক্ষী শইকীয়া

**০.০ অৱতৰণিকা ঃ**

